www.newsnextone.com
# ই-সংবাদ

**মৃদুলৰ পত্নীলৈ কংগ্ৰেছৰ ২৫ লাখ**

গুৱাহাটী, ২৪ ডিচেম্বৰঃ আৰক্ষীৰ নিৰ্যাতনত মৃত্যু হোৱা শ্বহীদ মৃদুল ইছলামৰ ঘৰলৈ ৬ পৃষ্ঠাত চাওক

**মণিপুৰৰ নতুন ৰাজ্যপাল এ. ভাল্লা**

নতুন দিল্লী, ২৪ ডিচেম্বৰঃ কেন্দ্ৰীয় চৰকাৰে আজি কেইবাখনো ৰাজ্যৰ ৰাজ্যপাল সাল-সলনি ৭ পৃষ্ঠাত চাওক

WEDNESDAY, DECEMBER 25, 2024 ■ বুধবাৰ, ৯ পুহ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩৫২ Guwahati, Assam || মূল্যঃ এটকা

## বৰ্ষপূৰ্তিৰ শুভেচ্ছা



ডঃ খনিন্দ্ৰ মিশ্ৰ ভাগৱতী

**সময়ৰ** লগে লগে বাতৰি কাকতে পঢ়ুৱৈৰ ওচৰ চপাৰ উপায় হিচাপে ৭ পৃষ্ঠাত

## ডিজিটেল যুগৰ ভাষা আৰু ই-সংবাদ

■ শোণিত কুমাৰ গোস্বামী

**সময়** বাগৰাৰ লগে লগে যদিহে ভাষা এটাই নিজৰ চৰিত্ৰ সলনি ৮ পৃষ্ঠাত

**‘ই-সংবাদ’ৰ আজি এবছৰ সম্পূৰ্ণ। এই বিশেষ ক্ষণত সমূহ পঢ়ুৱৈ তথা অসমৰ ৰাইজলৈ আমি জনালো কৃতজ্ঞতা আৰু ধন্যবাদ!**


ই-সংবাদ
‘কা’ৰ বাবে হঠাৎ আৰক্ষীৰ গিৰিপ-গাৰাপ
‘কা’ৰ বিৰুদ্ধে মিজোৰামতো প্ৰতিবাদ
নিজ চৰকাৰক আকৌ সমালোচনা! চৰ্চাত গাডকাৰী
বিজেপিয়ে এতিয়াও প্ৰকাশ কৰা নাই চূড়ান্ত তালিকা
‘ফেচবুক ইনফ্লুৱেঞ্চাৰ’ লইতৰ পোষ্টত ডিজিপিৰ বৃজনি


ই-সংবাদ
নিশ্চুপ জাতীয় সংগঠন
অসমত আৰক্ষীৰাজ!
■ আৰক্ষীৰ অত্যাচাৰ সহিব নোৱাৰি তিতাবৰত ২৪ বছৰীয়া যুৱকৰ আত্মহত্যা ■
আলফাৰে সম্পৰ্ক, নলবাৰীৰ জয়ন্ত-বিশ্বজিতক গ্ৰেপ্তাৰ
যোৰহাটত নেতাক হত্যাৰ অপচেষ্টা

## বৰ্ষপূৰ্তিত ‘ই-সংবাদ’ক লৈ কিছু কথা



ডঃ দীনেশ বৈশ্য

‘নিউজ নেক্সট ওৱান’ৰ কেতিয়া জন্ম হৈছিল এগজেকটলি মই নাজানো। মই যেতিয়া ‘নিউজ নেক্সট ওৱান’ৰ বিষয়ে ৭ পৃষ্ঠাত

**আম্বেদকাৰৰ ফটো প্ৰদান ভূপেন বৰাৰ**

## বাবাচাহেবৰ ফটো নাই জিলা আয়ুক্তৰ কাৰ্যালয়ত!

ই-সংবাদ, ২৪ ডিচেম্বৰঃ ভাৰতীয় সংবিধানক আৰু সংবিধান প্ৰণেতা ভীমৰাও বাবাচাহেব আম্বেদকাৰক সন্মান জনাবলৈ আজি অসম প্ৰদেশ কংগ্ৰেছে শেষাংশ ৪ পৃষ্ঠাত



**‘ভুৱা আৰক্ষী’ৰ কথাৰ জালত বন্দী অসংখ্যজন**

# ৯০০ শতাংশলৈ বৃদ্ধি ‘ডিজিটেল এৰেষ্ট’

## অসমতো ভুক্তভোগী বহু লোক




**ই-সংবাদ বিশেষ, ২৪ ডিচেম্বৰঃ** কল্পনা কৰকচোন, হঠাৎ এদিন আপোনালৈ এটা ফোন আহে। ফোনৰ সিপাৰৰ পৰা আপোনাক কোৱা হয়, “আপোনাৰ ৩ পৃষ্ঠাত চাওক



যুদ্ধ বিধ্বস্ত ইৰাকৰ ইৰবিল চহৰত বৰদিনৰ প্ৰস্তুতি ২ সুন্দৰীৰ

## আজি খ্ৰীষ্টান ধৰ্মাৱলম্বীসকলৰ পৱিত্ৰ বৰদিন

**ই-সংবাদ, ২৪ ডিচেম্বৰঃ** কাইলৈ সমগ্ৰ বিশ্বৰ খ্ৰীষ্টান ধৰ্মী লোকসকলে পৱিত্ৰ বৰদিন পালন কৰিবলৈ সাজু শেষাংশ ৫ পৃষ্ঠাত

## দেশত খ্ৰীষ্টানৰ ওপৰত নিৰ্যাতনৰ ঘটনা বাঢ়িছে!

**নতুন দিল্লী, ২৪ ডিচেম্বৰঃ** খ্ৰীষ্টান সম্প্ৰদায়ৰ ওপৰত ভাৰতত বৃদ্ধি পোৱা হিংসা শেষাংশ ৫ পৃষ্ঠাত

## পঞ্চায়তত নহয় মিত্ৰতা! বিজেপিয়ে কৰিলে ঘোষণা



**ই-সংবাদ, ২৪ ডিচেম্বৰঃ** পঞ্চায়ত নিৰ্বাচনত একলা চলো নীতি গ্ৰহণ কৰিব শাসকীয় দল বিজেপিয়ে। পঞ্চায়ত নিৰ্বাচনত সহযোগী ৫ পৃষ্ঠাত চাওক



পাঁচজন জোৱানৰ মৃত্যু

## কাশ্মীৰত দ-খাৱৈত পৰিল সেনাৰ গাড়ী

**শ্ৰীনগৰ, ২৪ ডিচেম্বৰঃ** মঙলবাৰে ভাৰতীয় সেনাবাহিনীৰ এখন ট্ৰাক কাশ্মীৰত দুৰ্ঘটনাত পতিত হোৱাৰ ৫ পৃষ্ঠাত চাওক

## প্ৰদেশ কংগ্ৰেছৰ জিলাই জিলাই আম্বেদকাৰৰ সন্মান যাত্ৰা



### শ্বাহৰ পদত্যাগ দাবী

**ই-সংবাদ, ২৪ ডিচেম্বৰঃ** গৃহমন্ত্ৰী অমিত শ্বাহে বাবাচাহেব আম্বেদকাৰক কৰা অপমানৰ বিৰুদ্ধে আজি নিখিল ভাৰত কংগ্ৰেছে শেষাংশ ৬ পৃষ্ঠাত

## শিৱসাগৰৰ পৰা মৰম ময়ূৰৰ হত্যাৰে জড়িত যুৱক ধৃত

**বিতৰ্কৰ আৱৰ্তত নিচামুক্তি কেন্দ্ৰ**

**ই-সংবাদ, শিৱসাগৰ, ২৪ ডিচেম্বৰঃ** গুৱাহাটীৰ ভঙাগড়ৰ চিলাৰায় নগৰত চাৰিদিন পূৰ্বে উদ্ধাৰ হৈছিল লখিমপুৰৰ মৰম ময়ূৰ দত্ত নামৰ এজন যুৱকৰ মৃতদেহ। হত্যা শেষাংশ ৩ পৃষ্ঠাত

**১৫ জানুৱাৰীলৈ ৰাজপথত বিশেষ অভিযান**

## ৰাজ্যত দুৰ্ঘটনা বৃদ্ধি, ডিব্ৰুগড়ত মুখ্যমন্ত্ৰীৰ বৈঠক



**ই-সংবাদ, ডিব্ৰুগড়, ২৪ ডিচেম্বৰঃ** ৰাজ্যত বৃদ্ধি পাইছে পথ দুৰ্ঘটনা। পথ দুৰ্ঘটনাত নিতৌ প্ৰাণ গৈছে বহু লোকৰ। পথ শেষাংশ ৪ পৃষ্ঠাত

## আলফাৰ বিৰুদ্ধে আৰু কঠোৰ দিল্লী

**ই-সংবাদ, ২৪ ডিচেম্বৰঃ** অসমক স্বাধীনৰ কৰাৰ পণ লৈ জংঘলত থাকি বিদ্ৰোহ কৰি অহা সংযুক্ত মুক্তি বাহিনী স্বাধীনৰ বিৰুদ্ধে কঠোৰ হৈছে শেষাংশ ৬ পৃষ্ঠাত

## 'ই-সংবাদ'ৰ এটা বছৰ

**অনলাইন দৈনিক** 'ই-সংবাদ'ৰ আজি প্ৰকাশৰ এটা বছৰ সম্পূৰ্ণ হ'ল। এই এটা বছৰত কাকতখনত বিভিন্ন বা-বাতৰি প্ৰকাশ পাই আহিছে। যিসময়ত অসমত বাতৰি কাকতৰ প্ৰচলন হ্ৰাস পাইছে বুলি চৰ্চা চলি আহিছে তেনে সময়তে 'ই-সংবাদ' ধাৰাবাহিকভাৱে এবছৰ ধৰি প্ৰকাশ পাই অহা বিষয়টোৱে পঢ়ুৱৈসকলকো সুখী কৰি তুলিব বুলি আশা কৰিব পাৰি। সম্প্ৰতি সমগ্ৰ বিশ্বতে পঢ়া-শুনাৰ মাধ্যম সলনি হৈছে। লেনদেন যেনেকৈ ডিজিটেল হৈ পৰিছে পঢ়া-শুনাও ডিজিটেল হৈছে। ছপা কিতাপৰ পৰিবৰ্তে মানুহে ই-বুক পঢ়িবলৈ লৈছে। ছপা বাতৰি কাকতৰ পৰিবৰ্তে জনপ্ৰিয় হৈ পৰিছে ই-পেপাৰ। অৱশ্যে অসমত এতিয়াও ই-বুক আৰু ই-পেপাৰ বুলি ক'লে পঢ়ুৱৈসকলৰ অধিকাংশই সাত জাঁপ মাৰি উঠে। তাৰ মাজতে অসমীয়া ভাষাত ই-পেপাৰৰ ধাৰণাটোক অধিক পঢ়ুৱৈমুখী কৰি তুলিবৰ বাবেই আজিৰ পৰা এটা বছৰ পূৰ্বে জন্ম হৈছিল 'ই-সংবাদ'ৰ। তেনেই কেইজনমান তৰুণ সাংবাদিকৰ নেৰানেপেৰা শ্ৰম আৰু প্ৰযুক্তিগত কৌশলক একত্ৰিত কৰি এই ই-পেপাৰখন প্ৰকাশ কৰি অহা হৈছে। সম্প্ৰতি 'ই-সংবাদ'-এ পঢ়ুৱৈসকলৰ পৰা আশাব্যঞ্জক সঁহাৰি লাভ কৰিবলৈ সমৰ্থ হৈছে। এইক্ষেত্ৰত স্থানীয় সাংবাদিকসকলেও গ্ৰহণ কৰিছে গুৰুত্বপূৰ্ণ ভূমিকা। স্থানীয় সাংবাদিকসকলৰ যিসকলে ই-পেপাৰৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিব পাৰিছে সেইসকলে স্বেচ্ছামূলকভাৱে 'ই-সংবাদ'ৰ সৈতে জড়িত হৈ অসমীয়া ভাষাৰ ই-পেপাৰ যাত্ৰাক সমৃদ্ধ কৰিবলৈ প্ৰয়াস চলাই গৈছে। এনেদৰে এতিয়া 'ই-সংবাদ'-এ আৰু অধিক নতুনত্বৰ সৈতে পঢ়ুৱৈসকলক মোবাইলটোতে বাতৰিৰ ভিৰৰ মাজত হেৰাই যোৱা বাতৰিবোৰ একত্ৰিত কৰি পুৰাই বাতৰি কাকত পঢ়াৰ আমেজ দিবলৈ যত্নপৰ হৈছে। বহুতে ভাবিব পাৰে যে ছ'চিয়েল মিডিয়াৰ এই যুগত খবৰবোৰ ফেচবুকত পোৱাই যায়। লগতে ভিডিঅ' বাতৰিসমূহ আছেই। তাৰপিছতো কাকত এখন কিয়? কাকত এখনৰ প্ৰয়োজন হৈছে পৰিৱেশনৰ সৈতে সম্পৰ্কিত। হোটেলৰ খাদ্যবোৰ একে হ'লেও পৰিৱেশনৰ পাৰ্থক্য গুৰুত্বপূৰ্ণ হৈ পৰাৰ দৰেকৈ বাতৰিসমূহৰ পৰিৱেশনৰো আছে বিশেষ গুৰুত্ব। 'ই-সংবাদ'-এ মোবাইলতে বাতৰি কাকত এখনত বাতৰিবোৰ পঢ়িব পৰাকৈ পৰিৱেশন কৰিবলৈ চেষ্টা চলাই আহিছে। এইক্ষেত্ৰত ভুল-ভ্ৰান্তি স্বাভাৱিক। কিন্তু সময় যোৱাৰ লগে লগে ভুলবোৰ নাইকিয়া হৈ ই-সংবাদ অসমৰ বাতৰি পঢ়ি ভালপোৱা ৰাইজৰ বাবে অধিক নিৰ্ভৰযোগ্য হৈ পৰিব বুলি পঢ়ুৱৈসকলে আশা কৰিব পাৰে।

# শিশু কেন্দ্ৰিক শিক্ষা ব্যৱস্থাত শিক্ষকৰ ভূমিকা

■ কমলেশ কাঞ্চন

**সমাজ এখন** সুন্দৰভাৱে গঢ় দিবলৈ হ'লে শিক্ষকৰ ভূমিকাৰ কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে। শিক্ষকে বিদ্যালয়ৰ শ্ৰেণীকোঠাৰ ভিতৰত দেশ এখনৰ ভৱিষ্যৎ গঢ় দিয়ে। প্ৰাচীন কালৰে পৰা মানৱ সমাজত শিক্ষাৰ কিমান প্ৰয়োজন সেই সম্পৰ্কে বিভিন্ন গ্ৰন্থত উল্লেখ আছে। মহাভাৰত, ৰামায়ণৰ দৰে মহাকাব্যটো শিক্ষাৰ গুৰুত্ব সম্পৰ্কে উল্লেখ পোৱা যায়। প্ৰাচীন মহাকাব্যত গুৰুৰ টোলত গৈ শিক্ষা গ্ৰহণ কৰাৰ কথা সকলোৱে অৱগত। সময়ৰ লগে লগে শিক্ষাদানৰ পদ্ধতি সলনি হ'ল। সেই গুৰু-শিষ্য এতিয়া শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীলৈ ৰূপান্তৰিত হ'ল। তথাপি শিক্ষাৰ উদ্দেশ্য কিন্তু সলনি হোৱা নাই। পূৰ্বৰ শিক্ষা ব্যৱস্থাত আশ্ৰমত শিষ্য সকলে গুৰুৰ প্ৰতি যি সেৱা আৰু ভক্তি ভাৱ প্ৰদৰ্শন কৰিছিল; সেই সেৱা আৰু ভক্তি ভাৱ বৰ্তমান সময়টো শেষ হৈ যোৱা নাই। এতিয়াও শিক্ষকৰ কথা শিৰধাৰ্য কৰি জীৱন পথত আগুৱাই যোৱা ছাত্ৰ-ছাত্ৰী আমাৰ মাজত আছে। সাম্প্ৰতিক সময়ত জ্ঞানৰ পৰিসৰ বৃদ্ধি হৈছে; লগে লগে সলনি হৈছে জ্ঞান আহৰণৰ পদ্ধতি। প্ৰাচীন ঋষি -মুনিৰ আশ্ৰম এতিয়া বিদ্যালয় গৃহত পৰিণত হৈছে।

শিক্ষক হৈছে এডাল মমবাতিৰ দৰে যিয়ে নিজে জ্বলি আনক পোহৰ বিলাই। এই বাক্যশাৰীৰ তাৎপৰ্য সম্ভৱতঃ নজনা মানুহ বহুত ক'ম ওলাব। সঁচাকৈ ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ়াৰ ক্ষেত্ৰত শিক্ষক-শিক্ষয়িত্ৰীৰ ভূমিকা অপৰিসীম। শিক্ষণ-শিকন প্ৰক্ৰিয়াত শিক্ষকজন সদায় সজাগ-সচেতন হ'ব লাগিব। শিশু কেন্দ্ৰিক শিক্ষা ব্যৱস্থাত শিক্ষকজনৰ শ্ৰেণীকোঠাত পাঠদানৰ লগতে অন্য ক্ষেত্ৰটো দক্ষতা থাকিলে পাঠদান অতি ফলপ্ৰসূ হয়। ২০০৯ চনৰ ১ এপ্ৰিলৰ পৰা শিক্ষাৰ অধিকাৰ আইন ভাৰতত কাৰ্যকৰী কৰা হয় যদিও এই আইনখন অসমত ২০১০ চনৰ ১ এপ্ৰিলৰ পৰাহে কাৰ্যকৰী হয়। সময়ৰ সোঁতত শিক্ষাৰ অধিকাৰ আইন সমগ্ৰ শিক্ষা অভিযানলৈ পৰিৱৰ্তন হয়। সম্প্ৰতি অসমত নতুন শিক্ষা নীতি - ২০২০ কাৰ্যকৰী কৰা হৈছে। শিক্ষা মিছন আৰু শিক্ষা নীতি সলনি হৈছে যদিও শিশুৰ শিক্ষাৰ বাবে প্ৰয়োজনীয় নীতি অপৰিৱৰ্তিত কৰি ৰখা হৈছে। ৬-১৪ বছৰ বয়সলৈ এতিয়াও শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক। কোনো ছাত্ৰ-ছাত্ৰীকে শিক্ষা দানৰ সময়ত শাৰীৰিক বা মানসিক শাস্তি প্ৰদান কৰিব নোৱাৰিব। শিশুৱে কি ভাল পায় আৰু কি বিচাৰে; সেই দিশৰ বিষয়ত গুৰুত্ব প্ৰদান কৰি শ্ৰেণীকোঠাত শিক্ষা দান কৰা উচিত। চলিত শিক্ষাবৰ্ষৰ ছেপ্টেম্বৰ মাহত আমাৰ অসমৰে এখন উচ্চ মাধ্যমিক বিদ্যালয়ত অনাকাংক্ষিত ঘটনা সংঘটিত হয়। বিভিন্ন সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি অনুসৰি মৃত্যুবৰণ কৰা ছাত্ৰ জনক বিদ্যালয়ৰ কিছুমান জ্যেষ্ঠ ছাত্ৰই উপ নামেৰে মাতিছিল; যিটো ছাত্ৰজনে ভালপোৱা নাছিল। আৰু তাৰ পৰাই কাজিয়াৰ সূত্ৰপাত হয়। উপ নামেৰে মাতি ছাত্ৰজনক মানসিক কষ্ট দিয়াৰ কথা বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী তথা সহকাৰী শিক্ষক-শিক্ষয়িত্ৰীয়ে জানিব পাৰিও যদি বিহিত ব্যৱস্থা ল'ব পৰা নাছিল তেতিয়া হ'লে নিশ্চিত ভাৱে বিদ্যালয় কৰ্তৃপক্ষ জগৰীয়া। কাৰণ ছাত্ৰ-ছাত্ৰীক উপনামেৰে মতাটো সঠিক নহয়; কিয়নো কোনোবাক ভালপোৱা উপনাম কোনোবাৰ বাবে বিৰক্তিকৰ বা যন্ত্ৰনাদায়ক হ'ব পাৰে। এটা উপনামৰ ঘটনাই যে বিদ্যালয়খনত চিৰদিনৰ বাবে কলংকৰ দাগ লগাব পাৰে সেয়া সম্ভৱতঃ কল্পনাৰো অগোচৰ আছিল। বৰ্তমানৰ একাংশ শিক্ষাৰ্থীয়ে যে কিমান ভয়ানক সিদ্ধান্ত ল'ব পাৰে এই কথাষাৰ কোনেও কল্পনা কৰিব নোৱাৰে। উক্ত ঘটনাৰ পিছতে ততাতৈয়াকৈ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই অহা শিক্ষা বৰ্ষত বিদ্যালয়ত "চৰিত্ৰ বোধ"ৰ দৰে এটা সুকীয়া বিষয় অন্তৰ্ভুক্ত কৰাৰ কথা উল্লেখ কৰে। যিটো আজিৰ এই লেখকে প্ৰায় এবছৰ আগতে "সাধাৰণ জ্ঞান" নামৰ এটা বিষয় বিদ্যালয়ৰ পাঠ্যপুথিত অন্তৰ্ভুক্ত কৰাৰ বাবে গণতন্ত্ৰৰ এই চতুৰ্থ স্তম্ভতে দাবী জনাইছিল।

বৰ্তমান সময়ত প্ৰাথমিক বিদ্যালয়সমূহত সুচৰিত্ৰ গঠনৰ বাবে সাধাৰণ জ্ঞানৰ দৰে এটা বিষয়ৰ খুবেই প্ৰয়োজন। একেদৰে প্ৰত্যেক জন শিক্ষকে ছাত্ৰ-ছাত্ৰীক সপোন দেখুওৱাবলৈ যৎপৰোনাস্তি চেষ্টা কৰিব লাগে। ছাত্ৰ-ছাত্ৰীয়ে জীৱনত এক নিৰ্দিষ্ট লক্ষ্য লৈ অধ্যয়ন নকৰিলে সাফল্য লাভ কৰাটো আশা কৰিব নোৱাৰি। মুল্যবোধৰ শিক্ষা আৰু ব্যৱহাৰিক জ্ঞানে ছাত্ৰ-ছাত্ৰীক স্বাৱলম্বী হ'বলৈ শিকায়। সুস্থ শৈক্ষিক পৰিৱেশ গঠন কৰিবলৈ হ'লে চৰকাৰে কঠোৰ সিদ্ধান্ত ল'ব লাগিব। ছাত্ৰ-ছাত্ৰী কম থকা বিদ্যালয়সমূহ বন্ধ কৰি শ্ৰেণীয়ে প্ৰতি শিক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰক। মজলীয়া বিদ্যালয় তথা উচ্চ বুনিয়াদী বিদ্যালয়ত "ক" শ্ৰেণীৰ পৰা "অষ্টম" শ্ৰেণীলৈ মুঠ ন টা শ্ৰেণী আছে। সেই অনুযায়ী কম শিক্ষক থাকিলে শ্ৰেণী কোঠাত পাঠদান প্ৰক্ৰিয়াত ব্যাঘাত জন্মে। এজন শিক্ষকে যেতিয়া একে সময়তে দুই/তিনিটা শ্ৰেণীত পাঠদান কৰিব লগা হয়, তেতিয়া নিশ্চিত ভাৱে উপযুক্ত পাঠদান আশা কৰিব নোৱাৰি। সেয়েহে মাননীয় মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰী মহোদয়ে বিষয়টো গুৰুত্ব সহকাৰে বিবেচনা কৰি শিক্ষকৰ সমস্যা সমাধান কৰিব লাগে।

# 'কেৰিয়াৰ হাতপুথি' উপহাৰ বিধায়কৰ

■ ডঃ বুলজিৎ বুঢ়াগোহাঁই

**বৰ্তমানৰ** বিধায়কসকলে নিজ নিজ সমষ্টিৰ শিক্ষাৰ্থী সকলৰ উন্নয়নৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি অহা আমাৰ দৃষ্টিগোচৰ হৈ থাকে। আমি সুখী হৈছো যে বাঘবৰ সমষ্টিৰ বিধায়ক শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই ডঃ বুলজিৎ বুঢ়াগোহাঁইৰ 'কেৰিয়াৰ হাতপুথি' গ্ৰন্থখন শিক্ষাৰ্থীসকলক উপহাৰ দিয়াৰ বাবে এক পদক্ষেপ গ্ৰহণ কৰিছে। শিক্ষাৰ্থীসকলৰ বাবে গ্ৰহণ কৰা এনে সুন্দৰ পদক্ষেপৰ বাবে বিধায়ক শ্বেৰমান আলী আহমেদ ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত কোনটো শাখাত কি কি বিষয় অন্তৰ্ভুক্ত হৈ আছে তথা সেই বিষয় সমূহ অধ্যয়ন কৰিলে ভৱিষ্যতে কেনেধৰণৰ কেৰিয়াৰ গঢ়াৰ সুবিধা লাভ কৰিব পাৰি, সেই সম্পৰ্কে শিক্ষাৰ্থীসকলে এই কিতাপখনৰ জৰিয়তে সম্যক ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ব।

## লেখা আহ্বান

'ই-সংবাদ'ৰ সম্পাদকীয় পৃষ্ঠাৰ বাবে লেখা আহ্বান কৰা হৈছে। লেখাসমূহ চমু আৰু বস্তুনিষ্ঠ হোৱাতো বাঞ্ছনীয়। লেখাসমূহ newsnextne@gmailলৈ মেইলযোগে প্ৰেৰণ কৰিব পাৰিব। লেখাসমূহ ইউনিকোডত টাইপ কৰি প্ৰেৰণ কৰিব লাগিব। প্ৰকাশ হোৱা-নোহোৱাতো সম্পূৰ্ণৰূপে সম্পাদনা মণ্ডলীৰ ওপৰত নিৰ্ভৰ কৰিব। সেয়ে কেতিয়া প্ৰকাশ পাব সেয়া লেখকসকলক আগতীয়াকৈ জনোৱাতো মুঠেই সম্ভৱ নহয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৯০০ শতাংশলৈ বৃদ্ধি ‘ডিজিটেল এৰেষ্ট

বিৰুদ্ধে গুৰুতৰ গোচৰ ৰুজু কৰা হৈছে। ২৪ ঘণ্টাৰ ভিতৰত জৰিমনা নভৰিলে আপোনাক গ্ৰেপ্তাৰ হ'ব।" এনে কথা শুনি আপুনি ভয় খোৱাতো নিতান্তই স্বাভাৱিক। আপুনি কঁপা কঁপা মাতেৰে সুধিব- জৰিমনা কেনেকৈ দিম? নিজকে আৰক্ষী বা শীৰ্ষ তদন্তকাৰী বিষয়া বুলি চিনাকি দিয়া ফোনৰ সিপাৰৰ ব্যক্তিজনে তাৰ পিছতে আপোনাক এটা বেংক একাউণ্ট নম্বৰ দি তাতে আপোনাক টকা পঠিয়াবলৈ ক'ব। আৰু আপুনি যেতিয়া সেই কথামতে একাউন্টত ধন পঠিয়াব, তাৰ পিছতহে হয়তো আপুনি জানিব পাৰিব যে আচলতে এয়া আছিল এক প্ৰৱঞ্চনাৰ জাল! অথবা আপুনি এই বিষয়ে একো নজনাকৈয়ে সন্তুষ্টি লভিব পাৰে- ভাগ্যেই আজি আপুনি গ্ৰেপ্তাৰৰ পৰা বাচি গ'ল! কিন্তু এনে এক পৰিস্থিতিৰে সন্মুখীন হৈ আজি দেশৰ লক্ষ লক্ষ লোক সৰ্বস্বান্ত হ'বলগীয়া হৈছে। ভুৱা গোচৰ, মোকৰ্দ্দমাৰ ভাবুকি প্ৰদান কৰি চাইবাৰ অপৰাধীয়ে নিৰীহ জনতাৰ পৰা লুটি নি আছে কোটি কোটি টকা। অনলাইনযোগে মেলি দিয়া এই প্ৰৱঞ্চনাৰ জালকে কোৱা হয় 'ডিজিটেল গ্ৰেপ্তাৰ'। ২০২৪ চনত ‘ডিজিটেল গ্ৰেপ্তাৰ' প্ৰৱঞ্চনাই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। কেৱল সাধাৰণ মানুহেই নহয়, ন্যায়াধীশ, প্ৰাক্তন সেনা বিষয়া, সাংবাদিকসকলো আৱদ্ধ হৈছে এই প্ৰৱঞ্চনাৰ জালত। চৰকাৰী পৰিসংখ্যা অনুসৰি ২০২৪ চনত ‘ডিজিটেল গ্ৰেপ্তাৰ' জালিয়াতিৰ জৰিয়তে প্ৰায় ২১.৪ বিলিয়ন টকা আত্মসাৎ কৰিছে চাইবাৰ অপৰাধীয়ে। মাত্ৰ ১০ মাহত এই জালিয়াতিৰ ৯২,৩৩৪টা গোচৰ পোহৰলৈ আহিছে। প্ৰতিদিনে বৃদ্ধি পাইছে নতুনকৈ ভুক্তভোগীৰ সংখ্যা। বাংগালুৰু, দিল্লী, মুম্বাই আৰু কলকাতা, চাইবাৰবাদৰ দৰে দেশৰ টেকন' চিটিসমূহ এই চক্ৰৰ মূল লক্ষ্য হিচাপে পৰিগণিত হৈছে। লক্ষণীয় যে, এই চাইবাৰ অপৰাধীসকলৰ মূল লক্ষ্য হৈছে মানুহক ভীতিগ্ৰস্ত কৰি আৰু মানসিকভাৱে হাৰাশান্তি কৰি ধন লুট কৰা। ইফালে, এই চক্ৰ ভাৰতৰ সীমাৰ বাহিৰলৈ গৈ ক্ৰমান্বয়ে আন্তঃৰাষ্ট্ৰীয় নেটৱৰ্কলৈ পৰিণত হৈছে। কম্বোডিয়া, ম্যানমাৰ, ভিয়েটনাম, থাইলেণ্ড আদি দেশৰ পৰা সংঘটিত হোৱা এই প্ৰৱঞ্চনা দেশখনৰ চাইবাৰ সুৰক্ষাৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান হৈ পৰিছে। যদিও ভাৰত চৰকাৰে এই প্ৰৱঞ্চনা ৰোধৰ বাবে কেইবাটাও পদক্ষেপ গ্ৰহণ কৰিছে, তথাপিও অপৰাধীৰ ক্ৰমান্বয়ে আধুনিক প্ৰযুক্তি আৰু কৌশলৰ সন্মুখত সেইবোৰ যেন এতিয়াও ফলপ্ৰসূ প্ৰমাণিত হোৱা নাই। তথ্য অনুযায়ী, ২০২৪ চনত চাইবাৰ অপৰাধৰ গতিয়ে অভিলেখ সৃষ্টি কৰিছে। কেৱল ‘ডিজিটেল গ্ৰেপ্তাৰ' প্ৰৱঞ্চনাৰ জৰিয়তে এই বছৰ প্ৰায় ২১.৪ বিলিয়ন টকা চুৰি হৈছে। প্ৰতিমাহে গড়ে ২১৪ কোটি টকা লুণ্ঠন কৰি আহিছে চাইবাৰ অপৰাধীয়ে। এই প্ৰৱঞ্চনা কেৱল ব্যক্তিগত সঞ্চয় লুণ্ঠনতে সীমাবদ্ধ নহয়, বৃহৎ সংস্থাকো লক্ষ্য কৰি লৈছে। এই বছৰ বাংগালুৰুত ৪৮০টা ‘ডিজিটেল গ্ৰেপ্তাৰ'ৰ ঘটনা সংঘটিত হৈছে, য'ত ৪২.৪ কোটি টকাৰ আৰ্থিক লোকচান হৈছে। মহাৰাষ্ট্ৰত প্ৰায় ১৫ কোটি টকা আৰু উত্তৰ প্ৰদেশত ২৫ কোটি টকাৰ আৰ্থিক লোকচান হৈছে। মাত্ৰ ৩৮টা ঘটনা সংঘটিত হোৱা দিল্লীত ৫৫ কোটি টকাৰ লোকচান বুলি অনুমান কৰা হৈছে। চৰকাৰী পৰিসংখ্যা অনুসৰি ২০২৪ চনৰ ১৫ নৱেম্বৰলৈকে প্ৰায় ৬.৬৯ লাখ ভুৱা চিম কাৰ্ড আৰু ১,৩২,০০০ ভুৱা আইএমইআই নম্বৰ ব্লক কৰা হৈছে। কিন্তু চাইবাৰ অপৰাধৰ নেটৱৰ্ক ইমানেই সুসংগঠিত যে এই ব্যৱস্থাইও অপৰাধ সম্পূৰ্ণৰূপে ৰোধ কৰিব পৰা নাই। ভাৰত আৰু সমগ্ৰ বিশ্বৰ সমান্তৰালভাৱে বিগত কিছু বছৰত অসমতো শিপা মেলিছে চাইবাৰ অপৰাধীয়ে। বেছ কিছু বছৰৰ পৰা অসমত ভয়ংকৰভাৱে বৃদ্ধি পাইছে চাইবাৰ অপৰাধৰ সংখ্যা। বিশেষকৈ অসমৰ বাবেও এই সময়ত এক সমস্যা হৈ পৰিছে 'ডিজিটেল গ্ৰেপ্তাৰ' প্ৰৱঞ্চনা। মাত্ৰ কিছুদিন পূৰ্বে উজনি অসমৰ চাহ বাগানৰ সৈতে জড়িত এগৰাকী প্ৰভাৱশালী মহিলাৰ পৰা চাইবাৰ অপৰাধীয়ে লুটি নিয়ে লক্ষাধিক টকা। ইয়াৰোপৰি বিগত সময়ত চাইবাৰ অপৰাধীৰ জালত পৰা ভুক্তভোগীৰ কেইবাটাও গোচৰে অসমত বাতৰিৰ শিৰোনাম দখল কৰিছে। শেহতীয়াকৈ পঞ্জাৱ আৰক্ষীৰ চাইবাৰ অপৰাধ শাখাই এই জালিয়াতিৰ সৈতে জড়িত আন্তঃৰাজ্যিক চক্ৰ এটাক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। মন কৰিবলগীয়া যে, আৰক্ষীৰ জালত পৰা চাইবাৰ অপৰাধী কেইজনৰ ভিতৰত আছিল অসমৰ নজৰুল আলী আৰু মৃদুল আলী নামৰ দুই যুৱকো। যোৱা ২০ নৱেম্বৰত কেন্দ্ৰীয় অপৰাধ শাখা চেন্নাইৰ চাইবাৰ ক্ৰাইম উইঙে ডিজিটেল গ্ৰেপ্তাৰ প্ৰৱঞ্চনাৰ সৈতে জড়িত অসমৰ এজন যুৱকক গ্ৰেপ্তাৰ কৰিছিল। ধৃত অভিযুক্তজনৰ নাম আছিল পাৰ্থ প্ৰতিম বৰা (৩৮)। চাইবাৰ আৰক্ষীয়ে প্ৰকাশ কৰা মতে, মহাৰাষ্ট্ৰ আৰক্ষীৰ শীৰ্ষ বিষয়া বুলি নিজকে পৰিচয় দি এগৰাকী অৱসৰপ্ৰাপ্ত চৰকাৰী কৰ্মচাৰীৰ পৰা ৯২ লাখ টকা সৰকাইছিল পাৰ্থ প্ৰতিমে। অলপতে মৰিগাঁৱৰ পৰাও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে ডিজিটেল প্ৰৱঞ্চনাৰ জাল মেলি সন্ত্ৰাস চলাই অহা দুজন অভিযুক্তক। ডিজিটেল এৰেষ্ট প্ৰৱঞ্চনাৰ উপৰিও অসমত শেহতীয়াকৈ অন্যান্য প্ৰকাৰৰ চাইবাৰ অপৰাধৰ ঘটনা, যেনে আৰ্থিক জালিয়াতি, ছ'চিয়েল মিডিয়া জালিয়াতি, ইমেইল হেকিং আদি বৃদ্ধি পাইছে। নেশ্যনেল ক্ৰাইম ৰেকৰ্ড ব্যুৰোৰ তথ্য অনুসৰি ২০২২ চনত অসমত ১,৭৩৩টা চাইবাৰ অপৰাধৰ ঘটনা সংঘটিত হৈছিল, যিটো ২০২৩ চনত ৭,৬২১টালৈ বৃদ্ধি পাইছে। মাত্ৰ চাৰিদিন পূৰ্বে গুৱাহাটীৰ চাইবাৰ পি এছে ডিজিটেল গ্ৰেপ্তাৰৰ বলি হোৱা এজন ভুক্তভোগীক তেওঁৰ ৩.৬৪ লাখ টকা ওভতাই দিবলৈ সক্ষম হৈছে। কিছুদিন পূৰ্বে এটা ফোন কলৰ জৰিয়তে গ্ৰেপ্তাৰৰ ভাবুকি দি ভুক্তভোগীৰ পৰা এই ধন সৰকাইছিল প্ৰৱঞ্চকে। কিন্তু চাইবাৰ পি এছে তৎপৰতাৰে তদন্ত চলাই হেৰুওৱা ধনখিনি ঘূৰাই পাবলৈ সক্ষম হৈছে। শেহতীয়া তদন্তত চিবিআইয়ে ২৬০ কোটি টকাৰ আন্তঃৰাষ্ট্ৰীয় জালিয়াতিৰ তথ্য উন্মোচন কৰিছে। এই অপৰাধীয়ে লক্ষ্য কৰি লৈছিল আমেৰিকা আৰু কানাডাৰ নাগৰিকক। আন্তঃৰাষ্ট্ৰীয় কল চেণ্টাৰসমূহে ভুৱা পৰিচয়ৰ জৰিয়তে এই প্ৰৱঞ্চনা সংঘটিত কৰিছিল। বিটকইন আৰু অন্যান্য ক্ৰিপ্টোকাৰেন্সী ব্যৱহাৰ কৰি ধনৰ লেনদেন কৰা হৈছিল। একে সময়তে ভাৰতত থাকিও আন্তঃৰাষ্ট্ৰীয় নাগৰিকক লক্ষ্য কৰি লোৱা হৈছে। খবৰ অনুসৰি প্ৰায় ৫০খন দেশত এই কেলেংকাৰী সক্ৰিয় হৈ আছে। ৰাছিয়াৰ চাইবাৰ ছিকিউৰিটি এজেন্সীয়ে জনোৱা মতে, এই নেটৱৰ্কত ১৫০০ৰো অধিক ভুৱা কল চেণ্টাৰ জড়িত হৈ আছে। এই আন্তঃৰাষ্ট্ৰীয় জালিয়াতিৰ চক্ৰৰ প্ৰভাৱ ইমানেই ব্যাপক যে ই কেৱল আৰ্থিক লোকচানত সীমাবদ্ধ নহয়। দেশৰ চাইবাৰ সুৰক্ষা ব্যৱস্থাৰ প্ৰতি এক বৃহৎ প্ৰত্যাহ্বানৰ সৃষ্টি হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# শিৱসাগৰৰ পৰা মৰম ময়ূৰৰ হত্যাৰে

কৰি মৃতদেহ পেলোৱাৰ দৃশ্য বন্দী হৈছিল চি চি কেমেৰাত। এই ঘটনাৰে জড়িত থকাৰ অভিযোগত যোৱা নিশা প্ৰায় দুই বজাত গুৱাহাটী আৰক্ষীয়ে শিৱসাগৰৰ বেতবাৰীৰ পৰা এজন যুৱকক গ্ৰেপ্তাৰ কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। গুৱাহাটী আৰক্ষীয়ে শিৱসাগৰ আৰক্ষীৰ সহযোগত বেতবাৰী নাওজান গাঁৱত থকা 'শিৱসাগৰ ফাউণ্ডেশ্যন' নামৰ এটা নিচামুক্তি কেন্দ্ৰৰ পৰা গ্ৰেপ্তাৰ কৰে শিৰঞ্জল হাজোৰাৰী নামৰ ড্ৰাগছ আসক্ত যুৱকক। লক্ষ্যণীয় যে লখিমপুৰৰ মৰম ময়ুৰ দত্তৰ মৃতদেহ পেলোৱা দৃশ্য চি চি কেমেৰাত আবদ্ধ হৈছিল যোৱা ১৯ ডিচেম্বৰৰ নিশা। ২০ ডিচেম্বৰৰ পুৱা উদ্ধাৰ হৈছিল মৃতদেহ। ২০ ডিচেম্বৰৰ বিয়লি শিৱসাগৰ ফাউণ্ডেশ্যন নামৰ সন্দেহজনক ৰিহেব চেণ্টাৰটোত ভৰ্তি হৈছিল শিৰঞ্জল হাজোৰাৰী। শিৱসাগৰ ফুকন নগৰৰ নিবাসী মাতৃয়ে শিৰঞ্জলক নিচামুক্তি কেন্দ্ৰটোত ভৰ্তি কৰিছিল বুলি সদৰী কৰিছে 'শিৱসাগৰ ফাউণ্ডেশ্যন'ৰ স্বত্বাধিকাৰী বিৰাজ হাজৰিকাই। মৰম ময়ুৰ দত্ত হত্যাকাণ্ডৰ পৰা হাত সাৰিবলৈকে ততাতৈয়াকৈ শিৰঞ্জল বেতবাৰীস্থিত নিচামুক্তি কেন্দ্ৰটোত ভৰ্তি হৈছিল বুলি সন্দেহ কৰা হৈছে। উল্লেখ্য যে দত্তৰ মৃত্যুৰ পিছতে তেওঁৰ বন্ধু অসীম মাধুৰ্য নামৰ এজনক গ্ৰেপ্তাৰ কৰিছিল আৰক্ষীয়ে। সেই অসীম মাধুৰ্যই মৰম ময়ুৰ দত্তৰ হত্যাৰ সন্দৰ্ভত নাম লৈছিল শিৰঞ্জল হাজোৰাৰীৰ। শিৰঞ্জলৰ ফটোও দিছিল আৰক্ষীক। আৰক্ষীয়ে যোৱা নিশা গ্ৰেপ্তাৰ কৰি আজি বিয়লি শিৱসাগৰৰ পৰা গুৱাহাটীলৈ লৈ যায়। ইপিনে বেতবাৰী নাওজান গাঁওস্থিত শিৱসাগৰ ফাউণ্ডেশ্যন নামৰ নিচা মুক্তি কেন্দ্ৰটোৰ বৈধতাকলৈয়ো প্ৰশ্ন উঠিছে। যদিও বিৰাজ হাজৰিকাই 'শিৱসাগৰ ফাউণ্ডেশ্যন' স্থাপন কৰা চাৰিমাহ হ'ল বুলি কৈছে কিন্তু জিলা যুটীয়া স্বাস্থ্য সঞ্চালকৰ কাৰ্যালয়ে এতিয়ালৈকে অনুমোদন জনোৱা নাই বুলি স্পষ্ট কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যত দুৰ্ঘটনা বৃদ্ধি, ডিব্ৰুগড়ত মুখ্যমন্ত্ৰীৰ

দুৰ্ঘটনাৰ কাৰণ হিচাপে ৰাস্তা-ঘাটৰ পয়ালগা অৱস্থাকে মুখ্যত দোষাৰোপ কৰি অহা হৈছে দিও আৰক্ষীৰ নিয়মীয়া তালাচী আৰু যান-বাহন আৰক্ষীয়ে নিজ দায়িত্ব পালন নকৰাৰ ফল বুলি অভিযোগ উত্থাপন হৈ আহিছে। একাংশ শিল-বালি কঢ়িওৱা ডাম্পাৰ, ট্ৰাক আৰু অন্যান্য নিয়ম নমনা চালকক নাকী লগাব নোৱাৰাত পথ দুৰ্ঘটনা সংঘটিত হৈ আহিছে। উদণ্ড অতি কমবয়সীয়া বাইকচালকে নথি-পত্ৰ নথকাকৈ যধে-মধে বাইক চলাই পথ দুৰ্ঘটনা সংঘটিত কৰি গৈছে। দুদিন পূৰ্বে গুৱাহাটীত উৰণীয়া সেঁতুত যুৱক-যুৱতী এহালে তীব্ৰ গতিত বাইক চলাই গৈ থকাৰ সময়তে পিছফালে বহি যোৱা যুৱতীগৰাকীয়ে আসনত থিয় হৈ বাইক চলাই গৈ থকা যুৱকজনক চুম্বন কৰাৰ এটা ভিডিঅ' ভাইৰেল হৈছিল। আনহাতে, ৰেপিড' চালকে যাত্ৰী হিচাপে এগৰাকী যুৱতীক কঢ়িয়াই আনি থকাৰ সময়তে সচিবালয়ৰ সমীপত চুপাৰ মাৰ্কেটত পথ দুৰ্ঘটনা সংঘটিত হৈ ৰেপিড' চালক আৰু যুৱতীগৰাকী নিহত হয়। এই ঘটনাৰ পিছতে মুখ্যমন্ত্ৰীয়ে কেবিনেট বৈঠক অনুষ্ঠিত কৰা ডিব্ৰুগড় জিলাৰ সদৰ চহৰত পথ সুৰক্ষাক লৈ বৈঠক অনুষ্ঠিত কৰে। ইংৰাজী নৱবৰ্ষৰ প্ৰাকমুহূৰ্তত পথ সুৰক্ষাক লৈ মুখ্যমন্ত্ৰীয়ে বৈঠক অনুষ্ঠিত কৰি আৰক্ষীক কেইবাটাও কঠোৰ নিৰ্দেশনা দিছে। আনহাতে মুখ্যমন্ত্ৰীয়ে সঘনাই সংঘটিত পথ দুৰ্ঘটনাক লৈ উদ্বেগ প্ৰকাশ কৰি মদ্যপান কৰি গাড়ী চলোৱাসকলৰ বাবে গুৱাহাটীত বয়োজ্যেষ্ঠ নাগৰিকে নিশা গাড়ী চলাবলৈ ভয় কৰা হৈছে বুলি কয়। এই বিষয়টোক আৰক্ষা-প্ৰশাসনক গুৰুত্বসহকাৰে ল'বলৈ নিৰ্দেশ দি লোক নিৰ্মাণ বিভাগক অধিসূচনা জাৰি কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে নিৰ্মাণৰত পথত গতিৰোধক দিয়াৰ নিৰ্দেশ দিবলৈ মুখ্য সচিবক নিৰ্দেশ দিয়ে মুখ্যমন্ত্ৰীয়ে। মদ্যপান কৰি গাড়ী চলোৱা চালকক কঠোৰ হাতেৰে নাকী লগাবলৈকো নিৰ্দেশ দিয়ে মুখ্যমন্ত্ৰীয়ে। গুৱাহাটীত ১৫ জানুৱাৰীৰ নিশা ১০ বজালৈ এনে চালকৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিবলৈ কয়। আনহাতে গুৱাহাটীৰ লগতে ৰাজ্যৰ বিভিন্ন চহৰত বাৰসমূহ নিশা কেইটা বজালৈ খোলা থাকিব তাৰ আলোচনা কৰি সিদ্ধান্ত ল'বলৈ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীৰ উপস্থিতিত অনুষ্ঠিত বৈঠকত মুখ্যমন্ত্ৰী আৰু বিভিন্ন বিভাগৰ বিষয়াসকলে আলোচনা কৰি লোৱা সিদ্ধান্ত অনুসৰি নিশা ৯ বজাৰ পাছত ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত ট্ৰাক বা এন্য গাড়ী ৰখাই থব নোৱাৰিব। জিলাসমূহৰ সকলো আৰক্ষী অধীক্ষক আৰু জিলা আয়ুক্তই নিশা ৰাস্তাসমূহৰ নিৰীক্ষণৰ ব্যৱস্থা কৰাব লাগিব। বৈঠকত উত্থাপিত অভিযোগ অনুসৰি ঘাইপথত ৰখাই থোৱা প্ৰকাণ্ড ট্ৰাক আৰু অন্য বাহনৰ বাবে প্ৰায়ে ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। বৈঠকত বনভোজথলীক লৈয়ো কঠোৰ হোৱা দেখা যায়। বনভোজস্থলী আৰক্ষীয়ে নিৰীক্ষণ কৰি থাকিব লাগিব। অন্ধাৰ হোৱাৰ পূৰ্বে আৰু কুঁৱলী পৰাৰ আগে আগে বনভোজস্থলীৰ পৰা আঁতৰি অহাৰ লগতে কুঁৱলী পৰি থকালৈকে বনভোজস্থলীত প্ৰৱেশ কৰিব নিদিবলৈ কয় মুখ্যমন্ত্ৰীয়ে। বনভোজস্থলীত নিৰাপত্তাৰক্ষী নিয়োগ কৰাৰ লগতে ভোজ খাই উভতি অহাৰ সময়ত সকলো গাড়ীৰ চালকক মদ্যপান কৰিছে নেকি পৰীক্ষা কৰিব লাগিব। বনভোজস্থলীত জলাশয়, নৈ, নিজৰা আদি থাকিলে সাৱধানতা অৱলম্বন কৰিবলৈ ফলক লগাব লাগিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বাবাচাহেবৰ ফটো নাই জিলা আয়ুক্তৰ

সমগ্ৰ জিলাতে অভিনৱ সমদল উলিয়ায়। তেজপুৰত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই সমদল কৰি গৈ জিলা আয়ুক্তৰ কাৰ্যালয়ত দেশৰ গৃহমন্ত্ৰী অমিত শ্বাহৰ পদত্যাগৰ দাবীত ৰাজ্যপালৰ জৰিয়তে ৰাষ্ট্ৰপতিলৈ এক স্মাৰক পত্ৰ প্ৰদান কৰি জিলা আয়ুক্তৰ কাৰ্যালয়ত আম্বেদকাৰৰ ফটো আঁৰি দিয়ে। শোণিতপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত সংবিধানৰ প্ৰণেতা আম্বেদকাৰৰ ফটো নথকাত আশ্চৰ্য প্ৰকাশ কৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই লগত লৈ যোৱা আম্বেদকাৰৰ ফটো জিলা উপায়ুক্তৰ কাৰ্যালয়ত নিজেই আঁৰি দিয়ে। শোণিতপুৰ জিলাৰ সদৰ তেজপুৰত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ উপস্থিতিত 'আম্বেদকাৰ সন্মান যাত্ৰা' উলিওৱাৰ কথা আছিল। আজি পুৱাই তেজপুৰত 'আম্বেদকাৰ সন্মান যাত্ৰা'ত অংশ ল'বলৈ উপস্থিত হয় প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা। তাৰ লগে লগে তেজপুৰস্থিত প্ৰদেশ কংগ্ৰেছৰ কাৰ্যালয়ত সমবেত হয় কেইবা হাজাৰ নেতা-কৰ্মী। কিন্তু পুৱাৰে পৰা কংগ্ৰেছ কাৰ্যালয় এলেকাত বৃহৎ সংখ্যক আৰক্ষী নিয়োগ কৰা হয়। নেতা-কৰ্মীসকলে ভূপেন বৰাৰ নেতৃত্বত হাতে হাতে বেনাৰ-পোষ্টাৰ লৈ ৰাজপথলৈ ওলাই আহিবলৈ প্ৰয়াস কৰিছিল যদিও বৃহৎ আৰক্ষীৰ দলে বাধা প্ৰদান কৰে। আৰক্ষীৰ সৈতে তৰ্কযুদ্ধত লিপ্ত হয় কংগ্ৰেছ নেতা-কৰ্মীসকল। বাৰে বাৰে শান্তিপূৰ্ণভাৱে মিছিল কৰিম বুলি কোৱাৰ পিছতো আৰক্ষী নাচোৰবান্দা হৈ থাকে। কোনো কাৰণত এখোজো আগুৱাবলৈ নিদিলে। ভূপেন বৰাই আৰক্ষীৰ আগ্ৰাসী ৰূপ দেখি হতবাক হৈ পৰে। দীৰ্ঘ সময় সমদল ৰাজপথলৈ নিয়াৰ প্ৰয়াস কৰাৰ অন্তত সমদল স্থগিত কৰি ভূপেন বৰাই জিলা আয়ুক্তৰ জৰিয়তে ভাৰতৰ ৰাষ্ট্ৰপতিলৈ স্মাৰকপত্ৰ প্ৰদানৰ ব্যৱস্থা কৰি দিবলৈ কয়। প্ৰশাসনে প্ৰায় পাঁচগৰাকী লোকৰ সৈতে শোণিতপুৰ জিলা আয়ুক্তক সাক্ষাৎ কৰে। প্ৰতিবাদমুখৰ পৰিৱেশৰ মাজতে মাজতে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই শোণিতপুৰ জিলা আয়ুক্তক কাৰ্যালয়তে স্মাৰক পত্ৰ প্ৰদান কৰাৰ লগতে বাবাচাহেব আম্বেদকাৰৰ এখন ফটো প্ৰদান কৰে। জিলা আয়ুক্তক কাৰ্যালয়তে স্মাৰক পত্ৰ প্ৰদান কৰি বিজেপি চৰকাৰৰ বিৰুদ্ধে আক্ৰমণাত্মক হৈ পৰে ভূপেন বৰা। কংগ্ৰেছ ব্ৰিটিছৰ বিৰুদ্ধে যুঁজি দেশ স্বাধীনৰ কৰিছিল সেই কংগ্ৰেছে বিজেপিক ভয় নকৰে বুলি দাবী কৰে। ভূপেন বৰাই বিজেপিৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰি কয় যে দেশৰ সংসদত সংবিধান ৭৫ সংখ্যক বৰ্ষত ভৰি দিয়াত চৰ্চা চলি থকাৰ সময়তে গৃহমন্ত্ৰী অমিত শ্বাহে বাবাচাহেব আম্বেদকাৰক তুচ্ছ-তাচ্ছিল্য কৰিছিল। আম্বেদকাৰৰ নাম উচ্চাৰণ কৰাতো এক ফেশ্যন বুলি উল্লেখ কৰি আম্বেদকাৰৰ নাম কংগ্ৰেছে যিমান বাৰ লয় সিমান নাম ভগৱানৰ ল'লে সাত-পুৰুষলৈ স্বৰ্গত থাকিব বুলি বাবাচাহেবক অপমান কৰা হৈছে। এয়া বিজেপি আৰু আৰএছএছৰ নীতি। লগতে ভূপেন বৰাই সদমল কৰিব নিদিয়াত তীব্ৰ ক্ষোভ ব্যক্ত কৰি কয় যে এই যাত্ৰাত কোনো কংগ্ৰেছ কৰ্মীয়ে লাঠি-বন্দুক লৈ অহা নাই। আম্বেদকাৰৰ বিৰুদ্ধে যি অপমান তাৰ বিৰুদ্ধে কংগ্ৰেছীসকলে প্ৰতিবাদ কৰিবলৈ আহিছে। বিজেপিৰ নেতাই কৈছে আম্বেদকাৰ, আম্বেদকাৰ আৰু আম্বেকদাৰ কৰি থকা মানুহ স্বৰ্গলৈ নাযায়। আম্বেদকাৰ আম্বেদকাৰ, আম্বেদকাৰ কৰি থকা মানুহবোৰ নৰকলৈ যাব নেকি? যদি দেশৰ সংবিধান ৰক্ষা কৰিবলৈ, যদি আম্বেদকাৰক ৰক্ষা কৰিবলৈ নৰকলৈ যাব লাগে তেন্তে কংগ্ৰেছ কৰ্মীসকল নৰকলৈ যাবলৈ সাজু আছে। বিজেপিয়ে কেৱল সদনতে সংবিধানক অপমান কৰা নাই। আজি ৰাস্তাত প্ৰতিবাদ কৰিবলৈ নিদিয়ে। গণতন্ত্ৰৰ প্ৰতি এয়া উপহাস। কংগ্ৰেছৰ নেতৃত্বত সমগ্ৰ দেশত অহিংস আন্দোলন কৰি পৰাক্ৰমী ব্ৰিটিছক ভাৰতৰ পৰা খেদিছিল। যি কংগ্ৰেছে ব্ৰিটিছক ভয় নকৰিলে, সেই কংগ্ৰেছে বিজেপিক ভয় নকৰে। এইজন মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাকো ভয় নকৰে। অসম পুলিচক উদ্দেশ্যি ভূপেন বৰাই কয় যে অসম পুলিচে অসমৰ মুখ্যমন্ত্ৰীৰ প্ৰকৃত যিবিলাক কাম-কাজ যেনে চিণ্ডিকেট ৰাজ, লুণ্ঠন, চোৰ বাঢ়িছে, ডকাইত বাঢ়িছে, ধৰ্ষণ বাঢ়িছে, নাৰী নিৰ্যাতন বাঢ়িছে এইবোৰ নিয়ন্ত্ৰণ কৰিবলৈ পুলিচে ক্ষমতা দেখুওৱাক। গণতান্ত্ৰিক, শান্তিপূৰ্ণ আন্দোলনত পুলিচে ক্ষমতা দেখুওৱা বন্ধ কৰক। অসমৰ মানুহে বিজেপি নিপাত যোৱাতো বিচাৰিছে। অসমৰ যুৱ প্ৰজন্মই সংস্থাপন বিচাৰিছে। মানুহে বানপানী, গৰাখহনীয়া সমস্যাৰ সমাধান বিচাৰিছে। নিবনুৱাই চাকৰি বিচাৰি হাহাকাৰ কৰি আছে আৰু বিজেপিয়ে পুলিচ লগাই আন্দোলন দমন কৰিব খুজিছে। এয়া কংগ্ৰেছে কেতিয়াও মানি নলয় বুলি কয় ভূপেন বৰাই।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# কাশ্মীৰত দুৰ্ঘটনাত পতিত সেনাৰ গাড়ী

ফলত পাঁচ গৰাকী সেনা জোৱান নিহত হোৱাৰ লগতে আন পাঁচ গৰাকী জোৱান গুৰুতৰভাৱে আহত হয়। পুঞ্চ জিলাৰ গহোৰা পোষ্টৰ সমীপত সেনাৰ ট্ৰাকখনে নিয়ন্ত্ৰণ হেৰুৱাই প্ৰায় ৩৫০ ফুট দ খাৰৈত বাগৰি পৰাৰ ফলত সংঘটিত হয় এই সকৰুণ দুৰ্ঘটনা। দুৰ্ঘটনাৰ পিছতে সেনাই উদ্ধাৰ অভিযান আৰম্ভ কৰে। প্ৰাথমিক তথ্য অনুসৰি নীলম মুখ্য কাৰ্যালয়ৰ পৰা ১১ এম এল আই (মেকানাইজড লাইট ইনফেণ্ট্ৰি) বাহিনীৰ ট্ৰাকখন গহোৰা পোষ্ট অভিমুখে গৈ আছিল। দুৰ্ঘটনা সংঘটিত হোৱাৰ সময়ত ট্ৰাকখনত থকা ৮ জন জোৱান আছিল ১১ নং মাৰাঠা ৰেজিমেণ্টৰ সদস্য। দুৰ্ঘটনাটোত নিহত পাঁচজন জোৱানৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে, আৰু আহতসকলৰ চিকিৎসাধীন হৈ আছে। দুৰ্ঘটনাটোৰ খবৰ পোৱাৰ পিছতে ১১ জনীয়া এম এল আইৰ কুইক ৰেচপন্স টিম (কিউ আৰ টি) সেই স্থানত উপস্থিত হৈ উদ্ধাৰ অভিযান আৰম্ভ কৰে। আহত জোৱানসকলৰ চিকিৎসা আৰম্ভ হোৱাৰ লগতে উদ্ধাৰ অভিযান অব্যাহত থকা বুলি সেনাই জানিবলৈ দিয়ে। এই দুৰ্ঘটনাত শোক প্ৰকাশ কৰি নিহত জোৱানসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে হোৱাইট নাইট কৰ্পছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# দেশত খ্ৰীষ্টানৰ ওপৰত নিৰ্যাতনৰ ঘটনা

আৰু নিৰ্যাতনক লৈ উদ্বেগ প্ৰকাশ দেশৰ দুই শতাধিক বিশিষ্ট নাগৰিকৰ। তুষাৰ গান্ধী, এনি ৰাজা, ফাদাৰ চেড্ৰিক প্ৰকাশ, জন দয়াল আৰু শ্বনম হাছমীকে ধৰি দেশৰ ২০০ৰো অধিক বিশিষ্ট ব্যক্তিয়ে ভাৰতত খ্ৰীষ্টান সকলৰ ওপৰত সংঘটিত হৈ অহা নিৰ্যাতনৰ ঘটনাক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰাৰ লগতে চৰকাৰৰ ভূমিকাক লৈ প্ৰশ্ন উত্থাপন কৰি এক যৌথ বিবৃতি প্ৰকাশ কৰিছে। বিবৃতিটোত স্পষ্টকৈ উল্লেখ কৰা হৈছে যে শেহতীয়া বছৰবোৰত খ্ৰীষ্টান সম্প্ৰদায়ৰ বিৰুদ্ধে হিংসা আৰু নিৰ্যাতনৰ ঘটনা যথেষ্ট বৃদ্ধি পাইছে। বিশেষকৈ গ্ৰামাঞ্চলত এনে ঘটনাৰ সংখ্যা বেছি। ইভানজেলিকেল ফেল'শ্বিপ অব ইণ্ডিয়া আৰু ইউনাইটেড খ্ৰীষ্টান ফ'ৰামৰ তথ্য অনুসৰি ২০২৪ চনৰ জানুৱাৰীৰ পৰা নৱেম্বৰলৈকে খ্ৰীষ্টানসকলৰ ওপৰত আক্ৰমণৰ ৭৪৫টা কাণ্ড নথিভুক্ত কৰা হৈছে। ২০২১ চনত এই সংখ্যা আছিল ৩২৭, আৰু ২০২২ চনত ই ৪৮৬ লৈ বৃদ্ধি পাইছিল। ইফালে এনে নিৰ্যাতনৰ ঘটনাত হিন্দুত্ববাদী গোষ্ঠীৰ ভূমিকাক লৈও প্ৰশ্ন উত্থাপন হৈছে। বিশেষকৈ বজৰং দল আৰু বিশ্ব হিন্দু পৰিষদৰ দৰে সংগঠনে খ্ৰীষ্টানসকলৰ বিৰুদ্ধে হিংসাৰ উচটনি দিয়াৰ অভিযোগ উত্থাপন হৈছে। একে সময়তে ১৩খন ৰাজ্যৰ ধৰ্মান্তৰকৰণ বিৰোধী আইনক সংখ্যালঘু সম্প্ৰদায়ৰ বিৰুদ্ধে অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা বুলিও বিবৃতিযোগে অভিযোগ কৰে বিশিষ্ট ব্যক্তিসকলে। এই বিবৃতিটোত চৰকাৰৰ ভূমিকাক লৈও প্ৰশ্ন উত্থাপন হয়। বিশিষ্ট ব্যক্তিসকলে অভিযোগ কৰে যে চৰকাৰে এনে হিংসাৰ ঘটনাক লৈ মৌনতা অৱলম্বন কৰা আৰু বাস্তৱিকতে হিন্দুত্ববাদী গোটক সমৰ্থন কৰাৰ প্ৰৱণতাই পৰিস্থিতি আৰু অধিক জটিল কৰি তুলিছে। মন কৰিবলগীয়া যে, ২০২১ চনত ৰাষ্ট্ৰসংঘৰ আন্তঃৰাষ্ট্ৰীয় ধৰ্মীয় স্বাধীনতা আয়োগে ভাৰতক 'বিশেষ উদ্বেগজনক দেশ'ৰ তালিকাত অন্তৰ্ভুক্ত কৰিছিল। অন্যহাতে বিশিষ্ট ব্যক্তিসকলে খ্ৰীষ্টান সম্প্ৰদায়ৰ নেতৃত্বৰ ভূমিকাকো সমালোচনা কৰিছে। তেওঁলোকে কয় যে শেহতীয়াকৈ খ্ৰীষ্টান নেতাসকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি বৰদিনৰ অনুষ্ঠানলৈ আমন্ত্ৰণ জনাই হিংসাৰ প্ৰকৃত সমস্যা ঢাকি ৰখাৰ প্ৰয়াস কৰিছে। বিবৃতিটোত চৰকাৰ আৰু খ্ৰীষ্টান নেতাসকলক খ্ৰীষ্টান সম্প্ৰদায়ৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে তাৎক্ষণিক পদক্ষেপ গ্ৰহণ কৰাৰ লগতে সাম্প্ৰদায়িক সম্প্ৰীতি ৰক্ষাৰ বাবে উদ্যোগ ল'বলৈ আহ্বান জনায় বিশিষ্ট ব্যক্তিসকলে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আজি খ্ৰীষ্টান ধৰ্মাৱলম্বীসকলৰ পৱিত্ৰ

হৈছে। ৰোমান কেথলিক গীৰ্জাৰ মুখ্য কাৰ্যালয় ভেটিকান চিটিয়ে দিয়া শান্তিৰ বাৰ্তাক সাৰোগত কৰি সমগ্ৰ বিশ্বই এইবেলিও পৱিত্ৰ বৰদিন পালন কৰিবলৈ সাজু হৈছে। প্ৰতিবছৰে ২৫ ডিচেম্বৰত বিশ্বৰ খ্ৰীষ্টান ধৰ্মী লোকসকলৰ উপাস্য যীশু খ্ৰীষ্টৰ পৱিত্ৰ জন্ম তিথি উপলক্ষে বৰদিন পালন কৰে। ৰোমৰ ভেটিকান চিটি, বিখ্যাত চহৰ লণ্ডনকে ধৰি বিশ্বৰ ডাঙৰ ডাঙৰ চহৰত পূৰ্বৰে পৰা প্ৰাক বৰদিন পালন কৰি অহাৰ পিছতে কাইলৈ উলহ-মালহেৰে বৰদিন কৰিব খ্ৰীষ্টান ধৰ্মীসকলে। খ্ৰীষ্টমাছ বৃক্ষ আৰু পৰম্পৰাগত ছাণ্টাক্লজ, আলোকসজ্জাৰে চহৰ-নগৰ, গীৰ্জাসমূহ আলোকাই তোলা হৈছে। সমগ্ৰ বিশ্বৰ লগকে ভাৰতৰ বিভিন্ন ৰাজ্যৰ গীৰ্জাসমূহ সজাই-পৰাই তোলা হৈছে। কেৰলৰ ধ্বনিৰে আধ্যাত্মিক পৰিৱেশৰ সূচনা হ'ব দেশত। কেবাদিন ধৰি নেৰানেপেৰাকৈ দেশৰ গীৰ্জসমূহ সজাই-পৰাই তোলা হৈছে। ঘৰে ঘৰে খাদ্য-সম্ভাৰ সাজু কৰা হৈছে। ন-সজা পিন্ধি বৰদিন পালন কৰিব। ঠায়ে ঠায়ে সমাজৰ পিছ পৰা শ্ৰেণীৰ বাবে সমূহীয়া ভোজৰ আয়োজন কৰা হ'ব। অসমতো গুৱাহাটী মহানগৰী, চাহ বাগিচা এলেকা, বিটিআৰ আৰু কাৰ্বি আংলং এলেকাত মহাধুমধামেৰে বৰদিন পালন কৰিবলৈ সাজু হৈছে হাজাৰ হাজাৰ লোক। মহানগৰীৰ খ্ৰীষ্টানবস্তী আৰু পাণবজাৰৰ পুৰণি গীৰ্জাত সমৱেত হ'ব খ্ৰীষ্টানধৰ্মী লোকসকল। ৰং-ৰহইছ কৰিব, যীশুক বন্দনা কৰি ভাল দিনৰ কামনা কৰিব। পৰিয়াল, ওচৰ-চুবুৰীয়াৰ সুখ-শান্তি কামনা কৰিব। গুৱাহাটীত পৱিত্ৰ বৰদিন উপলক্ষে বিশেষ খ্ৰীষ্টমাছ কাৰ্ডৰ বিনিময় কৰাৰ এক পৰম্পৰা আছে। শিশুক চকলেটসহ বিভিন্ন উপহাৰ দি যীশুক আৰাধনা কৰিব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# পঞ্চায়তত নহয় মিত্ৰতা! বিজেপিয়ে

দল অগপৰ সৈতে বিজেপি মিত্ৰতাত নাথাকিব। আজি এই কথা স্পষ্ট কৰিছে অসমৰ বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাই। আজি বশিষ্ঠস্থিত দলৰ ৰাজ্যিক কাৰ্যালয়ত অনুষ্ঠিত এক সংবাদমেলত সভাপতি ভৱেশ কলিতাই এনডিএৰ অংশীদাৰ দলৰ সৈতে মিত্ৰতা নকৰাকৈ আগন্তুক পঞ্চায়ত নিৰ্বাচনত স্বতন্ত্ৰভাৱে প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত লোৱাৰ কথা ঘোষণা কৰিছে। কিন্তু ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত মিত্ৰশক্তিৰ সৈতে বিজেপিয়ে বৃহৎ ৰণনীতি গ্ৰহণ কৰিব। বিজেপিয়ে অগপ বা আন দলৰ সৈতে মিত্ৰতা নকৰাকৈ পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব। কিন্তু পঞ্চায়ত নিৰ্বাচনত ঠাই বিশেষ স্থানীয় পৰ্যায়ত অগপৰ সৈতে আলোচনা অব্যাহত ৰাখিব। বিজেপিয়ে পঞ্চায়ত নিৰ্বাচনত অনুষ্ঠিত নোহোৱা ওদালগুৰি, তামুলপুৰ, বাক্সা, চিৰাং আৰু কোকৰাঝাৰ জিলাক লৈ গঠিত বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল (বিটিআৰ) অঞ্চলক বাদ দি ৰাজ্যজুৰি ২৫ খন জিলা পৰিষদত অকলে প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত লৈছে। বিশেষকৈ বিজেপিয়ে শ্ৰীভূমি, হাইলাকান্দি, কাছাৰ, ডিব্ৰুগড়, তিনিচুকীয়া, চৰাইদেউ, যোৰহাট, মাজুলী, গোলাঘাট আৰু গুৱাহাটী মেট্ৰ'ত অকলশৰে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব। বিজেপিয়ে পঞ্চায়ত নিৰ্বাচনত আহ্বায়ক হিচাপে পল্লৱ লোচন দাসৰ নেতৃত্বত এখন পঞ্চায়ত নিৰ্বাচন ব্যৱস্থাপনা সমিতি গঠন কৰিছে। তিনিজন সহ-আহ্বায়ককো নিযুক্তি দিয়া হৈছে। মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ নেতৃত্বত এখন ইস্তাহাৰ সমিতি গঠন কৰা হৈছে। কলিতাই কয় যে আমি বিজেপিৰ ইস্তাহাৰ সমিতিও গঠন কৰিছো। যাৰ নেতৃত্ব দিব মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে। ইস্তাহাৰ প্ৰস্তুত হোৱাৰ পিছতে ঘোষণা কৰা হ'ব। জনসাধাৰণৰ সেৱা কৰিবলৈ ইস্তাহাৰত বহু বিষয় সন্নিৱিষ্ট কৰি অসমবাসীক জনাব বিজেপিয়ে। ৰণনীতি সুচাৰুৰূপে সম্পাদন কৰিবলৈ জিলা তত্বাৱধায়ক আৰু সহ-তত্বাৱধায়কৰ তালিকা প্ৰকাশ কৰিব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আলফাৰ বিৰুদ্ধে আৰু কঠোৰ দিল্লী

নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰ। ধনদাবী, বিস্ফোৰণ, অপহৰণ কাণ্ড সংঘটিত কৰি চাৰিটা দশক ধৰি ভাৰত চৰকাৰ বিৰুদ্ধে বিদ্ৰোহ কৰি অহা আলফা স্বাধীনক কঠোৰ হাতেৰে দমন কৰিবলৈ কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে ন্যায়াধিকৰণ গঠন কৰিছে। গৃহ মন্ত্ৰণালয়ে বেআইনী কাৰ্যকলাপ প্ৰতিৰোধ ন্যায়াধিকৰণ গঠন কৰি সংযুক্ত মুক্তি বাহিনী স্বাধীনক বেআইনী সংগঠন হিচাপে ঘোষণা কৰিবলৈ পৰ্যাপ্ত ব্যৱস্থা ল'ব। বেআইনী সংগঠন হিচাপে ঘোষণা কৰিবলৈ পৰ্যাপ্ত হয় নে নহয় সেয়া নিৰ্ধাৰণ কৰিব কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে গঠন কৰা ন্যায়াধিকৰণে। গৃহ মন্ত্ৰণালয়ে প্ৰকাশ কৰা অধিসূচনা অনুসৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মাইকেল জোথাংছুমাৰ নেতৃত্বত ন্যায়াধিকৰণ গঠন কৰি দিয়া হৈছে। বেআইনী কাৰ্যকলাপ প্ৰতিৰোধ আইন, ১৯৬৭, ৩৭ৰ ধাৰা পঞ্চমৰ উপ-ধাৰা (১)ৰ দ্বাৰা প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰাৰ যি ক্ষমতা দিছে তাৰ দ্বাৰা বিদ্ৰোহী সংগঠনটোৰ বিৰুদ্ধে পদক্ষেপ গ্ৰহণ কৰিব। কেন্দ্ৰীয় চৰকাৰে ৫ বছৰৰ বাবে আলফা স্বাধীনক নিষেধাজ্ঞা কৰাৰ সময় বৃদ্ধি কৰিছিল। তাৰ পিছতে গৃহ মন্ত্ৰণালয়ে ন্যায়াধিকৰণ গঠনৰ সিদ্ধান্ত লয়। বিদ্ৰোহী সংগঠনটোক প্ৰথমবাৰৰ বাবে ১৯৯০ত নিষিদ্ধ ঘোষণা কৰা হৈছিল। তেতিয়াৰ পৰা কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে সময়ে সময়ে নিষেধাজ্ঞাৰ সময় বৃদ্ধি কৰা গৈছে। গৃহ মন্ত্ৰণালয়ে বেআইনী কাৰ্যকলাপ প্ৰতিৰোধ আইনৰ অধীনত ১৭টা সংগঠনক বেআইনী সংগঠন ঘোষণা কৰিছে। ইয়াৰ ভিতৰত আলফা স্বাধীন হৈছে অন্যতম। আলফা স্বাধীনে অসমক ভাৰতৰ পৰা পৃথক কৰাৰ দাবীত সশস্ত্ৰ বিদ্ৰোহ কৰি গৈছে। বিদেশী গোটৰ সৈতে সম্পৰ্ক ৰক্ষা, হত্যা, হত্যাৰ ভাবুকি, ধনদাবী, অপহৰণ আদিত লিপ্ত হৈছে। গৃহ মন্ত্ৰণালয়ে জনোৱা মতে, বিগত ৫ বছৰত অভিযানত তিনি দুৰ্ধৰ্ষ কেডাৰ নিহত হৈছে। সংগঠনটোৰ বিৰুদ্ধে ১৫টা গোচৰ ৰুজু কৰা হৈছে, ২৭ টা অপৰাধমূলক কাৰ্যকলাপত জড়িত আছে। ৫৬ জন কেডাৰক গ্ৰেপ্তাৰ কৰা হৈছে আৰু ৬৩ জন কেডাৰে আত্মসমৰ্পণ কৰিছে। ২৭বিধ মাৰণাস্ত্ৰ, ৫৫০ জাঁই সজীৱ গুলী, ৯টা গ্ৰেনেড আৰু বিস্ফোৰক উদ্ধাৰ হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মৃদুলৰ পত্নীলৈ কংগ্ৰেছৰ ২৫ লাখ

আজি অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন কুমাৰ বৰাৰ নেতৃত্বত এটি দল গৈ শ্বহীদ ইছলামৰ পত্নী ফাতেমা বেগমৰ হাতত ২৫ লাখ টকাৰ এক আৰ্থিক সাহায্য আগবঢ়ায়। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ তৰফৰ পৰা ২০ লাখ আৰু নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে দিয়া ৫ লাখ টকাৰ সাহায্য আজি পৰিয়ালটোৰ প্ৰতি আগবঢ়ায় প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই। তেজপুৰত আম্বেদকাৰ সন্মান যাত্ৰাত অংশগ্ৰহণ কৰি সভাপতিজনে পোনে পোনে কামৰূপ জিলাৰ সোণতলীলৈ যায় আৰু শ্বহীদ মৃদুল ইছলামৰ বাসগৃহত উপস্থিত হৈ তেওঁৰ পৰিয়ালৰ ভৱিষ্যতৰ বাবে এই ২৫ লাখ টকাৰ সাহায্য আগবঢ়ায়। বিধায়ক ৰেকিবুদ্দিন আহমেদ, বিধায়িকা নন্দিতা দাস, প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক ৰামান্না বৰুৱা, সাধাৰণ সম্পাদক প্ৰদ্যুৎ ভূঞা, সেৱা দলৰ অধ্যক্ষ দ্বীপ বায়ন, কোষাধ্যক্ষ হেমহৰি পেগু, কামৰূপ জিলা কংগ্ৰেছৰ সভাপতি কংকন দাসো প্ৰতিনিধি দলটোত উপস্থিত থাকে। কংগ্ৰেছৰ এই পদক্ষেপক আদৰণি জনাইছে ভিন্নজনে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰদেশ কংগ্ৰেছৰ জিলাই জিলাই

আম্বেদকাৰ সন্মান যাত্ৰা' ঘোষণা কৰিছিল। আজি সমগ্ৰ দেশৰ লগতে অসমতো জিলা সদৰসমূহত হাজাৰ কংগ্ৰেছ নেতা-কৰ্মীয়ে 'আম্বেদকাৰ সন্মান যাত্ৰা'ত অংশ ল'বলৈ ওলাই আহে। পুৱাৰে পৰা জিলা সদৰস্থিত কংগ্ৰেছৰ কাৰ্যালয়সমূহত সমবেত হোৱা কংগ্ৰেছ নেতা-কৰ্মীকসকলে বেনাৰ-পোষ্টাৰ হাতে হাতে লৈ সমদল কৰিবলৈ সাজু হৈয়ো সমদল কৰিব নোৱাৰিলে। আৰক্ষীয়ে অনুমতি নিদিয়াৰ ফলত জিলাৰ সদৰৰ কাৰ্যালয়তে চৰকাৰ বিৰোধী শ্ল'গান দি কাৰ্যসূচী সমাপ্ত কৰিবলৈ বাধ্য হয়। যাৰ ফলত কংগ্ৰেছ নেতা-কৰ্মীসকল ক্ষুব্ধ হৈ পৰে। ঠায়ে ঠায়ে আৰক্ষীৰে হতাহতি পৰ্যন্ত হয়। গুৱাহাটীতো এক অভিনৱ প্ৰতিবাদ কৰে বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই। অসম আৰক্ষীয়ে শান্তি সমদল যাত্ৰাৰ অনুমতি প্ৰদান নকৰাত বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়াই ৪জন ব্যক্তিক লৈ ৰাজপথৰে সমদল কৰি আহি দিছপুৰৰ মন্ত্ৰী আৱাসৰ ভিতৰত থকা আম্বেদকাৰৰ প্ৰতিমূৰ্তিত ৰাজপথৰ বাহিৰৰ পৰাই সেৱা কৰে। দিছপুৰৰ আম্বেদকাৰৰ প্ৰতিমূৰ্তি প্ৰকাণ্ড দেৱাল দি চৰকাৰে ঢাকি পেলোৱা কাৰ্যক গৰিহণা দি দেৱব্ৰত শইকীয়াই সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দেশৰ সংবিধান প্ৰণেতাক সন্মান প্ৰদৰ্শন কৰি সকলোৰে দেখাকৈ তেওঁৰ প্ৰতিমূৰ্তি এটা গুৱাহাটীত স্থাপন কৰিব লাগে। শইকীয়াই কয় যে বিহালীৰ উপ-নিৰ্বাচনত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ গৈ প্ৰদেশ কংগ্ৰেছৰ ভূতপূৰ্ব সভাপতি ছবিলাল উপাধ্যায়ৰ প্ৰতিমূৰ্তি গুৱাহাটীত স্থাপন কৰিব বুলি ঘোষণা কৰা মুখ্যমন্ত্ৰীয়ে গুৱাহাটীৰ দিছপুৰত থকা বাবাচাহেব আম্বেদকাৰৰ প্ৰতিমূৰ্তি ঢাকি দিয়াতো অত্যন্ত গৰ্হিত কথা হৈছে। গুৱাহাটীৰ কলাক্ষেত্ৰ অথবা অন্য সুবিধাজনক স্থানত ভীমৰাও আম্বেদকাৰৰ এটা প্ৰতিমূৰ্তি স্থাপনৰ বাবে শইকীয়াই দাবী জনাই আৰু এজন বিধায়ককে ধৰি ৪ জন লোকৰ সৈতে শান্তি সমদল কৰি মানৱেন্দ্ৰ শৰ্মা কমপ্লেক্সলৈ সভা অনুষ্ঠিত কৰিবলৈ আহে। বিৰোধী দলৰ উপ-দলপতি সাংসদ গৌৰৱ গগৈ, প্ৰাক্তন সাংসদদ্বয় ৰিপুণ বৰা, বলীন কুলী, নিখিল ভাৰত কংগ্ৰেছৰ সম্পাদক মনোজ চৌহানকে ধৰি কংগ্ৰেছৰ একাংশ জ্যেষ্ঠ নেতাই আজি মানৱেন্দ্ৰ শৰ্মা কমপ্লেক্সত আম্বেদকাৰৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি এক ৰাজহুৱা সভাত অংশগ্ৰহণ কৰে। গুৱাহাটী মহানগৰ জিলা কংগ্ৰেছৰ সভাপতি গোপাল শৰ্মাই পৰিচালনা কৰা সভাখনত সাংসদ গৌৰৱ গগৈয়ে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সংবিধান আৰু সংবিধান প্ৰণেতা ভীমৰাও আম্বেদকাৰক অসন্মান কৰা বিষয়টো উত্থাপন কৰি গৃহমন্ত্ৰীজনৰ পদত্যাগ দাবী কৰে। শ শ লোকৰ উপস্থিতিত আজি অসম প্ৰদেশ কংগ্ৰেছৰ কেবাজনো নেতাই আম্বেদকাৰৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘক ক্ষুৰধাৰ সমালোচনা কৰে। বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়া আৰু প্ৰাক্তন সাংসদ ৰিপুণ বৰাই কংগ্ৰেছ কৰ্মীসকলক সম্বোধন কৰি বি আৰ আম্বেদকাৰৰ মহান আদৰ্শ আৰু ত্যাগৰ কথা স্মৰণ কৰাৰ লগতে দেশৰ সাংবিধানিক অধিকাৰসমূহ সুৰক্ষিত কৰাৰ স্বাৰ্থত সকলো কংগ্ৰেছ কৰ্মীকে সংবিধান সুৰক্ষিত কৰি ৰাখিবলৈ অধিক সক্ৰিয়ভাৱে কাম কৰিবলৈ আহ্বান জনায়। নিখিল ভাৰত কংগ্ৰেছৰ সম্পাদক মনোজ চৌহানে বিজেপি দলে 'ইছ বাৰ ৪০০ পাৰ' শ্ল'গানেৰে নিৰ্বাচনত অংশগ্ৰহণ কৰি ভাৰতৰ সংবিধান সলনি কৰাৰ এক ষড়যন্ত্ৰ কৰিছিল যদিও ৰাহুল গান্ধীৰ নেতৃত্বত কংগ্ৰেছে বিজেপিৰ এই ষড়যন্ত্ৰ ওফৰাই পেলায়। সকলো কংগ্ৰেছ কৰ্মীক একত্ৰিতভাৱে সংবিধান সুৰক্ষাৰ যাত্ৰাত অংশীদাৰ হ'বৰ বাবে চৌহানে আহ্বান জনায়। সভাত প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ নেত্ৰী প্ৰণতি ফুকন, মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ, সাধাৰণ সম্পাদক ৰামান্না বৰুৱা, বিপুল গগৈ, সাধাৰণ সম্পাদক প্ৰদ্যুৎ ভূঞা, সেৱা দলৰ অধ্যক্ষ দ্বীপ বায়ন, অন্যান্য পিছপৰা শ্ৰেণীৰ অধ্যক্ষ কৃষ্ণা দাস, মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰা প্ৰমুখ্যে নেতা-কৰ্মীসকল উপস্থিত থাকে। আজিৰ এই কাৰ্যসূচীত শদিয়াৰ পৰা ধুবুৰীলৈ কংগ্ৰেছ কৰ্মীসকলৰ মাজত এক আগ্ৰাসী মনোভাৱ দেখা যায়।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বৰ্ষপূৰ্তিত 'ই-সংবাদ'ক লৈ কিছু কথা

জানো তাৰ বেছি দিন আগত, খুব সম্ভৱ কিছুমাহ আগত 'নিউজ নেক্সট ওৱান'ৰ জন্ম হৈছিল। আৰু যিসকলে 'নিউজ নেক্সট ওৱান' আৰম্ভ কৰিছিল তেওঁলোকে অনুষ্ঠানটো যিধৰণে চলাম বুলি ভাবিছিল চলাবলৈ নোৱাৰিলে। কষ্ট কৰিছিল। তেনে সময়তে মোৰ এজন বন্ধুৱে নিষ্ঠাৰে 'নিউজ নেক্সট ওৱান' চলাবলৈ লৈ আহিল। তেওঁ তেতিয়া মোক অনুৰোধ কৰিলে যে মই 'নিউজ নেক্সট ওৱান'ৰ চীফ এডিটৰ হ'ব লাগে। মই ক'লো মইনো কি চিফ এডিটৰ হ'ম। তেতিয়া তেওঁ ক'লে নহয় আপুনি হ'ব লাগিব। হ'লো। কিন্তু অফিচ-চফিচলৈ নাযাও। তেওঁলোক আছে। ধনন্তৰি আছে, আব্দুল আজিজ চৌধুৰী আছে। বিশেষকৈ আব্দুল আজিজ চৌধুৰী আছে। আহি ২০ মিনিট, ২৫ মিনিটৰ একোটাকৈ ভিডিঅ' ৰেকৰ্ড কৰে। আৰু মই যথেষ্ট আগ্ৰহেৰে, বৰ আগ্ৰহেৰে, যথেষ্ট পঢ়া-শুনা কৰি ২০-৩০ মিনিটৰ ৰেকৰ্ডিং কৰো। মই ভাবো অসমীয়া সংবাদজগতত মোৰ সেই ছিৰিছটোৰ দৰে ছিৰিছ কেতিয়াও হোৱা নাই। নিৰ্ভীক, কোনো পক্ষপাতিত্ব নাই। বাচ-বিচাৰ নোহোৱাকৈ সকলোকে সমালোচনা কৰিছো। সকলোতকৈ ডাঙৰ কথাটো হ'ল প্ৰতিটো প্ৰাসংগিক কথাক লৈ অধ্যয়ন কৰো, আতিগুৰি উলিয়াবলৈ চেষ্টা কৰো। ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক পৰ্যায়ত এই ঘটনা-পৰিঘটনাৰ কি সম্পৰ্ক আছে সেইবোৰ উলিয়াবলৈ চেষ্টা কৰো। তেনেকৈয়ে প্ৰায় এশটা মান বা ৮০টা মান বক্তৃতা তেনেদৰেই প্ৰথমে ফেচবুকলৈ গ'ল। পিছলৈ ইউটিউবত বহু কেইটা ভিডিঅ' আছিল। মই ভাবো অসমৰ সংবাদজগতৰ ইতিহাসত এই এশটা বা আশীটা বক্তব্য অতি মূল্যবান। মই এইবোৰ চাই থকা মানুহ নহয়। সাঁচি ৰখা মানুহ নহয়। কিন্তু ইয়াৰ পৰ্যালোচনা হোৱাৰ প্ৰয়োজন আছিল। বহুলভাৱে প্ৰচাৰ হোৱাৰ প্ৰয়োজন আছিল। পৰৱৰ্তী সময়তো মোক বিচাৰিছিল, কিন্তু তেওঁলোকৰ কাম-কাজত যতি পৰিল। ময়ো সেই আগ্ৰহ ফিল নকৰা হ'লো। তেওঁলোকৰ অসুবিধা হ'ল। তেনেকৈ ৰৈ গ'ল। যিকেইটা দিন তাৰ সম্পাদনাৰ সৈতে জড়িত আছিলো, অতি কঠোৰ আছিলো। আজে-বাজে, মুখৰোচক কথা, চেনছেচনেল কথা এভইদ কৰিবলৈ চেষ্টা কৰিছিলো। প্ৰচাৰ হ'লেও ডিলিট কৰি দিছিলো। আৰু এটা চিন্তাৰ গভীৰতা, ৰাজনৈতিক চিন্তা এটা, আলোচনা-বিলোচনা, সামাজিক চিন্তা, শৈক্ষিক চিন্তাৰ এনেধৰণৰ বহুত কথা আলোচনা হওক। মই ভাবো অসমীয়া ভাষাত শিক্ষা ব্যৱস্থাক লৈ যিমানবোৰ কথা 'নিউজ নেক্সট ওৱান'ত প্ৰকাশ পাইছে, আন ক'তো সিমান প্ৰকাশ পোৱা নাই। আনকি মেইনষ্ট্ৰিম মিডিয়া, ডাঙৰ ডাঙৰ বাতৰি কাকততো সিমানবোৰ প্ৰকাশ পোৱা নাই। আকৌ এবাৰ 'নিউজ নেক্সট ওৱানে' মূৰ দাঙি উঠিছে। নতুনকৈ আৰম্ভ কৰিছে অনলাইন কাকত এখন। মই কৈছো কথাবোৰ গভীৰ হ'ব লাগে। সুচিন্তিত হ'ব লাগে। থলুৱা কথা কৈ ব্যস্ত থাকিব নালাগে। আজিকালি আমাৰ বাতৰি কাকতত যিবোৰ কাৰবাৰ হৈ আছে দেখি আচৰিত লাগে। মন্ত্ৰীৰ কথাৰে প্ৰথম পৃষ্ঠা ওলায়। মন্ত্ৰীৰ মুখৰ কথাৰে প্ৰথম পৃষ্ঠা হ'বলৈ বাতৰি কাকত কিয় লাগে? বাতৰি কাকতৰ প্ৰয়োজন নাই। সাংবাদিক এজন কেলেই লাগে। মন্ত্ৰীৰ অফিচৰ মানুহে কথাখিনি লিখি দিব। লিখি দিলে ওলাই যাব। এজন সাংবাদিক কিয় লাগে? সাংবাদিকৰ চিন্তাৰ গভীৰতা, সমালোচনা আদি কথাবোৰ নাইকিয়া হৈ গৈছে। সেইবাবেই এতিয়া গণমাধ্যমৰ বৰ বিপন্ন অৱস্থা। মানুহে খবৰ চাবলৈ এৰি দিছে। বাতৰি কাকত নপঢ়া হৈছে। টেলিভিচন নোচোৱা হৈছে। এনেকুৱা এক পৰিস্থিতিত 'নিউজ নেক্সট ওৱান' এটা সৰু গণমাধ্যম। যাক ফ্ৰি বুলি কোৱা হয়। প্ৰভাৱবিহীন। আশা ৰাখিছো। সঁচা অৰ্থত ফ্ৰি, মুক্ত, প্ৰভাৱবিহীন গণমাধ্যম হিচাপে কৰ্মকৰ্তাই ষ্ট্ৰাগল কৰিব। যি নহওক, 'ই-সংবাদ'ৰ প্ৰথম বৰ্ষপূৰ্তিত আনন্দিত হৈছো। ধন্যবাদ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মণিপুৰৰ নতুন ৰাজ্যপাল এ. ভাল্লা

কৰিছে। এই অনুযায়ী হিংসা জৰ্জৰ মণিপুৰৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে অজয় কুমাৰ ভল্লাক। বিহাৰ, ওড়িশা, মিজোৰাম আৰু কেৰালাৰো ৰাজ্যপাল সলনি কৰিছে কেন্দ্ৰই। উল্লেখ্য যে, হিংসাপীড়িত ৰাজ্য মণিপুৰৰ ৰাজ্যপাল হিচাপে নিযুক্তি লাভ কৰা অজয় কুমাৰ ভল্লা আছিল ভাৰতৰ প্ৰাক্তন গৃহ সচিব। এনে পৰিস্থিতিত ভাল্লাক মণিপুৰৰ ৰাজ্যপালৰ দায়িত্ব অৰ্পণ কৰাতো অতি গুৰুত্বপূৰ্ণ বুলি গণ্য কৰা হৈছে। এবছৰ ধৰি হিংসাৰ সৈতে যুঁজি থকা মণিপুৰক লৈ অজয় কুমাৰ ভাল্লাৰ পদক্ষেপ লক্ষণীয় হ'ব। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ওড়িশাৰ ৰাজ্যপাল ৰঘুবৰ দাসৰ পদত্যাগ গ্ৰহণ কৰি ৫খন ৰাজ্যত নতুন ৰাজ্যপাল নিযুক্তি দিছে। মিজোৰামৰ ৰাজ্যপাল ড০ হৰি বাবু কামভাম্পতিক ওড়িশাৰ নতুন ৰাজ্যপাল হিচাপে নিযুক্তি দিছে। অৱসৰপ্ৰাপ্ত জেনেৰেল ভি কে সিংক মিজোৰামৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। বিহাৰৰ ৰাজ্যপাল ৰাজেন্দ্ৰ বিশ্বনাথ আৰলেকাৰক কেৰালাৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। কেৰালাৰ ৰাজ্যপাল আৰিফ মহম্মদ খানক বিহাৰৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। উল্লেখ্য যে, দীৰ্ঘদিনৰ অন্তত মণিপুৰে আজি স্থায়ী ৰাজ্যপাল লাভ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বৰ্ষপূৰ্তিৰ শুভেচ্ছা

পূৰ্বৰ কেৱলমাত্ৰ কাকতখন ছপা ৰূপত পাঠকৰ হাতত তুলি দিয়াৰ প্ৰচেষ্টাৰ লগতে অনলাইনযোগে পোৱাৰ ব্যৱস্থা কৰা পৰিলক্ষিত হৈছে। জনসাধাৰণৰ নতুন প্ৰযুক্তিবিদ্যাৰ লগত বাঢ়ি অহা সম্পৰ্ক আৰু আগ্ৰহে ই-কাকতৰ প্ৰতি আসক্তি বৃদ্ধি কৰা পৰিলক্ষিত হৈছে। ফলস্বৰূপে কিছুমান বাতৰি কাকত সমসাময়িক পৰিৱেশ আৰু পৰিস্থিতিৰ লগত সামঞ্জস্য ৰাখি বিতৰকৰ সহায়ত পাঠকৰ মাজত উপলব্ধ কৰাৰ লগতে অনলাইনতো উপলব্ধ হোৱা হ'ল। এইখিনিতে মন কৰিবলগীয়া কথা হ'ল কিছুমান বাতৰি কাকত বিশেষভাৱে অনলাইন পাঠকক লক্ষ্য কৰি অনলাইনত উপলব্ধ কৰা হৈছে। তাৰ ভিতৰত অন্যতম হ'ল 'ই-সংবাদ'। যিয়ে অনলাইন বাতৰি পৰিৱেশনৰ উৎসৰ্গিত এটা বছৰ সম্পূৰ্ণ কৰিবলৈ ওলাইছে। এই সুযোগতে বছৰপূৰ্তিৰ বাবে শুভকামনা জনোৱাৰ লগতে আশা ৰাখিছো 'ই-সংবাদ'-এ জনসাধাৰণৰ আশা- আকাংক্ষা অনুসৰি সত্য আৰু প্ৰাসংগিক বাতৰি পৰিৱেশন কৰি সামাজিক দায়বদ্ধতাৰে আগবাঢ়ি যাব। 'ই-সংবাদ'ৰ নিচিনা ডিজিটেল ৰূপত উপলব্ধ বাতৰি কাকতে পঢ়ুৱৈক কিছুমান সুবিধা দিয়াটো নিশ্চিত। ইয়াৰ লগতে কিছুমান প্ৰত্যাহ্বান অতিক্ৰম কৰিব লাগিব যাতে পঢ়ুৱৈৰ আস্থা আদায় কৰি ইয়াৰ সংখ্যা বৃদ্ধি কৰিব পাৰে। আশা ৰাখিছো 'ই-সংবাদ'-এ শুদ্ধ তথ্য, সত্য বাতৰি, সঠিক মূল্য নিৰ্ধাৰণৰ দ্বাৰা পৰিৱৰ্তিত প্ৰযুক্তিবিদ্যাৰ লগত পৰিচিত পঢ়ুৱৈৰ ওচৰ চাপি কৃতকাৰ্যতাৰে প্ৰসাৰ লাভ কৰিব। এই শুভক্ষণত ইয়াকে কামনা কৰিছো।

# গৌৰীপুৰত সোনাৰায় পূজা, ৰচনা প্ৰতিযোগিতাৰ আয়োজন

**ই-সংবাদ, গোলকগঞ্জ, ২৪ ডিচেম্বৰঃ** ধুবুৰী জিলাৰ গৌৰীপুৰ মহামায়া খেলপথাৰত কোচৰাজবংশী ফ'ক কালচাৰেল একাডেমীৰ উদ্যোগত আজিৰে পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে সোনাৰায় পূজা আৰু পুষণা উৎসৱ আৰম্ভ হৈছে। উক্ত কাৰ্যসূচীৰ লগত সংগতি ৰাখি বিশ্ব মহাবীৰ চিলাৰায় শীৰ্ষক ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। 'ক' শাখাৰ প্ৰতিযোগিতাত উচ্চ, উচ্চতৰ শাখাৰ বিপৰীতে 'খ' শাখাত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব পাৰিব। 'ক' শাখাৰ প্ৰতিযোগীৰ বাবে পাঁচশ শব্দ আৰু 'খ' শাখাৰ প্ৰতিযোগীয়ে এহেজাৰ শব্দৰ ভিতৰত ৰচনা লিখিব লাগিব। ৰচনাসমূহ জমা দিবলৈ অহা ১০ জানুৱাৰীৰ ভিতৰত আহ্বায়ক সমিতিৰ বিভাগীয় সম্পাদক হেমন্ত কুমাৰ ৰায়ৰ লগত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে। লগতে স্থানীয় ৰাইজৰো সহায়-সহযোগ কামনা কৰিছে আয়োজকসকলে।

# কোকৰাঝাৰত কংগ্ৰেছৰ প্ৰতিবাদী কাৰ্যসূচী, সমদল উলিয়াব নিদিয়াক লৈ আৰক্ষীৰে খণ্ডযুদ্ধ

**ই-সংবাদ, কোকৰাঝাৰ, ২৪ ডিচেম্বৰঃ** ভাৰতবৰ্ষৰ সংবিধান প্ৰণেতাৰ অধ্যক্ষ ড° ভীমৰাও আম্বেদকাৰৰ প্ৰতি গৃহমন্ত্ৰী অমিত শ্বাহে কৰা অপমানসূচক মন্তব্যৰ বিৰোধিতাৰে ভাৰতীয় জাতীয় কংগ্ৰেছে আজি দেশজোৰা প্ৰতিবাদ সাব্যস্ত কৰে। ইয়াৰ অংশস্বৰূপে আজি কোকৰাঝাৰ জিলা কংগ্ৰেছ কমিটিৰ কাৰ্য্যালয় ৰনেন্দ্ৰ ভৱনৰ মুখ্য প্ৰৱেশদ্বাৰতো কংগ্ৰেছে প্ৰতিবাদী কাৰ্য্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে ড° ভীমৰাও আম্বেদকাৰৰ প্ৰতি কৰা অপমানসূচক মন্তব্যৰ বিৰোধীতাৰে কংগ্ৰেছে আজি জিলা কংগ্ৰেছ কমিটিৰ কাৰ্য্যালয়ৰ পৰা জিলা আয়ুক্তৰ কাৰ্যালয়লৈ প্ৰতিবাদী সমদল বাহিৰ কৰাৰ কথা আছিল। সেই মতে কংগ্ৰেছে জিলা কাৰ্যালয়ৰ পৰা প্ৰতিবাদী সমদল উলিয়াব বিচাৰিছিল যদিও আৰক্ষীৰ বিশাল বাহিনীয়ে কাৰ্যালয়ৰ প্ৰৱেশদ্বাৰতে কংগ্ৰেছ কৰ্মীসকলক বাধা প্ৰদান কৰে। ইয়াকে লৈ কেবাশতাধিক কংগ্ৰেছ কৰ্মী ক্ষুব্ধ হয় আৰু আৰক্ষীৰ সতে ঠেলা-হেচা আৰু তৰ্কযুদ্ধত লিপ্ত হয়। ক্ষুব্ধ কংগ্ৰেছ কৰ্মীসকলে জিলা কংগ্ৰেছ কাৰ্যালয়ৰ প্ৰৱেশদ্বাৰতে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ উপৰিও আৰক্ষী আৰু শাসকীয় বিজেপি চৰকাৰৰ এনে কাৰ্যক ধিক্কাৰ দিয়ে। প্ৰতিবাদী কংগ্ৰেছ কৰ্মীসকলে কংগ্ৰেছৰ জয়ধ্বনি দি বিজেপিৰ বিৰুদ্ধে ব্যাপক শ্লোগান দিয়াৰ সমান্তৰালভাৱে সমদল কাৰ্যসূচীক বাধা প্ৰদান কৰা আৰক্ষীকো কঠোৰ ভাষাৰে সমালোচনা কৰি বিভিন্ন প্ৰশ্নৰে বিব্ৰত কৰি তোলে। প্ৰতিবাদকাৰীসকলে হাতে হাতে কংগ্ৰেছৰ পতাকা, ড° ভীমৰাও আম্বেদকাৰৰ প্ৰতিচ্ছবি লৈ বিজেপি হাটাও দেশ বাচাও, অমিত শ্বাহ হাটাও সংবিধান বাচাও, কংগ্ৰেছ জিন্দাবাদ আদি ধ্বনি দিয়ে। ইপিনে প্ৰতিবাদী কাৰ্য্যসূচীৰ নেতৃত্ব দিয়া অসম প্ৰদেশ কংগ্ৰেছৰ অন্যতম সাধাৰণ সম্পাদক গৰ্জন মুছাহাৰী আৰু সম্পাদক ভৱনাথ নাথে সংবাদমাধ্যৰ আগত আৰক্ষীৰ ভূমিকাক তীব্ৰ সমালোচনা কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মুখৰ কথাই আইন নহয় বুলি মন্তব্য কৰি হিমন্ত বিশ্ব শৰ্মা, অমিত শ্বাহ, নৰেন্দ্ৰ মোডী মানেই দেশ নহয় বুলি মন্তব্য কৰিছে অসম প্ৰদেশ কংগ্ৰেছ অন্যতম সাধাৰণ সম্পাদক গৰ্জন মুছাহাৰীয়ে। আনহাতে অসম প্ৰদেশ কংগ্ৰেছৰ সম্পাদক ভৱনাথ নাথে কয় যে বিজেপিয়ে কৰিলে লীলা, কংগ্ৰেছে কৰিলে ধৰি বান্ধি কিলা নিয়ম প্ৰশাসনে পালন কৰি আহিছে। এয়া মুঠেই গ্ৰহণযোগ্য নহয় বুলি মন্তব্য কৰি ভৱনাথ নাথে কয় যে বিজেপিয়ে সংবিধান মোহাৰি পেলাইছে আৰু আমি সকলোৱে সংবিধান ৰক্ষা কৰি দেশ বচাব লাগিব। ৰাজ্যৰ প্ৰতিখন জিলা সদৰতে ভাৰতবৰ্ষৰ খছৰা সংবিধান প্ৰণেতাৰ অধ্যক্ষ ড° ভীমৰাও আম্বেদকাৰৰ প্ৰতি অমিত শ্বাহে কৰা অপমানসূচক মন্তব্যৰ প্ৰতিবাদত আজি প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হৈছে আৰু জিলা আয়ুক্তৰ জৰিয়তে ৰাষ্ট্ৰপতিলৈ স্মাৰকপত্ৰ প্ৰদান কৰা হৈছে বুলি সদৰি কৰিছে অসম প্ৰদেশ কংগ্ৰেছৰ সম্পাদক ভৱনাথ নাথে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## ডিজিটেল যুগৰ ভাষা আৰু ই-সংবাদ

নকৰে তেনেহ'লে তেনে ভাষাৰ বাবে টিকি থকাতো কঠিন হৈ পৰে। কথিত পৰা লিখিত, লিখিতৰ পৰা ছপা মাধ্যমত হৈ এতিয়া ডিজিটেল মাধ্যমতো চিৰ চেনেহী অসমীয়া ভাষাটোৱে মূৰ দাঙি থিয় হ'ব পৰা হৈছে। ভাষাটোৰ অস্তিত্বৰ বাবে প্ৰতিনিয়ত সংগ্ৰাম কৰি থাকিবলগীয়া সহস্ৰাধিক বছৰ পুৰণি ধ্ৰুপদী ভাষাটোৱে ক্ষুদ্ৰভাৱে হ'লেও এক স্বকীয় পৰিচয় ধৰি ৰাখিবলৈ সক্ষম হৈছে। অনেক অক্লান্ত কৰ্মীৰ প্ৰচেষ্টাৰ ফলতেই আজি ডিজিটেল মাধ্যমত অসমীয়া ভাষা বৰ্তি আছে, চৰ্চিত হৈ আছে আৰু মানুহক মানসিক প্ৰশান্তি দিছে। তেনে এক প্ৰচেষ্টাৰ নামেই হৈছে newsnextone.comৰ তৰফৰ প্ৰকাশিত অসমীয়া ই-দৈনিক কাকত "ই-সংবাদ"।

বিগত এটা বছৰৰো অধিককাল ইন্টাৰনেট সংস্কৰণত ই-সংবাদে অসমীয়া মানুহক হাতৰ টিপতে বাতৰিবোৰ দি আহিছে আৰু লগতে ৱেবচাইট মাধ্যমত ডিজিটেলত সকলো খবৰ খৰচি মাৰি নিউজ নেক্সট ৱান ডট কমে অসমীয়া ভাষাটোক আৰু অসমীয়াভাষীত লোকক সক্ৰিয় কৰি ৰাখিছে। ইয়াৰ বাবে এই পদক্ষেপৰ সৈতে জড়িত সকলো ব্যক্তি ধন্যবাদৰ পাত্ৰ।

ভাষা তথা সংবাদ মাধ্যম সম্পৰ্কীয় বিভিন্ন লেখাত এই লেখকে ডিজিটেল মাধ্যমত ভাষাৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি আহিছে। যি সময়ত বাংলা ভাষাই ইউনিকোডত (বিগত শতিকাৰ নব্বৈৰ দশকত) স্থান লাভ কৰি ডিজিটেলত আত্মপ্ৰকাশ কৰিছিল সেই সময়ত অসমীয়া ভাষাৰ লিপি কেৱল বাতৰি কাকত আৰু কিতাপৰ মাজত আৱদ্ধ আছিল। এই ডিজিটেল উপস্থিতি তথা ইউনিকোড সম্পৰ্কত অসমীয়া বৌদ্ধিক বা সাধাৰণ শ্ৰেণীৰ মাজত সজাগতা অহালৈ একবিংশ শতিকাৰ প্ৰথমটো দশক অতিক্ৰম কৰিছিল। অসমীয়া ভাষিক শিক্ষিতচামে বা সাধাৰণ শ্ৰেণীয়ে নিজ ভাষাৰ ডিজিটেল উপস্থিতিৰ প্ৰয়োজনীয়তাৰ কথা বুজি নোপোৱাৰ আঁৰত অৱশ্যে অসমৰ ৰাজনৈতিক-সামাজিক অনেক কাৰক আছিল। সেয়া বাৰু যিয়েই নহওক, দেৰিকৈ হ'লেও অসমীয়া ভাষাই এতিয়া সঠিকভাৱে ডিজিটেল উপস্থিতিৰ উমান দিবলৈ সক্ষম হৈছে।

এই ক্ষেত্ৰত কৰিবলৈ অনেক কাম বাকী আছে তথাপি সজাগতা মূল কথা। এই সজাগতা আনিবলৈ একাধিক অসমীয়া ভাষিক নিউজ পৰ্টেল, আলোচনীৰ উপস্থিতিয়ে এতিয়া দেশে-বিদেশে অসমীয়া ভাষাৰ চৰ্চা বৃদ্ধি কৰিছে। ইয়াৰ সমান্তৰালকৈ ভাষাটোৰ সংৰক্ষণৰ দিশতো অনেক কাম হৈছে। ডিজিটেল মাধ্যমত এতিয়া কৃত্ৰিম বুদ্ধিমত্তাৰ (Artificial Intelligence) যুগ। এনে সময়ত অসমীয়া ভাষাৰ লিপিৰ উপস্থিতিৰ লগতে কৃত্ৰিম বুদ্ধিমত্তাই অসমীয়া ভাষাটো কোৱাৰ কুচকাৱাজো আৰম্ভ হৈছে। এই ক্ষেত্ৰতো আমি সজাগ হোৱাৰ লগতে ভাষাৰ মাধুৰ্য্য অক্ষুণ্ণ ৰাখি সেয়া সঠিকভাৱে Metaverseত সংস্থাপন কৰাৰ ক্ষেত্ৰতো আমি কাম কৰিব লাগে।

অসমীয়া বাতৰি কাকতৰ আৰ্কাইভ প্ৰক্ৰিয়া যথেষ্ট দুৰ্বল। এতিয়াও আমি পুৰণি বাতৰি কাকতৰ কপী বিচাৰি হাবাথুৰি খাবলগীয়া হয়। ইতিহাসৰ পৰা আমি অনেক কথা শিকিব পাৰোঁ সেয়েহে যদিহে ৭০-৮০ৰ দশকত অসমত কি হৈছিল সেয়া বাতৰি কাকতবোৰত প্ৰকাশ পোৱা তথ্য আমি বা আমাৰ নৱ প্ৰজন্মই সহজেই ডিজিটেল মাধ্যমৰ পৰা ডাউনলোড কৰি পঢ়িব পাৰিলেহেঁতেন তেতিয়া এই প্ৰজন্মৰ সজাগতা ব্যতিক্ৰম হ'লহেঁতেন। এই ক্ষেত্ৰত অসমৰ আগশাৰীৰ সংবাদ প্ৰতিষ্ঠানে মুখ্য ভূমিকা পালন কৰিব লাগে।

কৰিবলৈ অনেক কাম আছে তথাপি newsnextone.comয়ে লোৱা নিৰলস প্ৰচেষ্টাক প্ৰশংসা নকৰি নোৱাৰি, এই প্ৰচেষ্টা যুগমীয়া হওক তাৰেই কামনা কৰিলোঁ। লগতে এই কাকতৰ সৈতে জড়িত হৈ থাকিবলৈ পোৱাটো এক সৌভাগ্য বুলিয়েই বিবেচনা কৰি এই কাকতৰ দীৰ্ঘায়ু কামনা কৰিলোঁ।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# অখিলৰ বৰঘৰত বিদ্ৰোহৰ অগনি! ছাত্ৰ মুক্তিত আগ্ৰাসন চলোৱাত সভাপতিৰ পদত্যাগ

**ই-সংবাদ, গুৱাহাটী, ২৪ ডিচেম্বৰঃ** অখিল গগৈয়ে ৰাজনৈতিক দল এৰি আহি ৰাইজৰ দল খুলি সক্ৰিয় ৰাজনীতি কৰিছে যদিও কৃষক মুক্তি সংগ্ৰাম সমিতি, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিত নিজ প্ৰভাৱ খটুৱাই আহিছে। আজিও দুয়োটা সংগঠনৰ একছত্ৰী সম্ৰাট হৈ দুয়োটা সংগঠন অখিল গগৈয়ে পৰিচালনা কৰি গৈছে। অখিল গগৈয়ে এটা সংগঠনৰ বাঘজৰী এৰি নিদি আগ্ৰাসন চলাই গৈছে। এই অভিযোগ আমাৰ নহয়। আজিও এনে অভিযোগকে উত্থাপন কৰিছে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সভাপতি দেৱব্ৰত শইকীয়াই। এই অভিযোগ উত্থাপন কৰি ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ সভাপতি পদ আৰু প্ৰাথমিক সদস্য পদ আজি আনুষ্ঠানিকভাৱে ঘোষণা কৰিছে দেৱব্ৰত শইকীয়াই। দেৱব্ৰত শইকীয়াই সংবাদমাধ্যমক দিয়া বিবৃতি অনুসৰি কয় যে ২০১২ চনৰ জন্মলগ্নৰ পৰা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ সৈতে জড়িত। বৰ্তমান সংগঠনটোৰ উপদেষ্টা অখিল গগৈয়ে সংগঠনটোক সংসদীয় ৰাজনৈতিক কামত ব্যৱহাৰ কৰিবলৈ লৈছে। ইয়াৰ প্ৰতিবাদত সংগঠনটোৰ পৰা পদত্যাগ কৰি বুলি উল্লেখ কৰিছে যুৱ নেতাগৰাকীয়ে। দেৱব্ৰত শইকীয়াই কয় যে ছাত্ৰ মুক্তি, কৃষক মুক্তিক ক্ৰমান্বয়ে দুৰ্বল কৰি নিঃশেষ কৰাৰ পৰিকল্পনা কৰা হৈছে। মই তাৰ বিৰোধ কৰি আহিছো বুলি কৈ অখিলৰ বৰঘৰত বিদ্ৰোহৰ অগনি আৰম্ভ কৰিছে। অখিল গগৈৰ ৰাজনৈতিক স্থিতি সদায়ে সলনি হৈ থকাৰ অভিযোগ উত্থাপন কৰি শইকীয়াই কয় যে এসময়ত অসমত সমাজবাদ প্ৰতিষ্ঠা কৰিব বুলি গাঁৱে-গাঁৱে মেল-মিটিং পাতি কৈ ফুৰিছিল অখিল গগৈয়ে। তাৰ পাছত জাতীয়তাবাদৰ জৰিয়তেহে অসমক বচাব পাৰি কবলৈ লয়। এতিয়া সংসদীয় ৰাজনীতিত সোমায় বুৰ্জোৱা ৰাজনীতিৰ পোষকতা কৰে। কোনো ধৰণৰ নীতি-নিয়ম নামনি যি মন যায় তাকে কৃষক মুক্তি, ছাত্ৰ মুক্তি অৰ্থাৎ গণ সংগঠনৰ সদস্যসমূহৰ দ্বাৰাই কৰাইছে। সংগঠনৰ নেতৃত্বই বাৰে বাৰে গণ সংগঠন আৰু ৰাজনৈতিক দলৰ মাজত এক স্পষ্ট নীতি তথা গাইডলাইন নিৰ্ধাৰণ কৰিবলৈ আহ্বান জনায় আহিছিল যদিও অখিল গগৈয়ে সেয়া সদায়ে আওকাণ কৰি আহিছে। যাৰ ফলত সংগঠনটোৰ বহু নেতা-কৰ্মী বৰ্তমান নিষ্ক্ৰিয় হৈ পৰিছে। নিজৰ জীৱনৰ বহু বছৰ সংগঠনটোৰ বাবে দিয়াৰ পাছতো অখিল গগৈয়ে ত্যাগক অৱজ্ঞা কৰি কৰ্মীসকলৰ কথা তথা মতক সদায়ে গুৰুত্বহীন কৰি আহিছে। জোৰকৈ সদস্যসকলৰ ওপৰত নিজৰ মত জাপি দি আহিছে। সংগঠনৰ ভিতৰৰ আভ্যন্তৰীণ গণতন্ত্ৰক অখিল গগৈয়ে কোনোদিন মনা নাই। আজিকালি গণ সংগঠন কেইটাৰ কৰ্মীক ৰাজনৈতিক মিটিংত মানুহ গোটাবলৈ আদেশ দিয়ে আৰু কেন্দ্ৰীয় তথা জিলা পৰ্যায়ৰ নেতাক নিৰ্বাচন খেলিব লাগিব বুলি একপ্ৰকাৰৰ টোপ দিয়াৰ কাম আৰম্ভ কৰিছে। এজন আদৰ্শবাদী আৰু আপোচবিহীন নেতা হিচাপে নিজকে জাহিৰ কৰা অখিল গগৈয়ে এতিয়া ক্ষমতাৰ কাৰণে সকলো আদৰ্শ বিসৰ্জন দি সকলো ধৰণৰ আপোচ কৰি হলেও মন্ত্ৰী-মুখ্যমন্ত্ৰী হোৱাৰ স্বপ্নত বিভোৰ হৈ পৰিছে। বিপৰীতে যিখিনি মানুহে এসময়ত অখিল গগৈৰ পিছে পিছে পদযাত্ৰা কৰি ফুৰিছিল তাৰ বহুতে এতিয়া দিন হজিৰা কৰি চলিবলগীয়া হৈছে বুলি গুৰুতৰ অভিযোগ আনিছে ছাত্ৰ মুক্তিৰ সভাপতি দেৱব্ৰত শইকীয়াই। সংগঠনটোৰ প্ৰথম কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহ সদস্য, পৰৱৰ্তী কালত সহকাৰী সম্পাদক (২০১৫-১৯) সাধাৰণ সম্পাদক (২০১৯-২১) আৰু দ্বিতীয় বাৰৰ বাবে সভাপতি (২০২১-২৪) হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। অখিল গগৈয়ে কেৱল মানুহক নিজৰ নাম-যশ ধৰি ৰাখিবৰ বাবে ব্যৱহাৰ কৰি পিছতদলিয়াই দিয়াত সিদ্ধহস্ত বুলিও কয় দেৱব্ৰত শইকীয়াই।

# কৰ্দৈগুৰি মধ্য ইংৰাজী বালিকা বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ সামৰণি




**ই-সংবাদ, ডুমডুমা, ২৪ ডিচেম্বৰঃ** তিনিচুকীয়া জিলাৰ ডুমডুমা ৰাজহ চক্ৰৰ অন্তৰ্গত ১৯৯৩ চনত ৰাইজে প্ৰতিষ্ঠা কৰা কৰ্দৈগুৰি মধ্য ইংৰাজী বালিকা বিদ্যালয় (সম্প্ৰতি কৰ্দৈগুৰি মধ্য-উচ্চ ইংৰাজী বালিকা বিদ্যালয়) ৰ ৰূপালী জয়ন্তী বৰ্ষৰ পৰিপূৰক ৩২ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ তিনিমহীয়া বিস্তৃত কাৰ্যসূচী সোমবাৰে সফল পৰিসমাপ্তি ঘটে। সামৰণি অনুষ্ঠানৰ পুৱাৰ ভাগত অঞ্চলটোৰ শিক্ষানুষ্ঠান সমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা এক আকৰ্ষণীয় শৈক্ষিক শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰাৰ শুভাৰম্ভ কৰে কৰ্দৈগুৰি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষা ৰূপামণি বৰগোহাঁইয়ে। শোভাযাত্ৰাত বিভিন্ন শিক্ষানুষ্ঠানসমূহৰ ছাত্ৰ-ছাত্ৰীসকলে নিজ নিজ বিদ্যালয়ে নিৰ্দিষ্ট কৰি দিয়া পৰিৱেশ সজাগতামূলক প্লে'কাৰ্ড প্ৰদৰ্শন আৰু শ্লʼগানেৰে অঞ্চলটোৰ বাট-পথ মুখৰিত কৰি তোলে। ইয়াৰ পাছতে প্ৰতিষ্ঠা দিৱস উদযাপন সমিতিৰ সভাপতি তাৰপ বৰুৱাৰ পৌৰহিত্যত অনুষ্ঠিত হোৱা মুকলি সভাত তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক, বিশিষ্ট শিক্ষাবিদ তথা ৰূপাই হাই স্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰকাশ দত্ত, বিশিষ্ট সাহিত্যিক তথা ঐতিহ্যমণ্ডিত ডাঙৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অসমীয়া বিষয়ৰ অৱসৰী বিষয় শিক্ষক তথা শেহতীয়াকৈ অসম চৰকাৰৰ সাহিত্য বঁটা প্ৰাপক শৰৎ চন্দ্ৰ চিৰিংফুকন, কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যাপক (ৰাজ্যিক বঁটাপ্ৰাপ্ত) কেশৱানন্দ হালৈ, বিদ্যালয়খনৰ অন্যতম প্ৰতিষ্ঠাপক ব্যক্তি সৰ্বেশ্বৰ শৰ্মা, অৱসৰপ্ৰাপ্ত শিক্ষক যতীন্দ্ৰনাথ মৰাণ, সদৌ অসম প্ৰাদেশিকীকৃত নিম্ন আৰু মধ্য ইংৰাজী বিদ্যালয় শিক্ষক (টিউটৰ) সংস্থাৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি পখীন্দ্ৰ ডেকা, সম্পাদক কৃষ্ণ প্ৰসাদ শৰ্মা, পেঙেৰীৰ ৰতনী পথাৰ প্ৰদীপ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক বলীন্দ্ৰ মহন্ত, শিক্ষক সৌমিত্ৰ গগৈ, ৰবীন পামে, তালাপ-কৰ্দৈগুৰি আঞ্চলিক মৰাণ ছাত্ৰ সন্থাৰ সভাপতি নিৰৱ মৰাণ, সম্পাদক বসন্ত মৰাণ , কৰ্দৈগুৰি আঞ্চলিক ক্ৰীড়া সন্থাৰ সম্পাদক অৰ্জুন মৰাণ উপস্থিত থাকে। বিশিষ্ট শিক্ষাবিদ প্ৰকাশ দত্তই বিদ্যালয়খনৰ পুথিভঁৰালৰ বাবে এখন " হেমকোষ " অভিধান আৰু বিশিষ্ট সাহিত্যিক শৰৎ চন্দ্ৰ চিৰিংফুকনে "মাকাম " গ্ৰন্থখন উপহাৰ হিচাপে আগবঢ়ায়। অনুষ্ঠানত মৰাণ জনগোষ্ঠীৰ বিহু প্ৰদৰ্শন কৰাৰ লগতে ছাত্ৰী সকলে নৃত্য প্ৰদৰ্শন কৰি অনুষ্ঠানটি জীপাল কৰি তোলে । মুকলি সভাৰ কাৰ্যসূচী তথা সমগ্ৰ অনুষ্ঠানৰ আঁত ধৰে বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক প্ৰদীপ কুমাৰ মৰাণে। উল্লেখ্য যে, যোৱা ২৩ অক্টোবৰত শুভাৰম্ভ হোৱাৰ দিনাই অন্যান্য বহু কাৰ্যসূচীৰ লগতে প্ৰাক্তন ছাত্ৰীসকলৰ সমাৰোহ অনুষ্ঠান অতি সুন্দৰকৈ ৰূপায়ণ হোৱাৰ লগতে দ্বিতীয় দিনাৰ কাৰ্যসূচী অনুসৰি ১৪ নৱেম্বৰত শিশু দিৱসৰ দিনা আন বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল।

# মাজুলীত জিলা কংগ্ৰেছৰ প্ৰতিবাদ

**ই-সংবাদ, মাজুলী, ২৪ ডিচেম্বৰঃ** স্বাধীন ভাৰতৰ সংবিধান প্ৰণেতা বাবাচাহেব ড০ ভীমৰাও আম্বেদকাৰৰ নাম লৈ উচ্চ সদনত দেশৰ গৃহমন্ত্ৰী অমৃত শ্বাহে ড০ আম্বেদকাৰক অপমান কৰি তেওঁলোকে প্ৰকাৰন্তে দেশৰ সংবিধান নাইকীয়া কৰাৰ যি ষড়যন্ত্ৰ ৰচনা কৰিছে তাৰ বহি প্ৰকাশ স্বয়ং দেশৰ গৃহ মন্ত্ৰীৰ বক্তব্যত সংসদ ভৱনত প্ৰকাশ পোৱাৰ লগে লগে দেশৰ দলিত, অন্যান্য পিছপৰা , অতি পিছ পৰা আৰু জনজাতীয় লোকসকলৰ মাজত দেখা পোৱা প্ৰতিবাদৰ সমান্তৰালকৈ কংগ্ৰেছকে মূখ্য কৰি দেশৰ বিৰোধী দল সমূহৰ মাজত তীব্ৰ প্ৰতিবাদ দেখা গৈছে। আজি সমগ্ৰ দেশৰ লগতে অসম প্ৰদেশ কংগ্ৰেছৰ নিৰ্দেশত জিলাই জিলাই সংবিধান ৰক্ষা আৰু অমৃত শ্বাহৰ পদত্যাগৰ দাবীৰে জিলা আয়ুক্তৰ জৰিয়তে ৰাষ্ট্ৰপতিলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে। ঠিক একে দৰে মাজুলী জিলা কংগ্ৰেছেও আজি বাবাচাহেব ড০ ভীমৰাও আম্বেদকাৰৰ প্ৰতিছবিত শ্ৰদ্ধাঞ্জলী জনাই "বাবাচাহেব আম্বেদকাৰ সন্মান মাৰ্চ " শীৰ্ষক এক ৰেলীৰে গড়মূৰ ৰাজীৱ ভৱনৰ পৰা জিলা আয়ুক্তৰ কাৰ্যালয়লৈ অমৃত শ্বাহে পদত্যাগ কৰক, দেশৰ সংবিধান ৰক্ষা কৰক, আম্বেদকাৰক সন্মান কৰক , বি জে পি চৰকাৰ হুচিয়াৰ, অমৃত শ্বাহে ক্ষমা খোজক আদি শ্ল'গানেৰে আকাশ বতাহ কপাই তুলে।প্ৰতিবাদৰ অন্তত জিলা আয়ুক্তৰ হৈ সহকাৰী আয়ুক্ত নেত্ৰকমল বৰাই স্মাৰক পত্ৰ গ্ৰহণ কৰে । জিলা কংগ্ৰেছৰ উপ সভাপতি অমল পূজাৰীয়ে স্মাৰক পত্ৰ খন পাঠ কৰে। আজিৰ কাৰ্যসূচীত প্ৰায় তিনি শতাধিক কৰ্মীৰ লগতে জিলা কংগ্ৰেছৰ সভাপতি কোযেশ্বৰ বৰা, উপ সভাপতি ক্ৰমে জীৱন দলে, অমল পূজাৰী, ৰানা পাংগিং, প্ৰদিপ পেগু, প্ৰশাসনীক সা:সম্পাদক দেৱকান্ত দাস, সা: সম্পাদক (সংগঠন) দিনমণি দত্ত, মাজুলী ব্লক কংগ্ৰেছৰ সভাপতি লক্ষ্য গায়ন, উজনি মাজুলী ব্লক কংগ্ৰেছৰ সভাপতি মহেন্দ্ৰ শইকীয়া , জিলা মহিলা কংগ্ৰেছৰ সভানেত্ৰী কমলালক্ষী পগাগ,ৰাজ্যিক উপ সভানেত্ৰী গীতাঞ্জলি বৰা ,যুৱ কংগ্ৰেছৰ সভাপতি টিংকু পাটিৰ, এছেম্বলী সভাপতি দধি গাম,সেৱাদলৰ সভাপতি জয়ন্ত মিলি ,এন.এছ.ইউ.আই ৰ সভাপতি অমিয় পগাগ , প্ৰাক্তন ৰাজ্যিক সাধাৰণ সম্পাদক ক্ৰমে ৰিংকু পায়েং আৰু লক্ষ্যজিত শইকীয়া ,জিলা কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ প্ৰণৱজ্যোতি বাৰিক, সামাজিক মাধ্যমৰ অধ্যক্ষ জীৱেশ্বৰ গাম, এছ.চি চেলৰ জিলা অধ্যক্ষ থানুৰাম দাস উজনি মাজুলী ব্লক কংগ্ৰেছৰ উপ সভাপতি সুভাষ পাটিৰ, অমৃত বৰা, প্ৰশাসনীক সা: সম্পাদক জিতুমন বৰা, সা: সম্পাদক ক্ৰমে দিন দাস, দেৱৰাজ দেউৰী, অৰূপ কামান, মাজুলী ব্লকৰ প্ৰশাসনীক সা: সম্পাদক বিজিত গাম, ক্ৰমে দিপেন ভৰালী আৰু ৰাজদ্বীপ পায়েং, সা: সম্পাদক নিৰ্মল ৰেগন,জিলা মহিলা কংগ্ৰেছৰ উপ সভানেত্ৰী ক্ৰমে পৰশমণি দাস, মৰমী গায়ন আৰু ফুলেশ্বৰী দেউৰী, সুৰভি বাৰিক, মাজুলী ব্লক মহিলা কংগ্ৰেছৰ সভানেত্ৰী দিপা দাস, উজনি ব্লকৰ প্ৰশাসনীক সাধাৰণ সম্পাদিকা ৰেখামনি বৰা,কোযকান্ত কটকী , অনিল দাস, ইয়ং বিগেদৰ ব্লক সভাপতি প্ৰভাত পেগু আদিৰ লগতে অন্যান্য কোষ বিভাগৰ সভাপতি আৰু বিষয়ববীয়াসকল, বিভিন্ন কমিটীৰ সম্পাদক তথা বিষয়ববীয়াসকল, সভাপতি সকল আৰু মহিলা কংগ্ৰেছৰ মণ্ডল সভানেত্ৰী সকল উপস্থিত থাকে।

## এঘৰীয়াকৰণ কাৰ্যৰ বিৰুদ্ধে থিয় দি বাক্সাৰ এখন গাঁৱৰ নিদৰ্শন

# চৰাইমাৰীৰ সমাজচ্যুত পৰিয়ালৰ কাষত গঞা ৰাইজ

**ই সংবাদ, মুছলপুৰ, ২৪ ডিচেম্বৰ:** বাক্সা জিলাৰ চৰাইমাৰীৰ পূৱ চুবুৰীত কৃষ্ণগুৰুত শৰণ লোৱাৰ অপৰাধতে বছৰ বছৰ ধৰি এঘৰীয়া কৰি ৰখা মৃত চানাৰাম দাসৰ পৰিয়ালৰ কাষত থকাৰ প্ৰতিশ্ৰুতি দিছে চৰাইমাৰীৰ গঞা ৰাইজে । উল্লেখ্য যে ধৰ্মীয় উপাসনাৰ পদ্ধতি সলনি কৰি কৃষ্ণগুৰু ধৰ্মত শৰণ লোৱাৰ অপৰাধতে পৰিয়ালটো তিনি দশক ধৰি সামাজিকভাৱে এঘৰীয়া হৈ আছিল । যোৱা ৭ ডিচেম্বৰত পৰিয়ালটোৰ মুৰব্বী চানাৰাম দাসৰ মৃত্যু হোৱাৰ পিচতো এঘৰীয়া হোৱা তথা জৰিমনা বিহাৰ ভয়তে কোনো ওচৰ-চুবুৰীয়া তথা গাঁৱখনত থকা চানাৰাম দাসৰ ভাতৃ পৰিয়ালৰ লোকো মৃতদেহ সৎকাৰৰ সময়ত উপস্থিত নাথাকিল । কিন্তু তাহানিৰ সেই নিয়ম নস্যাৎ কৰি বৰ্তমানৰ সমাজখনে আগবাঢ়ি আহিছে পৰিয়ালটোৰ কাষত । আজি চুবুৰীটোৰ সভাপতি প্ৰদীপ কলিতা আৰু স্থানীয় সচেতন যুৱক পুলিন দাসে সংবাদমেল সম্বোধন কৰি ভৱিষ্যতে চানাৰাম দাসৰ পৰিয়ালটোৰ ক্ষেত্ৰত থকা বাধা-নিষেধ তথা জৰিমনা বিহাৰ তথাকথিত নিয়ম প্ৰত্যাহাৰ কৰাৰ লগতে সকলো ভেদভাৱ প্ৰত্যাখ্যান কৰি পূৰ্বৰ দৰেই মিলাপ্ৰীতিৰে জীৱনযাত্ৰা আৰম্ভ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে । লগতে তেওঁলোকে কয় যে পৰিয়ালটো সন্দৰ্ভত একাংশ সংবাদমাধ্যমত কিছু ভুল ব্যাখ্যা হৈছে, যিবোৰ তাহানিতে আছিল যদিও বৰ্তমান এঘৰীয়াকৰণ ধৰণৰ কোনো ব্যৱস্থা প্ৰচলিত নহ'ব । ইয়াকে লৈ সুখী হয় চানাৰাম দাসৰ বৃদ্ধা পত্নী । উল্লেখ্য যে স্বামীৰ মৃত্যুৰ পাচত মানসিকভাৱে ভাগি পৰা চানাৰাম দাসৰ বৃদ্ধা পত্নী চাৰুবালা দাসে এঘৰীয়াকৰণ কাৰ্যৰ বিৰুদ্ধে চৰকাৰ তথা প্ৰশাসনৰ হস্তক্ষেপ বিচাৰি সংবাদ মাধ্যমৰ জৰিয়তে অনুৰোধ জনাইছিল ।



মৃদুল ইছলামৰ বাসগৃহত উপস্থিত হৈ অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে প্ৰদান কৰে ২৫লাখ টকাৰ চেক, ফটো মঙলবাৰৰ

# জালুকবাৰীত সাহিত্য অকাডেমি বঁটা প্ৰাপক ড০ দীপক কুমাৰ শৰ্মাক সম্বৰ্দ্ধনা

**ই-সংবাদ, গুৱাহাটী, ২৪ ডিচেম্বৰ:** আজি সদ্য ঘোষিত অতি সন্মানীয় সংস্কৃত ভাষাত সাহিত্য অকাডেমি বঁটা প্ৰাপক মহানগৰীৰ জালুকবাৰীৰ কৈলাশপুৰৰ বাসিন্দা, কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাপক তথা প্ৰাক্তন উপাচাৰ্য ড০ দীপক কুমাৰ শৰ্মাক নিজ বাসভৱনত "মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱৰ জীৱন-দৰ্শন অধ্যয়ন সমিতি, অসম"ৰ তৰফৰ পৰা বিপুল ভাৱে সম্বৰ্দ্ধনা জ্ঞাপন কৰে। জীৱন - দৰ্শন অধ্যয়ন সমিতিৰ প্ৰধান সম্পাদক, সাংবাদিক দীপক শৰ্মাই আত ধৰা অনুষ্ঠানত সমিতিৰ সভাপতি তথা ত্ৰিপুৰা কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, কোষাধ্যক্ষ তথা অৱসৰপ্ৰাপ্ত অধ্যক্ষ তাৰিণী কান্ত গোস্বামী, মুখপাত্ৰ শৈলেন তালুকদাৰ, কাৰ্যনিৰ্বাহ সদস্যা পুতুলী ঠাকুৰীয়া মেধিৰ লগতে হাজো সুৰেন দাস মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা ড০ মীনা দেৱীয়ে অংশগ্ৰহণ কৰে। সম্বৰ্দ্ধনা গ্ৰহণ কৰি ড০ দীপক কুমাৰ শৰ্মাই কয়- "আজি মই পৰম সন্তোষ পালোঁ। প্ৰতিজন মানুহে কাম কৰি যাব লাগে। এই সন্মানে মোক আৰু অধিক কাম কৰি যাবৰ প্ৰেৰণা যোগালে।" ড০ শৰ্মাই আৰু কয়- "নতুন প্ৰজন্মই সংস্কৃত ভাষা চৰ্চা কৰিব লাগে।সাহিত্যৰ পথাৰখন বৰ সৰল। মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱ গুৰুজনাৰ চিন্তা -চেতনা, দৰ্শন অতি সুন্দৰ।" সভাত অংশগ্ৰহণ কৰি ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই কয়- "ড০ দীপক কুমাৰ শৰ্মাৰ কৃতিত্বই আমাক মোহান্বিত কৰিলে।" ড০ শৰ্মাক ফুলাম গামোচা, কিতাপৰ টোপোলা, প্ৰশস্তি পত্ৰ আদিৰে সম্ভাষণ জনায়।

# ছিপাঝাৰত অগ্নিকাণ্ডত ভস্মীভূত ব্যৱসায়িক প্ৰতিষ্ঠান

**ই-সংবাদ , ছিপাঝাৰ , ২৪ ডিচেম্বৰঃ** দৰং জিলাৰ ছিপাঝাৰ মটৰ ষ্টেচনত আজি পুৱাৰ ভাগতে সংঘটিত এক ভয়াবহ অগ্নিকাণ্ডত পাঁচখনকৈ ব্যৱসায়িক প্ৰতিষ্ঠান ভস্মিভূত হয়। ঘটনাটোৰ প্ৰত্যক্ষদৰ্শীৰ বিবৰণী অনুসৰি ব্যৱসায়িক প্ৰতিষ্ঠান কেইখনৰ ওপৰেৰে যোৱা বিদ্যুৎ পৰিবাহী তাঁৰ এদাল চিঙি এখন দোকানৰ ওপৰত পৰে। ফলত মূহুৰ্ততে শ্বৰ্ট চাৰ্কিটৰ ফলত জুইত জাহ যায় ক্ৰমে লক্ষ্যধৰ ডেকা, কমলা দাস, মুনীন্দ্ৰ ডেকা, পুতুল ডেকা আৰু ৰমেশ ডেকাৰ মালিকানাধীন পাঁচ খনকৈ দোকান। ভস্মীভূত ব্যৱসায়িক প্ৰতিষ্ঠান কেইখনৰ ভিতৰত এখন জোতা-চেণ্ডেলৰ দোকান, এখন ছাইকেলৰ দোকান, এখন বেগৰ দোকান আৰু আন দুখন হ'ল হোটেল। অগ্নিকাণ্ডটোত কেইবা লক্ষ টকাৰ সম্পত্তি জাহ যায়। অগ্নিকাণ্ডৰ খবৰ পোৱা মাত্ৰেই ছিপাঝাৰ আৰক্ষী আৰু অগ্নি নিৰ্বাপক বাহিনী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনে।



সংস্কৃত ভাষাত সাহিত্য অকাডেমি বঁটা প্ৰাপক ড০ দীপক কুমাৰ শৰ্মাক সম্বৰ্দ্ধনা, মঙলবাৰে




ওদালগুৰি জিলা কংগ্ৰেছ কমিটীৰ উদ্যোগত সংবিধান প্ৰণেতা "বাবাচাহেব ভীমৰাও আম্বেদকাৰ সন্মান যাত্ৰা"

# মৈৰাবাৰীত ৰাষ্ট্ৰীয় কৃষক দিৱস উদযাপন

**ই-সংবাদ, মৈৰাবাৰী ২৪ ডিচেম্বৰঃ** সোমবাৰে মৈৰাবাৰী প্ৰেছ ক্লাৱৰ প্ৰেক্ষাগৃহত সদৌ অসম কনিষ্ঠ কৃষি বিষয়া সন্থাৰ পৃষ্ঠপোষকতাত বহুমুখী সেউজ বিপ্লৱী মঞ্চৰ উদ্যোগত মৰিগাঁও জিলা কৃষি বিভাগৰ সহযোগত প্ৰথম বাৰৰ বাবে "ৰাষ্ট্ৰীয় কৃষক দিৱস -২০২৪"অনুষ্ঠানটি সফলতাৰে সম্পন্ন হয়। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মৈৰাবাৰী কৃষি চক্ৰৰ জেষ্ঠ কৃষি উন্নয়ন বিষয়া শ্ৰী কিশোৰ কুমাৰ কলিতা ডাঙৰীয়া , বিশিষ্ট অতিথি হিচাপে এছ চি চিৰ ৰাজ্যিক সভাপতি ছাব্বিৰ হুছেইন ,মৈৰাবাৰী অসামাজিক কাৰ্য কলাপ প্ৰতিৰোধী কমিটীৰ সভাপতি অৱসৰপ্ৰাপ্ত শিক্ষক কমৰুল ইছলাম , সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে মৰিগাঁও জিলা ৱাৰিৱৰ্চৰ উপদেষ্টা, বহুমুখী সেউজ বিপ্লৱী মঞ্চৰ সমন্বয়ক মিচিৰা বেগম আৰু কৃষি পৰিদৰ্শক ছাহজান আলী আহমেদ। বহুমুখী সেউজ বিপ্লৱী মঞ্চৰ সভাপতি বদৰুজ জামান আকতাৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা অনুষ্ঠানটোত প্ৰায় শতাধিক সেউজ বিপ্লৱী প্ৰগতিশীল কৃষক অংশগ্ৰহণ কৰে। সভাখনত কৃষি উন্নয়ন বিষয়া কিশোৰ কুমাৰ কলিতাই কৃষি বিভাগে ৰূপায়ন কৰি অহা চৰকাৰী আঁচনি সম্পৰ্কে বহলাই ব্যাখ্যা কৰাৰ লগতে ফচল বীমা যোজনা,কৃষকৰ পঞ্জীয়নত কৃষকে অধিক গুৰুত্ব দিবলৈ আহ্বান জনায়।

# বিশ্বনাথত জিলা কংগ্ৰেছৰ নেতৃত্বত গণ সমদল কাৰ্যসূচী ৰূপায়ণ

**ই-সংবাদ, বিশ্বনাথ, ২৪ ডিচেম্বৰঃ** ৰাজ্যৰ ভিন্ন প্ৰান্তৰ দৰে বিশ্বনাথতো অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ নিৰ্দেশ মৰ্মে বিশ্বনাথ জিলা কংগ্ৰেছ কমিটিৰ কাৰ্যালয়ত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ড° বাবাচাহেব আম্বেদকাৰৰ বিষয়ে যি আপত্তিজনক আৰু অসন্মানজনক বক্তব্য আগবঢ়াইছে তাৰ বাবে তীব্ৰ বিৰোধিতা কৰিছে। এই কাৰ্যসূচীৰ জৰিয়তে অমিত শ্বাহৰ পদত্যাগৰ দাবী উৎথাপন কৰাৰ সিদ্ধান্ত মৰ্মে আম্বেদকাৰৰ উত্তৰাধিকাৰ ৰক্ষাৰ বাবে যুঁজখন শক্তিশালী কৰাৰ বাবে বিশ্বনাথ জিলা কংগ্ৰেছৰ দ্বাৰা জিলা সভাপতিৰ নিৰ্দেশত "বাবাচাহেব আম্বেদকাৰ সন্মান মাৰ্চ" আয়োজন কৰি প্ৰথমে ড০ আম্বেদকাৰৰ প্ৰতিমূৰ্তিত মাল্য অৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তাৰ পিছত বিশ্বনাথ জিলা কংগ্ৰেছ কমিটিৰ কাৰ্যালয়ৰ পৰা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ চৌহদত উপস্থিত হৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ বিৰুদ্ধে বিভিন্ন শ্লোগান প্ৰদৰ্শন কৰি জিলা আয়ুক্তৰ জৰিয়তে ভাৰতৰ ৰাষ্ট্ৰপতিলৈ এখন স্মাৰক পত্ৰ দাখিল কৰে।

# বিশ্বনাথ চাৰিআলিত পাৰ্ভৈ বাইপাছ পথৰ সমস্যা সম্পৰ্কে আলোচনা

**ই-সংবাদ, বিশ্বনাথ, ২৪ ডিচেম্বৰঃ** বিশ্বনাথৰ জনতাৰ যাতায়াতৰ বাবে ২০১৭ চনৰ পৰা কাম আৰম্ভ কৰা চাৰিলেনযুক্ত পথ এতিয়া ভালুকৰ সাঙীত পৰিণত হৈছে। বহু বিতৰ্কিত অৰুণাচল প্ৰদেশৰ টি কে ইঞ্জিনীয়াৰিঙে নিৰ্ধাৰিত সময়ত প্ৰকল্প সম্পূৰ্ণ কৰাত ব্যৰ্থ হোৱাত কামৰ পৰা ইতিমধ্যে অপসাৰিত হৈছে। দোলাবাৰীৰ পৰা জামুগুৰি আৰু বিশ্বনাথ চাৰিআলিৰ বুঢ়ীগাঙৰ পৰা গহপুৰলৈকে ফ'ৰলেনটো টি কে ইঞ্জিনীয়াৰিঙে সম্পূৰ্ণ কৰাত অৱহেলা কৰাৰ বাবে মুকলি কৰিব পৰা নগ'ল। যদিও প্ৰায় ৩৫০ কোটিটকীয়া পথটোৰ বৰ্তমান অৱস্থালৈ লক্ষ্য কৰিলে ইয়াৰ নিৰ্মাণ সম্পূৰ্ণ হ'বলৈ অতিকমেও ১-২ বছৰ প্ৰয়োজন হ'ব। তদুপৰি আন এক নিৰ্মাণকাৰী সংস্থাক নিৰ্মাণ সম্পূৰ্ণ কৰাৰ দায়িত্ব দিয়াত স্থানীয় ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে। ইফালে নিৰ্মিয়মান বাইপাচত ফলক লগাই বিশ্বনাথ আৰক্ষীয়ে দুৰ্ঘটনা ৰোধৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। কিন্তু বৰ্তমানেও উক্ত পথছোৱা ৰাইজৰ মৰণ ফান্দ হিচাপে পৰিগণিত হৈছে। যিহেতু সমাগত নৱবৰ্ষৰ সময়ত বনভোজ খাবলৈ ৰাইজে আৰম্ভ কৰিছে। তেনে সময়ত আজি হঠাৎ এন এচ আই ডি চি এল ৰ ফালৰপৰা শীৰ্ষ বিষয়াৰ এটা দলে এই পথৰ নিৰীক্ষণ কৰে। এই স্থানত জিলা আৰক্ষী অধীক্ষক সুভাশিষ বৰুৱা, জিলা অতিৰিক্ত আয়ুক্ত হৃদয় কুমাৰ দাস, অতিৰিক্ত আৰক্ষী অধীক্ষক কুলেন্দ্ৰ নাথ ডেকা সহিতে প্ৰেছ ক্লাবৰ উপদেষ্টা নিৰঞ্জন হাজৰিকাকে ধৰি বিভিন্ন জাতীয় সংগঠনৰ বিষয়ববীয়াৰ সৈতে বিশ্বনাথ চাৰিআলিৰ যি বাইপাছ পথ সেই পথতে বৈ ৰাইজৰ যি যাতায়াতৰ ব্যৱস্থা কেনেকৈ সমাধান হয় তাৰ বাবে সকলোৱে একেলগে আলোচনা কৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# ঋণ লৈ স্বাৱলম্বিতাৰ বাট বুলিছে কামপুৰৰ ১০গৰাকী মহিলাই

**ই-সংবাদ, কামপুৰ, ২৪ ডিচেম্বৰঃ** ৰাজ্যত নিবনুৱা সমস্যাই ভয়াবহ ৰূপ লোৱাৰ সময়তে কামপুৰৰ দহ গৰাকী গৰাকী মহিলাই নিজকৰ্মৰে দেখিছে স্বাৱলম্বিতাৰ বাট।কামপুৰৰ নতুন মাজআটি গাঁৱৰ "নিজৰা "আত্মসহায়ক গোটৰ মহিলা সকলে দীৰ্ঘদিন ধৰি ধূপ, আচাৰ, কাপোৰ বিক্ৰী কৰি নিজৰ পৰিয়াল পোহপাল দিয়াৰ লগতে দহজনৰ বাবে আদৰ্শ হৈ পৰিছে। ইতিমধ্যে গোটৰ এইসকল সদস্যাই চৰকাৰী অথবা বে-চৰকাৰী ভাৱে আয়োজন কৰা খাদ্যমেলাকে ধৰি বিভিন্ন ধৰনৰ কাৰ্যসূচীত অসমীয়াৰ খাদ্য সম্ভাৰ বিভিন্ন ধৰনৰ পিঠা লাৰু আদি প্ৰদৰ্শনৰ লগতে বিক্ৰী কৰি প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে।শেহতীয়াভাৱে গোটটোৱে কঠীয়াতলী উন্নয়ন খণ্ডৰ জৰিয়তে বেংকৰ পৰা প্ৰায় তিনিলাখ টকাৰ ঋণ লৈ টিনা ৰবি দাস নামৰ মহিলা গৰাকীয়ে এটা ধান খুন্দা মেচিন ক্ৰয় কৰাৰ লগতে বিভিন উন্নয়ন মূলক কামত হাত দিছে। এই ক্ষেত্ৰত কঠীয়াতলী উন্নয়ন খণ্ডৰ বিষয়া গৰাকীৰ লগতে কঠীয়াতলী উন্নয়ন খণ্ডৰ জীৱিকা অভিযান মিচন আৰু তেঁতেলী পঞ্চায়তৰ জীৱিকা সখীগৰাকীয়ে বিভিন্ন সময়ত গোটৰ বিভিন্ন সময়ত কৰ্মসূচীত সহায়-সহযোগ আগবঢ়োৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।লগতে মানুহে বিভিন্ন সময়ত লোৱা ঋণ সঠিক ব্যৱহাৰ কৰি সঠিক সময়ত ঋণ পৰিশোধ কৰিলে জীৱনত সফল হ'ব পাৰে বুলি মন্তব্য কৰে।



নগাঁও জিলা কংগ্ৰেছ কমিটীৰ উদ্যোগত সংবিধান প্ৰণেতা "বাবাচাহেব ভীমৰাও আম্বেদকাৰ সন্মান যাত্ৰা"

# মৰিগাঁৱৰ গোবিন্দ ভৱন গীত সত্ৰৰ সত্ৰাধিকাৰ ভোগেশ্বৰ বৰদলৈৰ মৃত্যু

**ই-সংবাদ, মৰিগাঁও, ২৪ ডিচেম্বৰ:** মৰিগাঁও চহৰৰ ঐতিহ্যমণ্ডিত গোবিন্দ ভৱন গীত সত্ৰৰ সত্ৰাধিকাৰ ভোগেশ্বৰ বৰদলৈৰ আজি পুৱতি নিশা নিজ বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৯ বছৰ।বাৰ্ধক্যজনিত কাৰণত দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকা বৰদলৈ কিছুদিন পূৰ্বে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ থকাৰ পিছত কালি মৰিগাঁৱত কোমোৰাগুৰীৰ নিজ বাসগৃহলৈ ঘূৰি আহিছিল। আজি পুৱাৰ ভাগত সত্ৰাধিকাৰ গৰাকীৰ মৃত্যুত খবৰ বিয়পি পৰাত সত্ৰৰ বিষয়ববীয়া সকলৰ লগতে বিভিন্ন জন লোক তেওঁৰ বাসগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। প্ৰয়াত বৰদলৈ মৰিগাঁও জিলা সত্ৰ মহাসভাৰ কাৰ্যকৰী সভাপতি হৈ থকাৰ উপৰিও বহুকেইটা অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত সক্ৰিয় ভাবে জৰিত আছিল। মৃত্যুত সময়ত তেওঁ পত্নীৰ, এজন পুত্ৰ আৰু দুগৰাকী কন্যা সন্তানৰ লগতে অজস্ৰ গুণমুগ্ধ ভকত-বৈষ্ণৱ এৰি থৈ যায়। এই ধৰ্মপ্ৰাণ ব্যক্তিগৰাকীৰ মৃত্যুত মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰী, অসম সত্ৰ মহাসভাৰ সম্পাদক প্ৰধান কুসুম কুমাৰ মহন্ত, মধ্য মণ্ডলৰ সম্পাদক ভদ্ৰেশ্বৰ ডেকা, মৰিগাঁও জিলা সত্ৰ মহাসভাৰ সম্পাদক বিমল চন্দ্ৰ বৰকাকতি, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় প্ৰচাৰ সমিতিৰ কাৰ্যকৰী সভাপতি অজিত শৰ্মা,অসম জাতীয় পৰিষদৰ মৰিগাঁও জিলা সমিতিৰ সভাপতি জয়ন্ত কুমাৰ ডেকা,গোবিন্দ ভৱন গীত সত্ৰৰ পৰিচালনা সমিতি,মৰিগাঁও জিলা আজু,মৰিগাঁও জিলা কলিতা ছাত্ৰ সন্থা বিশিষ্ট সমাজ কৰ্মী মিনতি শইকীয়া প্ৰমুখ্যে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ আৰু বিভিন্নজন ব্যক্তিয়ে গভীৰ শোক প্ৰকাশ কৰিছে।

# তুলসীবাৰীত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ

**ই-সংবাদ, ৰঙিয়া, ২৪ ডিচেম্বৰঃ** কামৰূপ জিলা সাংবাদিক সন্থাই ৰূপায়ণ কৰি অহা জনকল্যাণ কাৰ্যসূচীৰ অংশ হিচাবে আজি ৰঙিয়াৰ তুলসীবাৰী বহুমুখী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰা হয়।ৰেডক্ৰছ চ'ছাইটি -ৰঙিয়া, ৰঙিয়া প্ৰেছ ক্লাৱ আৰু তুলসীবাৰী বহুমুখী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত ৰূপায়িত শিবিৰৰ প্ৰাৰম্ভিক কাৰ্যসূচী হিচাবে বিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যী স্বাস্থ্য সজাগতামূলক ভাষণ ৰাখে কামৰূপ জিলা সাংবাদিক সন্থাৰ সভাপতি তথা ৰেডক্ৰছ চ'ছাইটিৰ যুটীয়া সম্পাদক প্ৰকাশ ডেকা, ৰেডক্ৰছ চ'ছাইটিৰ ৰঙিয়া জিলা সমিতিৰ সভাপতি-সম্পাদক ক্ৰমে ডাঃচফিকুল হক আৰু ডাঃখবিৰুদ্দিন আহমেদে। ভাষণ প্ৰসঙ্গত শৈক্ষিক উত্তোৰণৰ ক্ষেত্ৰত অধ্যয়নৰ সমান্তৰালভাৱে স্বাস্থ্য সচেতনতাৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা সন্দৰ্ভত আলোকপাত কৰা হয়। ইয়াৰ পিছতে অধ্যক্ষা গীতাৰাণী ডেকাই আদৰণি ভাষণৰে শিবিৰৰ শুভাৰম্ভ কৰে। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সমন্বিতে অঞ্চলটোৰ শতাধিক লোকে অংশগ্ৰহণ কৰা শিবিৰত ডাঃহেনান আশ্ৰাফী, ডাঃ খবিৰুদ্দিন আহমেদ আৰু ডাঃচফিকুল হকে স্বাস্থ্য সেৱা আইবঢ়ায়। ডেন্টি কিউৰ, এচ ডি ইলেক্ট্ৰনিক, উত্তৰণ, হট ডিজিয়াৰ কেৰিয়াৰ পাৱাৰৰ সহযোগিতাত ৰূপায়িত কাৰ্যসূচীত সমবেত লোকসকলৰ মধুমেহ, ৰক্তচাপ, দন্ত পৰীক্ষাকে ধৰি বিভিন্ন ৰোগৰ চিকিৎসা সেৱা আগবঢ়োৱা হয়। শিবিৰত ৰেডক্ৰছ চছাইটিৰ ৰঙিয়া জিলাৰ উপদেষ্টা ৰাণু চৌধুৰী, যুটীয়া সম্পাদক নজৰুল ইছলাম, সদস্য চামচুল হক, ৰাহুল নাথ, চামিম ইৰফানৰ লগতে স্বেচ্ছাসেৱী সংস্থা প্ৰয়াসৰ সভাপতি হৰেকৃষ্ণ কলিতা উপস্থিত থাকে।

# নগাঁৱত বীজ প্ৰমাণীকৰণৰ প্ৰশিক্ষণ আৰু বিশেষ সজাগতা সভা সম্পন্ন



**ই-সংবাদ, বেবেজীয়া, ২৪ ডিচেম্বৰঃ** অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাটৰ অধীনত ৰাষ্ট্ৰসংঘৰ বিশ্ব খাদ্য কাৰ্যসূচীৰ সহযোগত চলি থকা অসমত প্ৰকৃতিভিত্তিক সমাধান আৰু লিংগ পৰিৱৰ্তনমূলক পদ্ধতিৰ জৰিয়তে দুৰ্বল সম্প্ৰদায়ৰ জলবায়ু অভিযোজন বৃদ্ধি কৰা প্ৰকল্পৰ অংশ হিচাপে নগাঁও জিলাৰ পাখিমৰীয়া উন্নয়ন খণ্ডৰ ৪১নং হাতীগড় প্ৰাথমিক বিদ্যালয়ত আৰু কঠিয়াতলি উন্নয়ন খণ্ডৰ অন্তৰ্গত ননৈ চকৰি গাঁৱৰ বুঢ়া নামঘৰ প্ৰাংগণত সোমবাৰে 'বীজ প্ৰমাণীকৰণৰ ওপৰত প্ৰশিক্ষণ আৰু ধান সহযোগী পথাৰত বৰ্ধিত শস্যৰ তীব্ৰতা শীৰ্ষক' সজাগতা সভা অনুষ্ঠিত হয় । উক্ত প্ৰকল্পৰ জড়িয়তে চলিত বৰ্ষৰ জুন মাহৰ পৰা পৰিৱৰ্তিত জলবায়ুৰ লগত খাপ খোৱাকৈ আৰু কৃষকসকল লাভাম্বিত হোৱাকৈ নগাঁও জিলাৰ তিনিটা উন্নয়ন খণ্ড কঠিয়াতলী, পাখিমৰীয়া আৰু ৰহাত বিভিন্ন কাৰ্যপন্থা যেনে উন্নত মানদণ্ডৰ ধানৰ বীজ উৎপাদন, দ্বৈত কৃষি ব্যৱস্থা আৰু জলবায়ু অভিযোজন তথ্য কেন্দ্ৰ মুকলি কৰা হৈছে । উক্ত অনুষ্ঠানত উপস্থিত থাকি অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মাণ্ডলিক গৱেষণা কেন্দ্ৰৰ শস্য বিভাগৰ বিজ্ঞানী ড° বিনোদ কলিতাই ধান সহযোগী পথাৰত বৰ্ধিত শস্যৰ তীব্ৰতা সম্পৰ্কে ৰাইজক সজাগ কৰে। লগতে সভাত মূখ্য সমল ব্যক্তি হিচাপে উপস্থিত থাকি অসম জৈৱিক বীজ প্ৰমাণীকৰণ অভিকৰণৰ সহকাৰী বীজ প্ৰমাণীকৰণ বিষয়া শ্যামল মহন্তই কৃষক ৰাইজক বীজৰ প্ৰকাৰ, বীজ সংৰক্ষণ আৰু প্ৰমাণীকৰণৰ পদ্ধতিৰ বিষয়ে বিশদভাৱে ব্যাখ্যা কৰে। পাখিমৰীয়া আৰু কঠিয়াতলি উন্নয়ন খণ্ডৰ সহকাৰী প্ৰকল্প বিজ্ঞানী অন্তৰা শইকীয়া আৰু শিল্পী দেৱী বৰাই আঁত ধৰা অনুষ্ঠানত জলবায়ু অভিযোজন তথ্য কেন্দ্ৰত উপলব্ধ হ'বলগীয়া সেৱাসমূহ আৰু জলবায়ু স্থিতিস্থাপক প্ৰযুক্তিবিদ্যাসমূহৰ বিষয়েও কৃষকসকলক সজাগতা প্ৰদান কৰাৰ উপৰিও কৃষকসকলে যাতে সহজে কৃষি বতৰ সম্পৰ্কীয় যিকোনো তথ্য জলবায়ু অভিযোজন তথ্য কেন্দ্ৰৰ যোগেদি লাভ কৰিব পাৰে সময়াও অৱগত কৰা হয়। অৰ্ধ শতাধিক কৃষকৰ উপস্থিতিত আয়োজন কৰা উক্ত কাৰ্যসূচীত কৃষকসকলে উপস্থিত থাকি সদিচ্ছা প্ৰকাশ কৰাৰ লগতে ভৱিষ্যতেও সহযোগিতা আগবঢ়োৱাৰ আগ্ৰহ প্ৰকাশ কৰে।

# চকলাঘাটত আদৰ্শ অংগনবাড়ী কেন্দ্ৰৰ আধাৰশিলা

**ই-সংবাদ, বেবেজীয়া, ২৪ ডিচেম্বৰঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত শতবৰ্ষ গৰকা চকলাঘাট জে বি স্কুলৰ প্ৰাংগনত মঙলবাৰে এটা আদৰ্শ অংগনাবাড়ী কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰা হয় । তদুপলক্ষে উদ্যমী ব্যক্তি কল্যাণ কুমাৰ বৰাই আঁত ধৰা এক অনুষ্ঠানত হাতীচোং সাহিত্য সভা সমাজ সাংস্কৃতিক সমিতি চকলাঘাটৰ সভাপতি দেৱ কুমাৰ বৰা আৰু চকলাঘাট জে বি স্কুলৰ প্ৰধান শিক্ষক শিৱ প্ৰসাদ ভৰালীয়ে যুটীয়াভাৱে কেন্দ্ৰটিৰ আধাৰশিলা স্থাপন কৰে । গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত বিশিষ্ট সমাজকৰ্মী গম্ভীৰ শইকীয়া, ক্ষিতেশ্বৰ বৰা, অনন্ত শইকীয়া, অতুল শইকীয়া, উৎপল হাজৰিকা, যজ্ঞেশ্বৰ বৰা, গোবিন নাথ, ডিম্বেশ্বৰ ভূঞা, বিকাশ বৰা, সাংবাদিক জয়ন্ত মুদৈ, নাট্যকাৰ ধ্ৰুৱজ্যোতি বৰা, গৌতম শইকীয়া, বিকাশ মুদৈ, গাঁও প্ৰধান বিপুল বৰা, ভাগ্যলক্ষী বৰা, দুলুমনি হীৰা, কেশৱ বৰাকে ধৰি ভালে সংখ্যক লোক উপস্থিত থাকে । আদৰ্শ অংগনাবাদী কেন্দ্ৰটো বৃহত্তৰ অঞ্চলটো কন কন শিশুসকলৰ বাবে এক আকৰ্ষণৰ কেন্দ্ৰহৈ উঠিব বুলি সকলোৱে আশা প্ৰকাশ কৰিছে ।




যোৰহাট জিলা কংগ্ৰেছ কমিটীৰ উদ্যোগত সংবিধান প্ৰণেতা "বাবাচাহেব ভীমৰাও আম্বেদকাৰ সন্মান যাত্ৰা"

# মাটিয়াৰ বাকাইটাৰীত বন্যহস্তীৰ তাণ্ডৱ

**ই-সংবাদ, শিমলীতোলা,২৪ ডিচেম্বৰঃ** গোৱালপাৰা জিলাৰ পূৱ গোৱালপাৰা সমষ্টিৰ মাটিয়া থানাৰ অন্তৰ্গত বাকাইটাৰীৰ ৰায়াতপাৰা আৰু নাবিলা বাড়িত নিশা বনৰীয়া হাতীৰ জাকে প্ৰৱেশ কৰি ক্ৰমে মনোজ নাথ, ধনঞ্জয় নাথ, দিলিপ নাথ, প্ৰতাপ নাথ আৰু নিৰ্মল নাথৰ ঘৰৰ পকী দেৱাল ভঙাৰ লগতে বিভিন্ন আচবাব ভাঙি লণ্ড-ভণ্ড কৰে। পৰৱৰ্তী সময়ত বন বিভাগৰ দল আহি হাতীৰ জাকটোক খেদি পঠাবলৈ সক্ষম হয়। ভুক্তভোগী পৰিয়াল কেইটাই জীৱন-সম্পত্তিৰ নিৰাপত্তাৰ লগতে হাতী-মানুহৰ সংঘাত নোহোৱা কৰিবলৈ চৰকাৰক দাবী জনায়।

# গোলকগঞ্জ আৰক্ষীৰ বিৰুদ্ধে এজাহাৰৰ পাছতো অভিযুক্তক আটক নকৰাৰ অভিযোগ

**ই-সংবাদ, গোলকগঞ্জ, ২৪ ডিচেম্বৰঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত উত্তৰ ৰায়পুৰ তৃতীয় খণ্ড গাঁৱৰ পৰা যোৱা চৈধ্য ডিচেম্বৰৰ সন্ধিয়া এগৰাকী যুৱতীক দুই পিতা পুত্ৰই অপহৰণ কৰি বলাৎকাৰ কৰাৰ পিছত আৰক্ষীৰ সহযোগত পৰিয়ালৰ লোকক ঘুৰাই দিয়াৰ ঘটনা পোহৰ লৈ অহাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইপিনে আৰক্ষীৰ দাবী ধমকি অৱজ্ঞা কৰি গোলকগঞ্জ থানাত যুৱতীয়ে এজাহাৰ দিয়াৰ বাবেই আৰক্ষীয়ে অভিযুক্তক ৰক্ষণাবেক্ষণ দিয়াৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ মতে, উত্তৰ ৰায়পুৰ প্ৰথম খণ্ড উচিতাৰ ছিৰাজুল হকৰ সোতৰ বছৰীয়া পুত্ৰ গোল হক সেখৰ ভালপোৱাৰ সম্পৰ্ক হয় উত্তৰ ৰায়পুৰ প্ৰথম খণ্ড গাঁৱৰ এগৰাকী যুৱতীৰ লগত। সেই সুত্ৰে যুৱক জনৰ পিতৃ ছিৰাজুলে যুৱতীৰ পিতৃক দিয়ে বিয়াৰ প্ৰস্তাৱ। বিয়াৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰা বাবে চৈধ্য ডিচেম্বৰৰ সন্ধিয়া ছিৰাজুল আৰু তেওঁৰ পুত্ৰই ঘৰৰ কাষৰ পৰা যুৱতীগৰাকীক অপহৰণ কৰে। নিশা বিন্নাচৰাৰ এঘৰত ৰাখি পুত্ৰৰ হতুৱাই ধৰ্ষণ কৰে। সোতৰ ডিচেম্বৰত যুৱতীৰ পৰিয়ালৰ লোক সন্ধান উলিয়াব পাৰি গোলকগঞ্জ থানাত খবৰ দিয়ে। গোলকগঞ্জ আৰক্ষীয়ে এই সন্দৰ্ভত কোনো এজাহাৰ নলৈ ওলোটা যুৱতীৰ পিতৃক দাবী ধমকি দি খেদি পঠিয়ায় বুলি সাংবাদিকক সদৰি কৰে। যুৱতী গৰাকীক বিন্নাচৰাৰ গটেকৰ ঘৰত ৰাখে। ওঠৰ ডিচেম্বৰত আব্দুল ৰছিদ নামৰ এজন পঞ্চায়ত সদস্যৰ ঘৰত গোপনে বৈঠক হয়। বৈঠকত ষাঠি হাজাৰ টকা লৈ যুৱতীক ঘুৰাই লবলৈ পিতৃক কোৱা হয়। পিতৃ অমান্তি হৈ ঘৰত গুছি আহে। পিছদিনা ছিৰাজুলে যুৱতী গৰাকীক গোলকগঞ্জ থানাত জমা গতাই দিয়ে। ৰহস্যজনক ভাবে আৰক্ষীয়ে ছিৰাজুলক আটক কৰাৰ বিপৰীতে নিশা আঠ বজাত যুৱতীৰ ঘৰত গৈ ঘোৰ অপৰাধীৰ দৰে যুৱতীৰ পিতৃক উঠাই থানালৈ আনে। পিছত নিশা স্বাস্থ্য পৰীক্ষা কৰি পিতৃৰ লগত জোৰ জুলুম যুৱতী গৰাকীক পঠিয়াই দিয়ে। এই সন্দৰ্ভত এজাহাৰ নিদিবলৈ আৰক্ষীয়ে বিভিন্ন ভয় ভাবুকি প্ৰদান কৰে। তৎসত্বেও স্থানীয় সচেতন ৰাইজৰ লগত আলোচনা মৰ্মে যুৱতী গৰাকী পিতৃৰ সৈতে পুৱা এজাহাৰ দিব আহে যদিও ভাৰপ্ৰাপ্ত বিষয়াৰ সোঁহাত স্বৰূপ আৰক্ষী জোৱান সঞ্জীৱ দাস এজাহাৰ নলৈ পুনৰ দাবী ধমক দি ঘুৰাই পঠিয়ায়। পুত্ৰ কন্যাই থানাত উপস্থিত হৈ এজাহাৰ দাখিল কৰে যদিও আজি তিনি দিন উকলি যোৱাৰ পিছতো গা লৰা নাই গোলকগঞ্জ আৰক্ষীৰ।

# নগাঁও জিলা সমিতিৰ অধিৱেশনৰ আয়োজন

**ই-সংবাদ, বেবেজীয়া, ২৪ ডিচেম্বৰঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ দক্ষিণপাট উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত সমাগত নৱবৰ্ষৰ ২, ৩ আৰু ৪ জানুৱাৰীত তিনিদিনীয়া বিস্তৃত কাৰ্যক্ৰমণিকাৰে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিৰ দ্বাবিংশতিতম্ দ্বি-বাৰ্ষিক অধিৱেশনখনি দক্ষিণপাট আঞ্চলিক সমিতিৰ আতিথ্যত উদযাপনৰ দিহা কৰা হৈছে । এই মৰ্মে, লৱকান্ত শৰ্মাক সভাপতি, প্ৰতাপ সিংহক কাৰ্যকৰী সভাপতি, ক্ষীতিশ দাস আৰু নৱজ্যোতি বৰাক সম্পাদক হিচাপে লৈ এখনি শক্তিশালী অভ্যৰ্থনা সমিতি গঠনেৰে ব্যাপক প্ৰস্তুতি চলাই থকা হৈছে । প্ৰকাশিত কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱা আঠ বজাত সামূহিক চাফাইৰে অধিৱেশনখনিৰ কাৰ্যসূচীসমূহৰ পাতনি মেলাৰ পিছতে মূল তোৰণ মুকলি কৰিব দক্ষিণপাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা অনিতা লস্কৰে । পুৱা দহ বজাৰ পৰা অনুষ্ঠিত হ'ব লগা অসম বুৰঞ্জী বিষয়ক মুকলি কুইজ প্ৰতিযোগিতা উদ্বোধন কৰিব এ ডি পি কলেজৰ অধ্যক্ষ ড° সদানন্দ পায়েঙে আৰু ৰক্তদান শিবিৰ মুকলি কৰিব নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ ভুপেন বৰাই । সেইদৰে, বিয়লি দুই বজাত বঁটা বিতৰণী অনুষ্ঠান, চাৰি বজাত প্ৰতিনিধি শিবিৰ মুকলি আৰু সন্ধিয়া পাঁচ বজাত বন্তি প্ৰজ্বলন কৰা হ'ব । দ্বিতীয় দিনা পুৱা ন বজাত জিলা সমিতিৰ সভাপতি প্ৰাগজ্যোতিষ বণিয়াৰ দ্বাৰা পতাকা উত্তোলনৰ পিছতে শ্বহীদ তৰ্পন, স্মৃতি তৰ্পন আৰু সতীৰ্থ স্মৰণ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব । পুৱা দহ বজাত প্ৰতিনিধি পঞ্জীয়ন, এঘাৰ বজাত প্ৰতিনিধি সভাৰ প্ৰথম বৈঠক আৰু চাৰে এঘাৰ বজাতি চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব । বিয়লি দুই বজাত 'ছাত্ৰৰ শিক্ষণ আৰু আচৰণৰ ওপৰত সামাজিক মাধ্যমৰ প্ৰভাৱ' শীৰ্ষক বিষয়ত খনি আলোচনা চক্ৰ অনুষ্ঠিত হ'ব । বিয়লি বিষয়-বাচনি সভাৰ লগতে সন্ধিয়া বন্তি প্ৰজ্বলনৰ অন্তত অনুষ্ঠিত হ'ব লগা সংগীতানুষ্ঠান আৰু বিশেষ সম্বৰ্ধনা অনুষ্ঠান উদ্বোধন কৰিব ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসে । ইফালে, অন্তিম দিনা পুৱা সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য উপদেষ্টা ৰাণা প্ৰতাপ বৰুৱাই । বিয়লি তিনি বজাৰ পৰা জিলা সমিতিৰ সভাপতি প্ৰাগজ্যোতিষ বণিয়াৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা মুকলি সভাখনি উদ্বোধন কৰিব পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি পলাশ চাংমাইয়ে । উক্ত সভাতে স্মৃতিগ্ৰন্থ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন প্ৰধান সম্পাদক প্ৰফুল্ল চন্দ্ৰ বৰাই আৰু নগাঁও জিলাৰ মুখপত্ৰ 'জাতীয় চেতনা' জ্যেষ্ঠ সাংবাদিক কনক হাজৰিকাই উন্মোচন কৰিব । সন্ধিয়া বন্তি প্ৰজ্বলন আৰু বিশেষ সম্বৰ্ধনা অনুষ্ঠানৰ অন্তত নিশা আমন্ত্ৰিত শিল্পীৰ সংগীতানুষ্ঠান অনুষ্ঠিত হ'ব । নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই উদ্বোধন কৰিবলগীয়া অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী প্ৰাণদ্বীপ হাজৰিকাই সংগীতানুষ্ঠান পৰিৱেশন কৰিব বুলি পৰিষদৰ দক্ষিণপাট আঞ্চলিক সমিতিৰ সভাপতি ইজমত মৰীয়া আৰু সাধাৰণ সম্পাদক প্ৰণৱ শইকীয়াই জানিবলৈ দিছে ।

# অমিত শ্বাহৰ মন্তব্যৰ বিৰুদ্ধে ৰঙিয়াত কংগ্ৰেছৰ প্ৰতিবাদ

**ই-সংবাদ, ৰঙিয়া, ২৪ ডিচেম্বৰঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সদনত ভাৰতীয় সংবিধান প্ৰনেতা বি আৰ আম্বেদকাৰৰ প্ৰতি অপমান সূচক মন্তব্য আগবঢ়োৱাৰ অভিযোগ তুলি আজি ৰঙিয়াত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে কংগ্ৰেছ দলে। দলটোৰ কামৰূপ জিলা সমিতিৰ উদ্যোগত ৰঙিয়া ৰাজীৱ ভৱন প্ৰাংগণত তদুপলক্ষে অনুষ্ঠিত কৰা হয় প্ৰতিবাদী সভা। দলটোৰ ৰাষ্ট্ৰীয় সম্পাদক মনোজ চৌহানৰ উপস্থিতিত কামৰূপ সমিতিৰ সভাপতি কংকন দাসৰ সভাপতিত্বত অনুষ্ঠিত কৰা প্ৰতিবাদী সভাত কেবা শতাধিক দলীয় নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে। আনহাতে ছয়গাও সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদ, বকোৰ বিধায়িকা নন্দিতা দাসৰ লগতে কংগ্ৰেছ নেতা মতলেবুদ্দিন আহমেদ, বিবুলৰ ৰহমান, উদ্ধৱ দাস, মিলন চৌধুৰী, উজ্জ্বল লহকৰ, নৱ তালুকদাৰপ্ৰমুখ্যে নেতৃবৃন্দই অংশগ্ৰহণ কৰা সভাত কেন্দ্ৰীয় গৃহমন্ত্ৰী গৰাকীক চোকা সমালোচনা কৰে।

# শিৱসাগৰত গ্ৰামশক্তি পৰীক্ষাত উত্তীৰ্ণ হোৱা পৰীক্ষাৰ্থীৰ মাজত প্ৰমাণ-পত্ৰ বিতৰণ

**ই সংবাদ, গেলেকী, ২৪ ডিচেম্বৰঃ** গ্ৰামাঞ্চলৰ মহিলাসকলক বিত্তীয় স্বাক্ষৰতাৰ মাজেৰে স্বাৱলম্বী কৰাৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি আৰু ভাৰতবৰ্ষৰ আগশাৰীৰ সামাজিক অনুষ্ঠান ক্ৰিছিল ফাউণ্ডেচনৰ উদ্যোগত মই প্ৰগতি আঁচনিৰ জৰিয়তে অনুষ্ঠিত কৰা হৈছিল গ্ৰামশক্তি পৰীক্ষা। পৰীক্ষাত উত্তীৰ্ণ হোৱা সখিসকলৰ মাজত প্ৰমাণ-পত্ৰ বিতৰণ কৰা হয়। এই উপলক্ষে শিৱসাগৰৰ ভাৰতীয় জীৱন বীমাৰ কাৰ্যালয়ৰ সমীপত হোটেল কলিতা পেলেচত এখনি সভা অনুষ্ঠিত কৰা হয়। অনুষ্ঠানটিত হস্ততাঁত বস্ত্ৰ শিল্পকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিভাগৰ মুৰব্বী বিষয়া উপস্থিত থাকি বক্তৃতা প্ৰদান কৰে। অনাগত সময়ত এই সখিসকলে তেওঁলোকৰ অঞ্চলৰ ৰাইজ উপকৃত হোৱাকৈ কেনেধৰণৰ আঁচনি গ্ৰহণ কৰিব লাগে আৰু তাৰ বাবে কেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব লাগে এই বিষয়েও সভাত আলোচনা কৰা হয়। এই অনুষ্ঠানতে ৫০গৰাকী গ্ৰাম্য শক্তি পৰীক্ষাত উত্তীৰ্ণ সখিক প্ৰমাণ-পত্ৰ প্ৰদানৰ লগতে ফুলাম গামোচাৰে সম্বৰ্দ্ধনা জনোৱা হয়।

# মঙলদৈ জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলৰ অধীনত জল সেৱা বঁটা প্ৰদান

**ই-সংবাদ, মঙলদৈ, ২৪ ডিচেম্বৰঃ** জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মঙলদৈ সংমণ্ডলৰ অধীনত জল জীৱন মিছনৰ প্ৰসাৰ আৰু উন্নয়নৰ হকে নিষ্ঠাৰে কৰ্ম কৰি অহা দৰং জিলাৰ মুঠ ৭৪টা পানী যোগান আঁচনি পৰিচালনা সমিতি, ব্যক্তি, মহিলা গোট, সামাজিক গোট আদিক পুৰস্কাৰ প্ৰদান কৰা হয়। জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাগৃহত সোমবাৰে অনুষ্ঠিত বঁটা প্ৰদান অনুষ্ঠানত বঁটা প্ৰদান কৰি দৰঙৰ জিলা আয়ুক্ত পৰাগ কাকতিয়ে নিজৰ ভাষণত বঁটাপ্ৰাপকসকলক আৰু অধিক আদৰ্শ আৰু নিষ্ঠাৰে কাম কৰি যাবলৈ আৰু সকলো ভাল কামতে আগভাগ ল'বলৈ যুৱচামৰ প্ৰতি আহ্বান জনায়। তেওঁ জল জীৱন মিছন আৰু স্বচ্ছ ভাৰত মিছন এই দুয়োখন আঁচনিতে ৰাইজৰ সক্ৰিয় অংশগ্ৰহণৰ জৰিয়তে সফলভাৱে ৰূপায়ন কৰি তুলিবলৈ আহ্বান জনায়। অনুষ্ঠানটিত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা ফণীন্দ্ৰ মোচাহাৰীয়ে জল জীৱন মিছনৰ আঁচনিসমূহ দীৰ্ঘম্যাদী কৰিবৰ বাবে জলমিত্ৰ, জলগুৰুসকলৰ লগতে পানী পৰিচালনা সমিতি, এফ টি কে মহিলা গোট, চি এল এফ আদিয়ে লোৱা প্ৰচেষ্টাক প্ৰশংসা কৰাৰ লগতে ভৱিষ্যতেও সকলোৱে পৰা অধিক সহায়-সহযোগিতা কামনা কৰে। উক্ত অনুষ্ঠানত মঙলদৈ জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলৰ সহকাৰী কাৰ্যবাহী অভিযন্তা টিংকু কলিতা, সহকাৰী অভিযন্তা হীৰক ডেকা, জিলা পৰামৰ্শদাতা (এইচ আৰ ডি) ভূপেন হাজৰিকা উপস্থিত থাকে।

# পৰ্বতঝোৰাৰ ইউ পি পি এলৰ মহামায়া প্ৰাইমাৰী কমিটিৰ সদস্যৰ শপত

**ই-সংবাদ, পৰ্বতঝোৰা, ২৪ ডিচেম্বৰঃ** বিটিআৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা পৰিষদীয় সমষ্টিত ইউ পি পি এল দলৰ নতুনকৈ গঠন হোৱা মহামায়া প্ৰাইমাৰী কমিটিৰ সোমবাৰে শপত গ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হয়। উল্লেখ্য যে ইউ পি পি এল দলৰ নতুনকৈ গঠন হোৱা মহামায়া প্ৰাইমাৰী কমিটিৰ ৰাজকমল সাহাক সভাপতি, সঞ্জাব আলী শেখক সম্পাদক হিচাপে লৈ ২১জনীয়া কমিটিৰ শপত গ্ৰহণ কৰোৱা হয়। পৰ্বতঝোৰাৰ প্ৰতিটো কমিটিৰ বিভিন্ন পৰ্যায়ত সাংগঠনিক ভেটি শক্তিশালী ৰূপত গঢ় দিয়াৰ উদ্দেশ্যে জিলা কমিটিৰ নিৰ্দেশ অনুসৰি মহামায়া প্ৰাইমাৰী কমিটিখন নতুনকৈ গঠন কৰা হয়। শপত গ্ৰহণ কাৰ্যসূচীত পৰ্বতঝোৰা জিলা ইউ পি পি এল দলৰ সভাপতি প্ৰসেন কুমাৰ ব্ৰহ্ম, সাধাৰণ সম্পাদক ছেলিম আহমেদ খান, জহলাদ ব্ৰহ্ম, মহামায়া ভিচিডিছিৰ সভাপতি আব্দুছ কালাম তালুককে আদি কৰি বিভিন্ন পৰ্যায়ৰ নেতৃবৃন্দ উপস্থিত থাকে। অনুষ্ঠানত অংশগ্ৰহণ কৰি জিলা সভাপতি প্ৰসেন কুমাৰ ব্ৰহ্মাই উল্লেখ কৰে যে এইখন কমিটিয়ে ৰাইজৰ মাজত গৈ অধিক আগ্ৰহেৰে কাম কৰিব।

# গহপুৰৰ টকৌবাৰীত জৰাজীৰ্ণ কাঠৰ দলঙে জীয়াতু ভোগাইছে ৰাইজক

**ই-সংবাদ, গহপুৰ, ২৪ ডিচেম্বৰঃ** ৰাজ্য চৰকাৰৰ উন্নয়নৰ ফোপোলাস্বৰূপ উদঙাইছে গহপুৰ সমষ্টিৰ টকৌবাৰী পঞ্চায়তৰ অন্তৰ্গত ৰঙাজান গাঁৱৰ ৫ নম্বৰ ৱাৰ্ডৰ এখন জৰাজীৰ্ণ কাঠৰ দলঙে। গাওঁবাসীয়ে নিতৌ ভয়-শংকাৰ মাজেৰে উক্ত দলঙেৰে যাতায়ত কৰিব লগা হয়। ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ নিচেই কাষতে আছে এই জৰাজীৰ্ণ দলংখন। ৰঙাজান গাৱঁৰ সহস্ৰাধিক ছাত্ৰ-ছাত্ৰী বিদ্যালয়লৈ অহা-যোৱা কৰে এই দলংখনৰ ওপৰেদি। উক্ত দলঙেৰে অহা-যোৱা কৰোঁতে প্ৰায়ে সৰু-বৰ দুৰ্ঘটনা সংঘটিত হৈছে। আঘাতপ্ৰাপ্ত হ'বলগীয়া হয় শিশু-বৃদ্ধও। কিন্তু ইমানৰ পাছতো কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে সংশ্লিষ্ট বিভাগ তথা স্থানীয় জনপ্ৰতিনিধিয়ে। আনহাতে জৰাজীৰ্ণ কাঠৰ দলংখনৰ বাবে ৰাইজে ভুগি অহা দুৰৱস্থাৰ বিষয়ে চৰকাৰে এবাৰ সুদৃষ্টি নিক্ষেপ কৰি শীঘ্ৰে দলংখন স্থায়ীভৱে নিৰ্মাণ কৰিবলৈ অনুৰোধ জনাইছে স্থানীয় ৰাইজে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# দক্ষ খেলুৱৈ, নাট্যকাৰ ধৰণীধৰ কেওঁটৰ আকস্মিক বিয়োগ

**ই-সংবাদ, বাইহাটা চাৰিআলি, ২৪ ডিচেম্বৰঃ** কামৰূপ জিলাৰ বৰহাজাৰা গাওঁ নিবাসী ধৰণীধৰ কেওঁটৰ যোৱা নিশা আকস্মিক ভাৱে বিয়োগ ঘটে। এসময়ৰ উ: পূৰ কামৰূপৰ এজন দক্ষ ফুটবল আৰু ভলীবল খেলুৱৈ তথা নাট্যকাৰ ধৰণীধৰ কেওঁটৰ হৃদৰোগত আক্ৰান্ত হৈ আকস্মিক বিয়োগ হোৱা বুলি পৰিয়ালে অৱগত কৰিছে । মৃত্যুৰ সময়ত কেওঁটে পত্নীৰ লগতে সৈতে ছয় পুত্ৰ-বোৱাৰী আৰু এগৰাকী জী-জোৱাই,নাতি-নাতিনী ইহঁসংসাৰত এৰি যায় । এসময়ৰ বেজেৰা হাইস্কুলৰ ছাত্ৰ ধৰণীধৰ কেওঁটৰ মৃত্যুৰ সময়ত বয়স আছিল ৮৫ বছৰ । কেওঁটৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি শোকাতুৰ পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে বেজেৰা উঃমাঃ বিদ্যালয়ৰ মহাৰজত জয়ন্তী উদযাপন সমিতিৰ লগতে একাংশ প্ৰাক্তন সতীৰ্থয়। উল্লেখযোগ্য যে ধৰণীধৰ কেওঁট বেজেৰা উঃমাঃ বিদ্যালয়ৰ মহাৰজত জয়ন্তী উৎসৱৰ সামৰণি অনুষ্ঠানত ৭৫ খন পতাকা উত্তোলন কাৰ্যসূচীৰ এগৰাকী অন্যতম উত্তোলক আছিল ।

# বিলাসীপাৰাত অসম গণ পৰিষদৰ কৰ্মী সভা

**ই-সংবাদ, বিলাসীপাৰা, ২৪ ডিচেম্বৰঃ** আগন্তুক পঞ্চায়ত নিৰ্বাচনক কেন্দ্ৰ কৰি বিলাসীপাৰাৰ প্ৰতিমা বৰুৱা পাণ্ডে প্ৰেক্ষাগৃহত সোমবাৰে বিলাসীপাৰা নগৰ সমিতিৰ উদ্যোগত অসম গণ পৰিষদ দলৰ এখন কৰ্মী সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে অগপ দলৰ বিলাসীপাৰা বিধান পৰিষদৰ সভাপতি অমৰেন্দ্ৰ নাথ দেৱে। উক্ত সভাত মুখ্য অতিথি হিচাপে অগপ দলৰ কেন্দ্ৰীয় উপ-সভাপতিদ্বয় অপূৰ্ব কুমাৰ ভট্টাচাৰ্য আৰু প্ৰশান্ত কুমাৰ বৰুৱা, কেন্দ্ৰীয় সাধাৰণ সম্পাদক ভুপেন ৰায়, অগপ দলৰ বিলাসীপাৰা বিধান পৰিষদৰ ভিন্ন পৰ্যায়ৰ নেতা-কৰ্মী উপস্থিত থাকি আগন্তুক পঞ্চায়ত নিৰ্বাচন আৰু দলৰ সাংগঠনিক দিশ মজুত কৰাৰ উদ্দেশ্য বিস্তাৰিত ভাষণ প্ৰদান কৰে। উক্ত সভাত অগপ দলৰ বিলাসীপাৰা বিধান পৰিষদৰ প্ৰায় পাঁচ শতাধিকৰো অধিক কৰ্মীসকল উপস্থিত থাকি সভা সফল কৰে।



গুৱাহাটীত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ উদ্যোগত আয়োজিত বাবাছাহেব আম্বেদকাৰৰ সন্মান যাত্ৰা

# অৱসৰী শিক্ষক দীনবন্ধু ঠাকুৰীয়াক আপকুৰ সম্বৰ্ধনা

**ই-সংবাদ, নগৰবেৰা, ২৪ ডিচেম্বৰঃ** আসাম প্ৰেছ ক'ৰেছপণ্ডেন্টছ ইউনিয়ন (আপকু)ৰ কামৰূপ জিলা সমিতিৰ ১৫সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশন আৰু সম্বৰ্ধনা সভা দেওবাৰে জিলাখনৰ সোণতলীত অনুষ্ঠিত হৈ যায়। সভাত আপকুৱে জিলাখনৰ বিভিন্ন প্ৰান্তৰ বহু কেইগৰাকী বিশিষ্ট ব্যক্তিৰ লগতে নগৰবেৰাৰ অৱসৰপ্ৰাপ্ত শিক্ষক দীনবন্ধু ঠাকুৰীয়াক সম্বৰ্ধনা জনায়। আপকুৰ কামৰূপ জিলা সমিতিৰ সভাপতি হাছানুল আহমেদৰ সঞ্চালনাত অনুষ্ঠিত মুকলি আৰু সম্বৰ্ধনা সভাত মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াৰ পিতৃ দীনবন্ধু ঠাকুৰীয়াক সম্বৰ্ধনা জনোৱা হয়।

# গোৱালপাৰাৰ বাকাইটাৰীত বন্যহস্তীৰ ত্ৰাস

**ই-সংবাদ, ধূপধৰা, ২৪ ডিচেম্বৰঃ** গোৱালপাৰা জিলাৰ বাকাইটাৰীত কালি নিশা এজাক বন্যহস্তীয়ে বিস্তৰ ক্ষতিসাধন কৰে । বাকাইটাৰী গাঁওৰ নবিলাবড়ী- ৰায়তপাৰা অঞ্চলত নিশাৰ ভাগত মুক্ত বিচৰণ কৰি থকা বন্যহস্তীৰ জাকটো প্ৰবেশ কৰি ঘৰ-দুৱাৰ, গছ-গছনি ভাঙি তহিলং কৰে । জানিব পৰামতে নবিলাবড়ী-ৰায়তপাৰাৰ ৮টা ঘৰ ভাঙি বিস্তৰ ক্ষতিসাধন কৰে । প্ৰতাপ নাথৰ ২টা, দীলিপ নাথ, শচীৰ দাস, মনোজ নাথ, নৰেন নাথ, ধনঞ্জয় নাথ, নিৰ্মল নাথ, কৃষ্ণমোহন নাথৰ ১টা কৈ গৃহ ভাঙি-চিঙি বিস্তৰ ক্ষতিসাধন কৰে । ইয়াৰ পিছতে কাৰিপাৰাৰ তপন নাথৰ ধানৰ মিল এটাৰো বিস্তৰ ক্ষতিসাধন কৰে ২৫/৩০ জনীয়া হাতীৰ জাকটোৱে। বৰ্তমানেও উক্ত অঞ্চলটোত আতংকময় পৰিবেশৰ সৃষ্টি হৈ আছে । ইফালে জিলাখনৰ বিভিন্ন প্ৰান্তৰ লগতে পূব গোৱালপাৰা মাটিয়া- মৰনৈ অঞ্চলত বিগত কিছুদিনৰে পৰা বন্যহস্তীৰ তাণ্ডৱ চলোৱা পৰিলক্ষিত হৈছে । মেঘালয়ৰ গাৰো পাহাৰৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা কেবাটাও বনৰীয়া হাতীৰ জাক বিগত দুই মাহৰ পৰাই গোৱালপাৰা দহিকটা বনাঞ্চলত অৱস্থান গ্ৰহণ কৰি মুক্ত বিচৰণ কৰি আহিছে । ফলত অঞ্চলটোৰ খেতিয়ক ৰাইজৰ ঘৰ-বাৰী, গছ-গছনি, ধাননি, শাকনিবাৰীৰ ক্ষতিগ্ৰস্ত হৈছে । আনহাতে বিগত দুটা বছৰত জিলাখনৰ বিভিন্ন ঠাইত বহু লোকৰ মৃত্যু হৈছে হাতীৰ আক্ৰমণত, সমান্তৰালভাৱে মৃত্যুমুখত পৰিছে বহু বন্যহস্তীও । উল্লেখ্য যে, একে নিশাই জিলাখনৰ কৃষ্ণাইৰ হাৰীমুৰা অঞ্চলত অন্য এটা হাতীৰ জাকে ভাঙি লণ্ড-ভণ্ড কৰে কেইবাটাও বাসগৃহ।

# তামুলপুৰত চিলাই মেচিনৰ প্ৰশিক্ষণৰ শুভাৰম্ভ

**ই-সংবাদ, তামুলপুৰ, ২৪ ডিচেম্বৰঃ** ২৪ নম্বৰ বাহিনী এছএছবি ৰঙিয়াৰ কামাণ্ডেন্ট দীপক সিঙৰ নিৰ্দেশনাত "উত্তৰ-পূব নাগৰিক কল্যাণ কাৰ্যসূচী"ৰ অধীনত তামুলপুৰত "কেৰিয়াৰ ইনফো" প্ৰশিক্ষণ কেন্দ্ৰৰ সহযোগত আজি ৩০ দিনীয়া চিলাই প্ৰশিক্ষণৰ শুভ উদ্বোধন কৰা হয়। উক্ত চিলাই পাঠ্যক্ৰমৰ সময়ত, সীমান্ত অঞ্চলৰ ২৫ গৰাকী যুৱতী মহিলাক বিভিন্ন প্ৰকাৰৰ চিলাইৰ প্ৰশিক্ষণ দিয়া হ'ব। আজিৰ এই চিলাই প্ৰশিক্ষণ পাঠ্যক্ৰম"ৰ শুভ উদ্বোধন কৰে ২৪ নম্বৰ বাহিনী এছএছবি ৰঙিয়াৰ উপ কামাণ্ডেন্ট বিশ্বনাথ মিশ্ৰয়। প্ৰশিক্ষণৰ কাৰ্যসূচী উদ্বোধন কৰি শিক্ষাৰ্থীসকলকউদ্দেশ্যী তেওঁ চিলাইৰ বিভিন্ন লাভালাভৰ বিষয়ে কোৱাৰ লগতে ঘৰুৱা প্ৰয়োজনীয়তাৰ লগতে বৰ্তমান ই এক অতি লাভজনক বিষয় বুলিও মন্তব্য কৰে। এইক্ষেত্ৰত ২৪ নম্বৰ বাহিনী এছএছবিয়ে বিভিন্ন সময়ত যুৱক-যুৱতী, মহিলাসকলক স্বাৱলম্বী কৰাৰ স্বাৰ্থত এনেধৰণৰ লাভজনক বিষয়ৰ প্ৰশিক্ষণ দি আহিছে। উল্লেখ্য যে-- ২৪ নম্বৰ বাহিনী এছএছবি ৰঙিয়াই নাগৰিক/শিক্ষাৰ্থীসকলৰ উজ্জ্বল ভৱিষ্যতৰ বাবে সীমান্ত অঞ্চলৰ নাগৰিকসকলক স্বাৱলম্বী আৰু আৰ্থিকভাৱে সক্ষম কৰি দেশখন নিৰন্তৰভাৱে আগবঢ়াই লৈ যাবলৈ অহৰহ চেষ্টা অব্যাহত ৰাখিছে। সুদূৰ ভৱিষ্যতে এছএছবিৰ এনেধৰণৰ কাৰ্যসূচী অব্যাহত থাকিব বুলিও উল্লেখ কৰি তেওঁ আকৌ কয় যে-- আমাৰ মূলমন্ত্ৰ হৈছে সেৱা, নিৰাপত্তা আৰু ভ্ৰাতৃত্ব, আমি সদায় সীমান্ত অঞ্চলৰ নাগৰিকৰ কল্যাণৰ বাবে সাজু থাকিম আৰু সৰ্বশ্ৰেষ্ঠ প্ৰয়াস কৰিম। আজিৰ এই কাৰ্যসূচীত উপস্থিত থকা সীমান্তৱৰ্তী প্ৰশিক্ষাৰ্থীসকল উৎসাহিত হোৱাৰ লগতে ২৪ নম্বৰ বাহিনী ৰঙিয়া এছএছবিৰ এনেধৰণৰ কাৰ্যসূচীক প্ৰশংসা কৰে। আজিৰ এই চিলাই প্ৰশিক্ষণ শুভাৰম্ভণি অনুষ্ঠানটোত ২৪ নম্বৰ বাহিনী এছএছবি ৰঙিয়াৰ কেইবাগৰাকীও জোৱান উপস্থিত আছিল।

# মৰিয়নিৰ চেলেংহাটত ৪১ সংখ্যক পূৰ্বাঞ্চল তাই সাহিত্য সভা অধিৱেশনৰ প্ৰস্তুতি

**ই-সংবাদ, মৰিয়নি, ২৪ ডিচেম্বৰঃ** যোৰহাট জিলাৰ উত্তৰ পূবত অৱস্থিত অসম লগালেণ্ড সীমান্তবৰ্তী চেলেংহাটৰ ডামচাও তিলক গগৈ ক্ষেত্ৰত অহা ইংৰাজী ২৭ ডিচেম্বৰৰ পৰা তিনি দিনীয়া বৰ্ণাঢ্য কাৰ্য্যসূচীৰে অনুষ্ঠিত হ'ব পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ ৪১ সংখ্যক দ্বি বাৰ্ষিক অধিবেশন। এই উপলক্ষে এতিয়া চেলেংহাটত উদুলি মুদলি পৰিবেশ। ইতিমধ্যে অভ্যৰ্থনা সমিতিয়ে সুকলমে অধিবেশন খন অনুষ্ঠিত কৰিবলৈ যুদ্ধকালীন প্ৰস্তুতি চলাইছে। অধিবেশনৰ কাৰ্যসূচী অনুসৰি প্ৰথম দিনা দিনৰ ১ বজাত খেক বান ফি আৰু সন্ধিয়া ৬ বজাত আওলা জন মিং অনুষ্ঠিত হব। দ্বিতীয় দিনা পুৱা ৯বজাত প্ৰতিনিধি পঞ্জীয়ন, পুৱা ৯.৩০ বজাত ফুৰালুং অনুষ্ঠান, পুৱা ১১ বজাত প্ৰতিনিধি শিবিৰ উদ্বোধন আৰু প্ৰদৰ্শনী আৰু গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন, দিনৰ ১ বজাত প্ৰতিনিধি সভা, বিয়লি ৫ বজাত বুৰঞ্জীমূলক আলোচনাচক্ৰ, সন্ধিয়া ৬ বজাত প্ৰথম মুকলি সভা, আৰু সন্ধিয়া সাংস্কৃতিক সন্ধিয়া অনুষ্ঠানত স্থানীয় শিল্পীৰ লগতে আমন্ত্ৰিত শিল্পী হিচাপে জ্যোতিমালা বুঢ়াগোহাঁইয়ে গীত পৰিবেশন কৰিব। দিনত অনুষ্ঠিত হব লগা বুৰঞ্জী সন্মিলনত বহুকেইজন প্ৰখ্যাত ইতিহাসবিদে অংশগ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে। শেষৰ দিনা খ্ৰীঙফা উত্তোলন কাৰ্যসূচীত ৫০০ গৰাকী যুবতী আৰু মহিলাই ম' খাম ফান টাই মীঙ পৰিবেশন কৰিব। ইয়াৰ পিছতে বজাত স্মৃতি তৰ্পণ, সাংস্কৃতিক শোভাযাত্ৰা,দ্বিতীয় মুকলি সভা আৰু নিশা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানত গীত পৰিবেশন কৰিব বিশেষভাৱে আমন্ত্ৰিত মীৰ দ্বীপে। উল্লেখযোগ্য শেষৰ দিনা দিনৰ ভাগত ১০০০ যুৱতীয়ে টাই গীতত নৃত্য পৰিবেশন কৰিব।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# কিশোৰীক অপহৰণ, ধৰ্ষণৰ অভিযোগ

**ই-সংবাদ, ২৪ ডিচেম্বৰঃ** সমাজ আজি কোন দিশে গতি কৰিছে। ৰাজনীতিৰ বৰমূৰীয়াকে ধৰি সমাজৰ নেতৃত্ব লৈ তকা মানুহবোৰে কটা-মৰাৰ কৈ থকাৰ সময়তে সামাজিক আবহাৱা সলনি হ'বলৈ ধৰিছে। সমাজ সংস্কাৰৰ চৰ্চাৰ পৰিবৰ্তে একাংশ লোকৰ হিংসুক কথা-বতৰা আওৱাই অহাৰ ফলত সমাজৰ একাংশ লোকে জিঘাংসাত লিপ্ত হ'বলৈ উৎসাহ পোৱাৰ দৰেহে হৈছে। কেইটামান পূৰ্বে টংলাত জ্যেষ্ঠ ভাতৃয়ে দুই কনিষ্ঠ ভাতৃক সম্পত্তিৰ লোভত বধ কৰাৰ পিছতে এইবাৰ ধুবুৰী জিলাত ভয়ংকৰ কাণ্ড সংঘটিত কৰিছে এক লম্পটে। ধুবুৰীত প্ৰথমে অপহৰণ আৰু পিছত বন্দী কৰি কিশোৰীক ধৰ্ষণ কৰাৰ অভিযোগ উত্থাপন হৈছে। ধুবুৰী জিলাৰ গৌৰীপুৰ সুখাতিখাতাত সংঘটিত হৈছে বুকু কপি যোৱা এই কাণ্ড। এই কাণ্ড সংঘটিত লম্পটজন হৈছে ইছমাইল হক। অভিযোগ মতে, সুখাতিখাতা গাঁৱৰ ইছমাইল হকে একেগাঁৱৰে নাবালিকাক অপহৰণ কৰিছিল। কিশোৰী বন্দী কৰি ধৰ্ষণ কৰাৰ অভিযোগ উত্থাপন হৈছে। তাৰ পিছতে মুখ নোখোলাৰ ভাবুকি দি বেয়াকৈ মাৰধৰ কৰে কিশোৰীক। স্থানীয় ৰাইজে লম্পট ইছমাইল হকে কিশোৰীক মাৰধৰ কৰা প্ৰত্যক্ষ কৰিছিল। গৌৰীপুৰ আৰক্ষীয়ে কিশোৰীক উদ্ধাৰ কৰিছে যদিও ভাষ্য সলনি কৰিবলৈ ভাবুকি দিয়াৰ অভিযোগ উত্থাপন হৈছে। কিশোৰীৰ পৰিয়ালে দাওভাঙি আৰক্ষী চকীত এজাহাৰ দাখিল কৰে যদিও কিশোৰী আৰু কিশোৰীৰ পিতৃক গোচৰ প্ৰত্যাহাৰ কৰিবলৈ দাব-ধমকি দি অহাৰ অভিযোগ উঠিছে। কিশোৰীৰ পিতৃক ধন দি একাংশ লোকে গোচৰ প্ৰত্যাহাৰ কৰিবলৈ লোভ দিয়া বুলিও অভিযোগ উঠিছে। ইছমাইল হক আৰু ভাতৃ আশ্ৰাফুল হক, ইশ্ৰামুল হক, মোমায়েক আক্তাৰ আলীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে।



গুৱাহাটীত অসম প্ৰদেশ কংগ্ৰেছ কমিটিক বাবাছাহেব আম্বেদকাৰ সন্মান যাত্ৰাত সাংসদ গৌৰৱ গগৈ

# নগাঁৱত এদিনীয়া কাৰ্যসূচীৰে কৃষি আৰু কৃষক কল্যাণ বিভাগৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ভগীৰথ চৌধুৰী

**ই-সংবাদ, পুৰণিগুদাম, ২৪ ডিচেম্বৰঃ** এদিনীয়া চৰকাৰী কাৰ্যসূচীৰে কৃষি আৰু কৃষক কল্যাণ বিভাগৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ভগীৰথ চৌধুৰী আজি নগাঁও জিলাত উপস্থিত হৈ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলাখনৰ বিভিন্ন বিভাগৰ মূৰব্বী বিষয়াসকলৰ লগত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। উক্ত বৈঠকখন আঁট ধৰি জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে দৃশ্য-শ্ৰব্য মাধ্যমেৰে জিলাখনত ভৌগোলিক পৰিসীমা প্ৰশাসনিক পৰিগাঁথনি আৰু বিভিন্ন বিভাগে বিশেষকৈ কৃষি বিভাগে জনসাধাৰণৰ বাবে ভাৰত চৰকাৰ আৰু অসম চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহৰ অগ্ৰগতিৰ খতিয়ান দাঙি ধৰে।লগতে তেওঁ উল্লেখ কৰে যে, নগাঁও জিলাখন সাংস্কৃতিক দিশৰ লগতে কৃষিৰ ক্ষেত্ৰখনত বিশেষভাৱে আগবঢ়া।মন্ত্ৰী গৰাকীৰ নগাঁও জিলালৈ আগমনে জিলাখনৰ বিকাশত বিশেষ অৰিহণা আগবঢ়াব।মন্ত্ৰীগৰাকীয়ে প্ৰথমেই প্ৰধানমন্ত্ৰীৰ কৃষিৰ ক্ষেত্ৰত এখন মুখ্য যোজনা FPO ৰ অগ্ৰগতিৰ বিষয়ে বুজ লোৱাৰ লগতে বৰ্তমান ৰাসায়নিক দ্ৰব্যৰ ব্যৱহাৰৰ ফলত হোৱা কৃষক আৰু কৃষিভূমিৰ লগতে পৰিৱেশৰ পৰা কু-প্ৰভাৱৰ বিষয়ে উল্লেখ কৰি তেখেতে জৈৱিক পদ্ধতিৰে কৃষিকাৰ্য সম্পাদনৰ ওপৰত গুৰুত্ব আৰোপ কৰে।তেওঁ কয় যে, অসমত খেতিৰ বাবে পানী পৰ্য্যাপ্ত আছে, সেই গতিকে ইয়াত কৃষিভূমি এনেই পেলায় নেৰাখি বছৰত অন্তত তিনিটা খেতি কৰিব লাগে আৰু এই ক্ষেত্ৰত বিভাগীয় বিষয়াসকলে উচিত পদক্ষেপ ল'ব লাগে। কৃষক সকলৰ ফচলৰ উচিৎ মূল্য প্ৰদানৰ হেতু ভাৰত চৰকাৰে পৰিবহনৰ ৫০% ব্যয় প্ৰদানৰ কথা উল্লেখ কৰি মন্ত্ৰী গৰাকীয়ে কয় যে, পৰিবহন ব্যয় কম হোৱাৰ ফলত কৃষকে নিজৰ ফচলৰ উপযুক্ত মূল্য লাভ কৰিব। মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰীৰ ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ স্বপ্নৰ সন্দৰ্ভত কয় যে, সমাজৰ দৰিদ্ৰ শ্ৰেণীৰ লগতে কৃষক সকলৰ উন্নতি হ'লেহে ই সম্ভৱ হ'ব। মন্ত্ৰীগৰকীয়ে জিলাখনৰ নাবাৰ্ডৰ জৰিয়তে ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনি সমূহৰ বুজ লোৱাৰ লগতে পাম অইল খেতিৰ অগ্ৰগতিৰ সন্দৰ্ভত পতঞ্জলীৰ বিষয়াৰ পৰা বুজ লয়।তেওঁ কৃষাণ বিজ্ঞান কেন্দ্ৰৰ বিষয়াৰ পৰা তেওঁলোকৰ কাম কাজৰ বুজ লোৱাৰ লগতে তেওঁলোকক কৃষকৰ ভূমি পৰীক্ষণৰ সু-ব্যৱস্থা কৰিবলৈ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে জিলাখনত ৰূপায়ণ হৈ থকা প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা বিষয়ে বুজ লয়। মন্ত্ৰীগৰাকীয়ে সভাত উপস্থিত জিলাখনৰ মুৰব্বী বিষয়াসকলক জনতাৰ সেৱক হিচাপে জনসাধাৰণৰ বাবে চৰকাৰে গ্ৰহণ কৰা সকলো জনমুখী আঁচনি সমূহ যাতে যোগ্য হিতাধিকাৰীসকলে লাভ কৰে তাৰ ওপৰত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।আজিৰ এই বৈঠকত জিলা উন্নয়ন আয়ুক্ত দেৱযানী চৌধুৰীকে প্ৰমুখ্য কৰি জিলাখনৰ বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

# কলগাছিয়াত ৰাইজৰ দলৰ সভাপতি অখিল গগৈৰ জনসভা

**ই-সংবাদ, কলগাছিয়া ২৪ ডিচেম্বৰ:** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত কলগাছিয়াৰ পাট বজাৰত ৰাইজৰ দলৰ এক বিশাল জনসভা অনুষ্ঠিত হয়। উক্ত জনসভাত অখিল গগৈয়ে ভাষণ প্ৰসঙ্গত কয় হিমন্ত বিশ্ব শৰ্মা পৃথিৱীৰ ভিতৰত এক নম্বৰ মিছা কথা কোৱা মানুহ। কেন্দ্ৰ আৰু ৰাজ্যত বিজেপি চৰকাৰৰ দিনত সংখ্যালঘু লোকে উজনিৰ শিৱসাগৰ, ডিব্ৰুগড়, যোৰহাট লক্ষীমপুৰ কাম কৰিবলৈ যাবলৈ ভয় পায়। অসমৰ হিন্দু মুছলিম এক হওঁক আৰু অসমৰ ৰাজনীতিৰ পথাৰৰ পৰা সাম্প্ৰদায়িক দল এ আই ইউ ডি এফ আৰু বিজেপিক খেদি পঠাওক বুলি ৰাইজক উদ্দেশ্যি মন্তব্য কৰে শিৱসাগৰৰ বিধায়ক গৰাকীয়ে। সাম্প্ৰদায়িক দল এ আই ইউ ডি এফ আৰু বিজেপিক ২০২৬ চনত ব্ৰহ্মপুত্ৰ নৈত দলিয়াই দিয়া হব বুলি ভাষণ প্ৰদান কৰে অখিল গগৈয়ে। আমাক হিন্দু মুছলিম নালাগে আমাক মাটিৰ পট্টা লাগে, আমাক গৰাখহনীয়া প্ৰতিৰোধ কৰাৰ চৰকাৰ লাগে, আমাক এনেকুৱা এখন চৰকাৰ লাগে যিখন চৰকাৰে কৃষকৰ খেতিত বিনামূলীয়া পানী যোগানৰ ব্যৱস্থা কৰি দিব পাৰে আৰু এনেকুৱা চৰকাৰ লাগে যিখন চৰকাৰে নিবনুৱা সমস্যা দুৰ কৰিব পাৰে, মুল্যবৃদ্ধি ৰোধ কৰিব পাৰে তেনেকুৱা এখন চৰকাৰ লাগে বুলি কয় বিধায়ক অখিল গগৈয়ে। নিজৰ পকেট গৰম কৰাৰ কাৰণে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গৰুৰ মাংস বন্ধ কৰাৰ কথা কয়। আনহাতে অখিল গগৈয়ে কয়, বৰপেটাৰ



আৰক্ষী অধীক্ষক তথা মুখ্যমন্ত্ৰীৰ ভাতৃয়ে গৰুৰ মাংসৰ বেপাৰীৰ পৰা মাহিলী কমিছন খায় আৰু জুৱাৰ আড্ডাৰ পৰা কমিচন খায় বুলি অভিযোগ কৰি ক্ষুৰধাৰ সমালোচনা কৰে। এই অভিযোগ যদি সত্য হয় তেন্তে ইয়াৰ বিচাৰ লাগিব বুলি কয়। আজি কলগাছিয়াত এইদৰে মন্তব্য কৰে ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে। আজিৰ এই জনসভাত এ আই ইউ ডি এফ আৰু কংগ্ৰেছ দলৰ পৰা সহস্ৰাধিক নেতা কৰ্মী ৰাইজৰ দলত যোগদান কৰে।

# দলগাঁৱত সমষ্টি ভিত্তিক খেল মহাৰণ

**ই-সংবাদ, খাৰুপেটীয়া, ২৪ ডিচেম্বৰঃ** অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ অধীনত সমগ্ৰ ৰাজ্যখনৰ লগতে দৰঙতো জিলা প্ৰশাসন আৰু দৰং জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ৰ সহযোগত খেল মহাৰণ দ্বিতীয় সংস্কৰণৰ দলগাঁও সমষ্টি ভিত্তিক প্ৰতিযোগিতাৰ আজি দলগাঁও টাউন খেলপথাৰত ১৭ অনূৰ্ধ্ব ফুটবলত চকৰাবস্তী-খেৰাকাটা পঞ্চায়ত আৰু ১৭উৰ্ধ্বত বেছিমাৰী গাঁও পঞ্চায়ত চেম্পিয়ন হয়। ফাইনেল খেল দুখন উদ্বোধন কৰে প্ৰাক্তন ফুটবল খেলুৱৈ নজৰুল ইছলাম আৰু অৱসৰী শাৰীৰিক নিৰ্দেশক বিষ্ণু প্ৰসাদ নাথে। ১৭ অনূৰ্ধ্বত চকৰাবস্তীয়ে বেছিমাৰী গাঁও পঞ্চায়তক টাইব্ৰেকাৰৰ সহায়ত ৪-১ গ'লত পৰাজিত কৰে। বেছিমাৰীৰ আমিনুল ইছলাম শ্ৰেষ্ঠ খেলুৱৈ বিবেচিত হয়। ইপিনে ১৭ উৰ্ধ্বত বেছিমাৰী গাঁও পঞ্চায়তে চকৰাবস্তীক টাইব্ৰেকাৰৰ সহায়ত ৪-২ গ'লত পৰাস্ত কৰে। চকৰাবস্তীৰ গোবিন্দ কয়াকে শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে। খেল পৰিচালনা কৰে আব্দুল হান্নান, নজৰুল ইছলাম, তিলক শইকীয়া, আবু ছালামে। পূন্যধৰ শইকীয়া আৰু সমষ্টিৰ ইনচাৰ্জ মোবাৰক হুছেইনে আঁত ধৰা খেলৰ সামৰণি অনুষ্ঠানত বিজয়ী আৰু বিজিত দলক খেল মহাৰণৰ মেডেল আৰু ট্ৰফী প্ৰদান কৰে শাৰীৰিক নিৰ্দেশক কুমুদ বৰা, ডিম্বেশ্বৰ বড়ো, ভগীৰথ চেত্ৰী, জিতু মহন্তই। ২২ডিচেম্বৰত সাংসদ দিলীপ শইকীয়াই উদ্বোধন কৰাৰ পিছত এথলেটিকছ, কাবাডী, দবা, চাইকেল চালনা প্ৰতিযোগিতাৰ লগতে ভলীবল আৰু মহিলা ফুটবল বাছনিত ১৯খন গাঁও পঞ্চায়তৰ প্ৰায় দুহেজাৰ খেলুৱৈ প্ৰশিক্ষক-মেনেজাৰে অংশগ্ৰহণ কৰা সমষ্টিৰ ভেগুৰৰ দায়িত্ব সুচাৰুৰূপে পালন কৰা বাবে দলগাঁৰৰ 'অৱয়ব ফাউণ্ডেচনৰ মণ্টু বৰা আৰু অভিজ্ঞান দত্তক শলাগ লয় খেলুৱৈ আৰু ক্ৰীড়া বিভাগে।



আইচিচিৰ বৰ্ড অৱ ডাইৰেক্টৰছৰ সদস্য দেৱজিৎ লন শইকীয়াক সম্বৰ্ধনা বৰাকৰ ক্ৰীড়া সংগঠক আকিব জাভেদৰ




বদোৰতাত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে দ্বিতীয়খন এদিনীয়াত টীম ইণ্ডিয়াৰ জেনিমা ৰেডিগুছৰ কেচ্ছ ধৰাৰ প্ৰয়াস

## পাকিস্তান আৰু সংযুক্ত আৰৱ আমিৰ শ্বাহীত মেচ

# চেম্পিয়নছ ট্ৰফী ২০২৫ৰ সম্পূৰ্ণ সূচী ঘোষণা আই চি চিৰ

**নতুন দিল্লী, ২৪ ডিচেম্বৰঃ** দীৰ্ঘদিনীয়া জল্পনা-কল্পনাৰ অন্তত অৱশেষত প্ৰকাশ কৰা হ'ল চেম্পিয়নছ ট্ৰফী ২০২৫ৰ সম্পূৰ্ণ সূচী। এই গুৰুত্বপূৰ্ণ প্ৰতিযোগিতাখন অহা বছৰৰ ফেব্ৰুৱাৰী-মাৰ্চ মাহত পাকিস্তান আৰু সংযুক্ত আৰব আমিৰশ্বাহীত অনুষ্ঠিত হ'ব। য'ত পাকিস্তান আৰু ভাৰতৰ মেচকে ধৰি ছেমি ফাইনেল আৰু ফাইনেল ইউ এ ইতো অনুষ্ঠিত হ'ব। শেহতীয়াকৈ আইচিচিয়ে এই বিষয়টো নিশ্চিত কৰি কয় যে ভাৰত আৰু পাকিস্তানৰ মাজত ঐতিহাসিক মেচখন ২৩ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাখনৰ উদ্বোধনী খেলখন ১৯ ফেব্ৰুৱাৰীত পাকিস্তান আৰু নিউজিলেণ্ডৰ মাজত অনুষ্ঠিত হ'ব। ঠিক পিছদিনা অৰ্থাৎ ২০ ফেব্ৰুৱাৰীত ভাৰত আৰু বাংলাদেশৰ মাজত খেল অনুষ্ঠিত হ'ব। ইয়াৰ পিছত ২৩ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব আটাইতকৈ ৰোমাঞ্চকৰ মেচখন। এই ভাৰত-পাকিস্তান খেলখন দুপৰীয়া ২:৩০ বজাৰ পৰা পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হ'ব। উল্লেখ্য যে, এই প্ৰতিযোগিতাৰ বিশেষ দিশটো হ'ল ভাৰত, নিউজিলেণ্ড, পাকিস্তান আৰু বাংলাদেশক গ্ৰুপ "এ"ত আৰু আফগানিস্তান, অষ্ট্ৰেলিয়া, ইংলেণ্ড আৰু দক্ষিণ আফ্ৰিকাক গ্ৰুপ "বি"ত স্থান দিয়া হৈছে। সকলো মেচ দিবা-নৈশ হ'ব আৰু ১০ মাৰ্চত অনুষ্ঠিত হ'বলগীয়া ফাইনেলৰ বাবে এটা ৰিজাৰ্ভ ডে' নিৰ্ধাৰণ কৰা হৈছে। পাকিস্তানৰ লাহোৰ, কৰাচী আৰু ৰাৱালপিণ্ডিত খেলসমূহৰ আয়োজন হ'ব আৰু সংযুক্ত আৰব আমিৰশ্বাহীৰ ডুবাইত খেলা হ'ব। ৪ মাৰ্চত ডুবাই ষ্টেডিয়ামত অনুষ্ঠিত হ'ব প্ৰথমখন ছেমি ফাইনেল। প্ৰতিযোগিতাখনৰ সন্দৰ্ভত আইচিচিয়ে ঘোষণা কৰিছে যে মুঠ ১৫খন খেল অনুষ্ঠিত হ'ব আৰু সকলো খেলৰ স্থান নিৰ্ধাৰণ কৰা হৈছে। ডুবাই ইণ্টাৰনেশ্যনেল ষ্টেডিয়ামত ভাৰতৰ খেল অনুষ্ঠিত হ'ব। ১০ মাৰ্চৰ দিনটো ফাইনেলৰ বাবে ৰিজাৰ্ভ ডে' হিচাপে ৰখা হৈছে, আৰু কোনো কাৰণত যদি ৫ মাৰ্চত ফাইনেল অনুষ্ঠিত নহয়, তেন্তে এই চূড়ান্ত খেলখন অনুষ্ঠিত হ'ব ঠিক পিছদিনা।

# ডিব্ৰুগড়ত ২৯ সংখ্যক সদৌ অসম মুকলি মাৰাথন প্ৰতিযোগিতা

**ই-সংবাদ, ডিব্ৰুগড়, ২৪ ডিচেম্বৰঃ** ডিব্ৰুগড় জিলাৰ ঘোঁৰামৰাত দেশৰ ভিতৰতে ইংৰাজী নৱবৰ্ষ প্ৰথম দিনটোতে বিগত ২৮ টা বছৰে সদৌ অসম ভিত্তিত প্ৰাইজমাণি মুকলি মাৰাথন (ল'ৰা) প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে। মদাৰখাত ক্ৰীড়া সন্থা আৰু মদাৰখাতবাসী ৰাইজৰ সহযোগত এইবাৰো ১ জানুৱাৰীত ২৯ সংখ্যক সদৌ অসম ভিত্তিত মুকলি মাৰাথন দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বাবে ব্যাপক প্ৰস্তুতি আৰম্ভ কৰিছে।প্ৰতিযোগিতা উপলক্ষে ৩১ ডিচেম্বৰত মদাৰখাত ক্ৰীড়া সন্থাৰ সভাপতি যতীন গোহাঁইয়ে পতাকা উত্তোলন আৰু ছহিদ তৰ্পণ কৰিব সম্পাদক কোযেশ্বৰ চেতিয়াই। বন্তি প্ৰজ্বলনৰ শুভাৰম্ভ কৰিব কাৰ্যকৰি সম্পাদক প্ৰদীপ গগৈয়ে। খেলুৱৈসকলৰ স্বাস্থ্য শিবিৰ মুকলি কৰিব চিঙলিজান চাহ বাগিছাৰ পৰিচালক ত্ৰিদীপ মহন্তই আৰু শিবিৰ মুকলি কৰিব ঘোঁৰামৰা উপ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰাঞ্জল শৰ্মাই। ১ জানুৱাৰী ২০২৫ তাৰিখে ক্ৰীড়া সংগঠক কল্যাণ গগৈয়ে ৪-০০ বজাত সদৌ অসম মুকলি প্ৰাইজমাণি মাৰাথন প্ৰতিযোগিতা মুকলি কৰিব। ২৯ সংখ্যক এই মাৰাথন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি পূৰ্বৰ দৰে সফল কৰি তুলিবলৈ খেল পৰিচালনা সমিতিৰ সভাপতি ৰঞ্জিত গোহাঁই,কাৰ্যকৰি সভাপতি সুভাষ দত্ত, বিকাশ চাংমাই, যুটীয়া সম্পাদক বিদ্যুৎ সাগৰ দত্ত, বিভূতি গগৈ, তিৰংগ গগৈয়ে অনুৰোধ জনোৱা লগতে কিবা জানিব লগীয়া থাকিলে ৯৩৬৫৩১২৩৪০, ৯৭০৭১৬১২৮২ আৰু ৮৮১১৮৫১৯৫৬ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে। এইবাৰ মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ডও জিতেন হাজৰিকা, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পংকজ বৰঠাকুৰ আৰু ডিব্ৰুগড় ক্ৰীড়া সন্থাৰ নৱ নিৰ্বাচিত বিষয়ববীয়াসকল উপস্থিত থাকিব।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। মুখ্য সম্পাদকঃ ডও দীনেশ বৈশ্য ।। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি